# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE.
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

MAY SESSION

## VOLUME– IX

## NO. 28

The 12th May, 1989

Price— Rs. 23.91

REFERENCE.
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

# CONTENTS

MAY SESSION

Volume IX No. 28

Dated, the 12th May, 1989


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-41 |
| 2. | Matter Raised During Zero Hour | 42-67 |
| 3. | Announcement from the Chair | 68-71 |
| 4. | Matter under Rule 301 | 71-75 |
| 5. | Private Member's Resolution | 75-87 |
| 6. | Adjournment | 87 |
| 7. | Annexure | 88-127 |

REFERENCE.
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, May 12, 1989.

The House met at 8-30 of the Clock in the Assembly Chamber, DISPUR with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

Starred Question No. 561 was not called for.

### Re : Condition of ASTC buses.

Sri Digendra Purkayastha asked :

* 561. Will the Chief Minister be pleased to state :

(a) Is the Government aware of the fact that the passengers travelling by ASTC, Night Super from Silchar to Guwahati and Vice-Versa are facing extreme troubles due to the bad condition of the buses ?

(b) If so, will the Government immediately replace those eondemened buses for the safety of the passengers who are travelling at odd henrs of night.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই পথত চলি থকা পৰিবহন নিগমৰ নৈশ সেৱাৰ বাছবোৰৰ অৱস্থা বেয়া নহয় ।

(খ) প্ৰয়োজন সাপেক্ষে পৰিবহন নিগমে ব্যৱস্থা লব ।

### বিষয় : গোসাইগাওঁ পাইকাৰী গ্ৰাহক সমবায় সমিতি ।

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে :

* ৫৬২ মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(a) Whether any amount of growers deposit is lying accumulated with the Government in the name of Gossaigaon Wholesale consumers Cooperative Societies Ltd. Kokrajhar ?

(b) If so, what is the amount ?

(c) When the said Gossaigaon Society will be allowed to draw the growers deposit ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী)— য়ে উত্তৰ দিছে :

(ক) নাই ।

(খ) আৰু (গ) প্ৰশ্ন নুঠে ।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, এইটো বোধকৰো অলপ ভুল হৈছে । গোসাইগাওঁ কোকৰাঝাৰত নাই সেই কাৰণে বোধকৰো অলপ খেলি-মেলি হৈছে । গোসাইগাওঁত পাইকাৰী গ্ৰাহক সমবায় পৰিসীমিত খন ১৯৭৫ চনৰ পৰাই আছে । এই বিষয়ে মই ভালকৈ জানো । গতিকে মন্ত্ৰী মহোদয়ৰ পৰা এনে ধৰণৰ উত্তৰ পোৱাত আচৰিত হৈছো । এতিয়া মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে, এই এমাউণ্টটো বিলিজ কৰি দিলে ভাল হয় ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে গোসাইগাওঁত প্ৰাইমেৰী হোলচেল কোপাৰিটিভ চোচাইটি লিমিটেড আছিল । সেই কাৰণে উত্তৰটো নিগেটিভ হৈ আহিছে ।

Starred Question No. 563 was withdrawn.

Starred Question No. 564 was not called for. However written replies deemed to have been laid on the table as follows.

বিষয় : বাননিয়ন্ত্ৰণ আচঁনি ।

কুমাৰ দীপক দাসে সুধিছে :

* ৫৬৪। মাননীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চলিত বিত্তীয় বছৰত বৰপেটা সমষ্টিৰ ভিতৰত বাননিয়ন্ত্ৰণ বিভাগৰ কি

কি আচঁনিৰ কাম আৰম্ভ কৰিব বা কৰিছে ?

(খ) সেই আচঁনি সমূহৰ নাম কি কি ?

(গ) চাউলখোৱা নদীৰ মথাউৰী নিৰ্ম্মাণ আচঁনিটোৰ কাম এই চলিত বছৰত আৰম্ভ কৰি শেষ কৰিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) বাননিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) চলিত বিত্তীয় বছৰত ৰৰপেটা বাননিয়ন্ত্ৰণ সংমণ্ডলৰ অধীনত জৰুৰী কালীন পদ্ধতিত এটা নতুন মথাউৰীৰ আচঁনিৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হৈছে। ৰাকী লবলগীয়া আচঁনিসমূহৰ নাম-তালিকা এতিয়াও ঠিৰাং হোৱা নাই।

(খ) আচঁনিটোৰ নাম "Construction of Marginal embankment along L/B from B.H.P.W.D. Road with the starting point of Morachoulkhowa L/B embankment from B. J. P. W. D. Road to Gagalmari Village of Morachoulkhowa linking the Morachoulkhowa L/B".

(গ) ওপৰত (খ)ত উল্লেখ কৰা আচঁনিখন এই বছৰতে আৰম্ভ কৰি শেষ কৰিবৰ বাবে পাৰ্য্যমানে যত্ন কৰা হব।

Starred Question No. 565 was not called for. However, written replies deemed to have been laid on the table as follows :

বিষয় : **বানপানীৰ স্থায়ী সমাধানৰ ব্যৱস্থা।**

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

*৫৬৫ মাননীয় ৰাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে অসমৰ ৰানপানী সমস্যাৰ স্থায়ী সমাধানৰ কিবা ব্যৱস্থা লৈছে নেকি ?

(খ) যদি লৈছে, কেনে ধৰণৰ ব্যৱস্থা লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) বাননিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানীৰ স্থায়ী সমাধানৰ ভাৰ ১৯৮০ চনতে ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰি তেওঁলোকৰ ওপৰত ন্যস্ত কৰিছে।

(খ) জনামতে ইতিমধ্যে ব্ৰহ্মপুত্ৰ বৰ্ডে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সুৱনশিৰি, দিহাঙ পাগলাদিয়া আৰু বৰাক উপত্যকাৰ টিপাইমুখত বহুমুখী আঁচনি মুল ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ Master Plan দুখনত অন্তৰ্ভুক্ত কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছে।

বিষয় : **চাহ বনুৱাৰ লৰা ছোৱালীৰ খেলৰ সা-সুবিধা।**

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

*৫৬৬। মাননীয় ক্ৰীড়া মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ চাহ ও প্ৰাক্তন চাহ বনুৱা অধ্যুষিত অঞ্চলত বসবাস কৰি থকা বনুৱা ল'ৰা ছোৱালী তথা যুৱক-যুৱতী সকলৰ শাৰীৰিক তথা মানসিক বিকাশৰ বাবে খেলা ধূলাৰ কি কি ব্যৱস্থা লৈছে ?

(খ) এই ব্যৱস্থা অনুযায়ী তেওঁলোকক খেলৰ কি কি বস্তু কেনেভাবে দিয়া হৈছে ?

(গ) ভৱিষ্যতে এওঁলোকৰ বাবে কিবা নতুন আচঁনি লোৱা হৈছে নেকি আৰু যদি লৈছে, কি আৰু কেতিয়াৰ পৰা ইয়াক কাৰ্য্যকৰী কৰা হব ?

শ্ৰীদূৰ্গা দাস বড়ো (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ক্ৰীড়া আৰু যুৱকল্যান সঞ্চালকালয়ৰ দ্বাৰা ৰূপায়িত ক্ৰীড়া উন্নয়ন আচঁনি অনুসৰি সকলো সম্প্ৰদায়ৰ ল'ৰা ছোৱালী যুৱক-যুৱতীসকলে শাৰীৰিক তথা মানসিক বিকাশৰ বাবে খেলা ধূলাৰ সুবিধা সমানে ভোগ কৰিব পাৰে। আ'চনি ৰূপায়নত কোনো ধৰনৰ সংৰক্ষন ব্যৱস্থা ৰখা হোৱা নাই।

(খ) জিলা ক্ৰীড়া বিষয়াসকলৰ যোগেদি বিভিন্ন শিক্ষানুষ্ঠানৰ চাহিদা অনুযায়ী খেলাৰ সামগ্ৰী যোগান যোগান ধৰা হয়।

(গ) তেনে কোনো নতুন আচ'নি লোৱা হোৱা নাই। গতিকে কাৰ্য্যকৰী কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাৰ এই বিষয়লৈ আমাৰ আগৰ মন্ত্ৰী শ্ৰীপ্ৰবিন গগৈ ডাঙৰীয়াই এটা প্ৰতিশ্ৰুতি দিছিল চাহ

ৰাগিছা আৰু চাহ উধ্যোষিত অঞ্চলত তেওঁলোকৰ শাৰীৰিক আৰু মানসিক বিকাশৰ কাৰণে কিছুমান নতুন ধৰণৰ বিশেষ ব্যৱস্থা ক্ৰীড়া বিভাগৰ ফালৰ পৰা লোৱা হব। কিন্তু নতুন মন্ত্ৰী মহোদয়ে তেনে ধৰণৰ কোনো স্পেচিফিক ব্যৱস্থা লোৱা নাই বুলি জনাইছে। খেলা ধুলাৰ ক্ষেত্ৰত যিহেতুকে চাহ বাগিছা সমূহত বিশেষ সুবিধা নাপায় বা তেওঁলোকে তাৰ পৰা আহি ৰাহিৰত সুৰিধা লব নোৱাৰে সেই হেতুকে এই বিলাক চিন্তা কৰিয়েই বিশেস সুবিধা দিয়াৰ মন্ত্ৰী মহদোয়ে ব্যৱস্থা কৰিব নে ?

শ্ৰীদুৰ্গা দাস বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খেলা ধুলাৰ ক্ষেত্ৰত কোনো ধৰণৰ সংৰক্ষণ ৰখা নহয়। প্ৰতিযোগিতাত যিজন প্ৰথম হয় তেওঁকেই সুৰিধা দিয়া হয়। চাহ বাগিছাৰ মাজতো তেনে ধৰণৰ খেলুৱৈ যদি আছে আমি সুবিধা দিয়াৰ ব্যৱস্থা কৰিম। তাৰোপৰি এটা অঞ্চলৰ খেলা-ধুলাত আগ বঢ়া যদি হয়, তেওঁলোকক কিছুমান সা—সুৰিধা দিব লাগে। তেনেকুৱা আচনি আমাৰ আছে। কিন্তু পোনপতিয়াকৈ চাহ বাগিছাৰ অঞ্চল বুলি বা কোনো সংৰক্ষিত অঞ্চল বুলি আমি সুবিধা দিব নোৱাৰো। তেনে কৰিলে খেলি-মেলিৰ সৃষ্টি হব। যদি সেই অঞ্চলত ভাল উৎসাহিত খেলুৱৈ আছে আমি নিশ্চয় সহায় কৰিম।

শ্ৰীপদ্ম নাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, চাৰে সাতশখন চাহৰাগিছাৰ ভিতৰত যোগ্যতা ভিত্তিত ৰিকাশ সাধন কৰিবলৈ এই উধ্যোসিত এলেকাত চৰকাৰৰ তৰফৰ পৰা ৰিশেষ ব্যৱস্থা কৰি দিব নে? এইটোৱেই মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। এই অঞ্চল সমূহত থকা লৰা ছোৱালী বিলাকে যাতে নতুন উদ্যমলৈ আনৰ দৃষ্টিগোছৰ কৰিব পাৰে সেই সহানুভূতিৰে তেওঁলোকক শিক্ষা দিবলৈ ৰ্যৱস্থা কৰি দিব আমাৰ চৰকাৰে পাৰেনে ?

শ্ৰীদুৰ্গা দাস বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰাক্তন মন্ত্ৰী দেৱে চাহ মজদুৰ সকলৰ খেলুৱৈ সকলক সা-সুবিধা দিম বুলি কৈছিল। আমি পোনপতিয়াকৈ সা-সুৰিধা দিব নোৱাৰিলেও সেই অঞ্চল সমুহত আমি নিশ্চয় সা-সুবিধা দিম।

Sub : **Deep Tube well Schemes.**

Shri Aminul Islam asked :

*567. Will the Minister, Irrigation be pleased to State:

(a) Is it a fact that a number of Deep Tube Well Schemes in Mankachar Legislative Assembly Constituency could not be implemented for want of Rig ?

(b) If so whether Rig has been sent to Mankachar Constituency for undertaking installation works of the said Deep Tube Wells ?

(c) If not will the Government initiate urgent steps to send Rigs to Mankachar Constituency ?

Shri Deba Kumar Bora (Minister, Irrigation) replied:

(a) Yes.

(b) Yes.

(c) Does not aries.

Shri Aminul Islam : Sir, I would like to ask three supplementaries :

(1) How many Deep Tube Wells have so far been installed in this working season ?

(2) Where the rig is located at present ?

(3) How many Deep Tube Wells are likely to be installed before the end of this working season ?

Shri Deba Kumar Bora (Minister): There are 21 Nos. of ongoing D. T. W. Schemes in Mankachar Constituency out of which 13 Nos. of schemes comprising of 31 Nos. of D.T.W. are under Goalpara Investigation Division and the balance 8 Nos. of schemes comprising of 15 Nos. of D.T.W. are under Goalpara Mechanical Division.

Shri Aminul Islam : Sir, my specific question was that how many deep tubewells are likely to be installed

before the end of this working season ?

Shri Deba Kumar Bora (Minister) : Sir, about the remaining works under Mankachar Constituency, the department is considering for taking up the boring and installation work of tube wells under Goalpara Investigation Division through Departmental rig also and accordingly actions are being taken for completion of the boring and installation of these wells within 89-90 provided adequate funds are allocated against these by the Sub-Divisional Planning Council.

ডাঃ কমলা কলিতা : যিটো বৰিং আৰু ইন্‌চটলেচনৰ কামৰ কথা কৈছে এইটো কেৱল গোৱালপাৰা দিভিজনৰ কাৰণে কৈছে নে ? বাকী জিলা বিলাকত যিবিলাক স্কিম আছে সেই বিলাকৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : আমাৰ যোৱা ওৱাৰ্কিং চিজনত বিভাগে যথেষ্ট ক্ষিপ্ৰতাৰে কাম কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু মোৰ খবৰ মতে সকলো অঞ্চলত যোৱা ৬ মাহত কামৰ অগ্ৰগতি যথেষ্ট সন্তোষজনক।

Starred Question No. 568 was not called for However, written replies deemed to have been laid on the table as follows :

**Re : I. C. D. S. at Morigaon Town.**

Shri Ardhendu Kumar Dey asked :

*568. Will the Minister of State, Women and Social Welfare be pleased to state :

a) Whether Government has any knowledge about the news published in the weekly Ganatantra dt. 15th, March, 1989 under the caption "সমাজ কল্যাণ বিভাগত অকল্যাণমূলক কাৰ্য্য কেইবা লক্ষ্য টকাৰ শিশু খাদ্যৰ আত্মসাৎ"।

b) Whether it is a fact that 4 (four) I. C. D. S. centres was sanctioned in the Morigaon Town ?

c) Whether it is also a fact that Nagaon welfare centre sanctioned children food to those Centres at Morigaon Town during the period from March, 1988 to August, 1988 worth of rupees about two lakhs ?

Shrimati Rekha Rani Das Boro (Minister of state, Women and Social Welfare) replied :

a) yes.

b) There are 4 (four) Feeding Centres in Morigaon Town which have been set up under Wheat-based Nutrition Scheme (but not under I. C. D. S.)

c) Under the Wheat-based Nutrition Scheme, the wheat used as the nutritious food is supplied in kind by the Government of India, free of cost to the state Government Expenses involved including the value of the wheat in the implementation of this wheat-based Nutrition Programme in the above mentioned 4 (fonr) Centres in Morigaon Town during the period from March, 1988 to August, 1988 are Rs. 95, 523. 00.

বিষয় : টেলিফোন বিল ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

* ৫৬৯ মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ পৰিচালন সঞ্চালকৰ ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ডিচেম্বৰ মাহলৈ টেলিফোনৰ বিলৰ বাবে বিভাগে কিমান টকা দিব লগীয়া হৈছিল ?

(খ) উক্ত সময় চোৱাৰ পৰিচালন সঞ্চালক গৰাকীৰ নামটো কি ?

REFERENCE
( NOT FOR ISSUE )



READING ONLY INSIDE LIBRARY.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) টেলিফোনৰ বিলৰ বাবে সমবায় বিভাগে কোনো টকা দিব লগীয়া হোৱা নাছিল।

(খ) ১।১।৮৮ তাৰিখৰ পৰা ৬।১০।৮৮ তাৰিখলৈ শ্ৰীঅংকাৰমল মহেশ্বৰীয়ে আৰু ৬।১০।৮৮ ৰ পৰা ৩১।১২।৮৮ লৈকে শ্ৰীভূপেন্দ্ৰ নাথ বৰুৱা।

বিষয় : **কাৰ্য্যবাহী অভিযন্তা।**

শ্ৰীজগৎ হাজৰীকাই সুধিছে :

* ৫৭০ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ কাৰ্য্যবাহী অভিযন্তা শ্ৰী এন. চি. দাসক পুলিচে গ্ৰেপ্তাৰ কৰা আৰু চৰকাৰে নিলম্বিত কৰা কথাটো সঁচানে ?

(খ) যদি সচা, তেওঁৰ অভিযোগ সমূহ কি কি ?

(গ) বিষয়াজনক পুনৰ নিযুক্তি দিয়া কথাটো সঁচানে ?

(ঘ) যদি সঁচা, কি কাৰণত তেওঁক পুনৰ নিযুক্তি দিলে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নিলম্বিতকৰণ সঁচা, কিন্তু পুলিচে আটক কৰা নাই।

(খ) বিনানুমতিত মুখ্য কাৰ্য্যালয় এৰা আৰু ভেটী যচা অভিযোগত তেওঁক নিলম্বিত কৰা হয়।

(গ) বিষয়াজন কাৰ্য্যবাহী অভিযন্তা হিচাবে পুনঃ স্থাপন কৰা হৈছে।

(ঘ) নিলম্বিতকৰণৰ বিষয়ে থকা চৰকাৰী নিয়মাৱলী মতে বিষয়াজনক চাকৰিত পুনঃ স্থাপন কৰা হৈছে আৰু তেখেতৰ বিৰুদ্ধে থকা অভিযোগ সমূহৰ ওপৰত বিভাগীয় গোচৰ চলিত আছে।

Starred Question No. 571 & 572 were not called for. However, written replies deemed to have been laid on the table as follows :

বিষয় : **কামগুৰৰ চেনীকল।**

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

* ৫৭১। মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামপুৰত অৱস্থিত সমবায় চেনীকলত অংশ, ঋণ বা অন্য ধৰণৰ আৰ্থিক সাহায্যৰে বৰ্ত্তমানলৈকে কিমান টকা খটোৱা হৈছে ?

(খ) চেনীকলটোৰ সম্পূৰ্ণ ক্ষমতা অনুসৰি উৎপাদন হৈছে নে নাই ?

(গ) যোৱা বানপানীৰ সময়ত এই চেনীকলটোৰ কিবা অনিষ্ট হৈছিল নেকি, যদি হৈছিল কিমান পৰিমানৰ ক্ষতি হৈছিল ?

(ঘ) চেনী কলটোৰ পৰিচালনা সমিতিখন কেনে ধৰণেৰে গঠিত হৈছে আৰু অংশীদাৰৰ পৰা পৰিচালনা সমিতিত প্ৰতিনিধিত্ব আছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১২, ৯২, ৫৮, ২০০.০০ টকা ।

(খ) নাই হোৱা ।

(গ) যোৱা বানপানীৰ সময়ত এই চেনীকলটোৰ আনুমানিক ৭২ লাখ টকাৰ কুহিঁয়াৰ আৰু প্ৰায় ১ লাখ টকাৰ চেনীকলৰ চৌহদৰ ভিতৰত থকা পথ আৰু কৰ্মচাৰীৰ আৱাস গৃহৰ ক্ষতি হৈছিল ।

(ঘ) চেনীকলটোৰ পৰিচালনাৰ কাৰণে চৰকাৰে তদৰ্থ কমিটিখন গঠন কৰি দিছে । এই কমিটিত অংশীদাৰৰ প্ৰতিনিধিত্ব নাই ।

বিষয় : নগাওঁ যান্ত্রিক জলসিঞ্চন সংমংলত হোৱা খৰচ ।

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

* ৫৭২। মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ যান্ত্ৰিক জলসিঞ্চন সংমণ্ডলত যোৱা ৩টা বিত্তীয় বছৰত প্ৰতি বছৰে কিমান টকাৰ সামগ্ৰী ক্ৰয় কৰা হৈছিল ?

(প্ৰতি আঁচনি অনুযায়ী এই সামগ্ৰী ক্ৰয়ৰ হিচাব দিব)

(খ) যোৱা ৩টা বিত্তীয় বছৰত উক্ত সামগ্ৰীবোৰ ক্ৰয়ৰ বাবদ বছৰি কিমান টকাৰ নিবিদা আৰু কোটেচন আহ্বান কৰা হৈছে ?

(প্ৰতি নিবিদা আৰু কোটেচনৰ বিপৰীতে বছৰি কিমান টকাৰ সামগ্ৰী কিনা হৈছে হিচাব দিব)

(গ) ক্ৰয় কৰা সামগ্ৰীবোৰৰ টেকনিকেল (Sanction) লোৱা হৈছিল নে ?

(ঘ) যদি লোৱা নাই, কিয় লোৱা হোৱা নাই ?

শ্ৰীদেৱ কুমাৰ বৰা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭ চনত ৬৭,৫১ লাখ টকা

১৮৮৭-৮৮ চনত ৪৯,৩৮ লাখ টকা

১৯৮৮-৮৯ চনত ৪২,৭২ লাখ টকাৰ সামগ্ৰী ক্ৰয় কৰা হয়।

(আঁচনি অনুযায়ী ক্ৰয়ৰ তালিকা সদনৰ মেজত ৰখা হ'ল)

(See Annexure— I)

| | | 1986-87 | 1987-88 | 1988-89 |
|---|---|---|---|---|
| (খ) | ১) নগাওঁ যান্ত্ৰিক সংমণ্ডলৰ দ্বাৰা | ১৯৮৬-৮৭ | ১৯৮৭-৮৮ | ১৯৮৮-৮৯ |
| | (১) আহ্বান কৰা নিবিদা | ৯,৬৫ লাখ | ৯,৯২ লাখ | ৬,৪৭ লাখ |
| | (২) কোটেচন — | ৫,৮২৫ লাখ | ১০,৪৭ লাখ | ৭,২৫ লাখ |
| | ২) উৰ্দ্ধতম কতৃপক্ষই আহ্বান কৰা নিবিদা — | ২৫,০০ লাখ | ২০,০০ লাখ | ২৪,০০ লাখ |

(পাম্প মটৰ ও আন যন্ত্ৰপাতিৰ কাৰনে)

(তালিকা সদনৰ মেজত ৰখা হ'ল)

(See Annexure— II)

(গ) হয়, হৈছিল।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় : শস্যবীমা আঁচনি কৃষি ঋণ।

শ্ৰীৰলোভদ্ৰ তামুলীয়ে সুধিছে :

* ৫৭৩ মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) যোৱা বছৰটোত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহৰ যোগে আগৰঢ়োৱা কৃষি ঋণ সমূহ শস্যবীমা আঁচনিৰ দ্বাৰা সামৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, খৰাংবতৰ আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত নষ্ট হোৱা খেতিৰ ক্ষতিপুৰণ (বীমাকৃত ধন) কৃষক সকলে পাইছেনে ?

(গ) যদি পাইছে, এতিয়ালৈকে গোলাঘাট জিলাত কিমানজন কৃষকে এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ধান, ঘেহু, মাহ আৰু সৰিয়হ খেতিৰ বাবে লোৱা ঋণ শস্যবীমা আঁচনিত

সামৰি লোৱা হৈছিল ।

(খ) কিছুমান ঠাইত পাইছে ।

(গ) বৰ্ত্তমানলৈকে গোলাঘাট জিলাত কোনো কৃষকে ক্ষতিপূৰণ পাবলগীয়া হোৱা নাই ।

শ্ৰীবলোভদ্ৰ তামুলী : গোলাঘাট জিলাৰ বোকাখাট সমবায় সমিতিয়ে ঋণ লৈ যি খেতি কৰিছিল সেই খেতি শিলাবৃষ্টি আৰু খৰাং বতৰৰ কাৰণে নষ্ট হৈছে । সমবায় সমিতিয়ে জনোৱা সত্বেও ব্যৱস্থা লোৱা নাই যাৰ ফলত কৃষকে যি ক্ষতিপূৰণ পাব লাগিছিল তাৰ পৰা বঞ্চিত হৈছে । গতিকে এই ঋণী সকলক ঋণ মুক্ত কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : এটা নিৰ্দ্দিষ্ট এলেকাত বীমা কৰা শস্যৰ যোৱা তিনি বছৰৰ গড় উৎপাদনৰ (প্ৰাৰম্ভিক উৎপাদন) লগত চলিত বছৰৰ গড় উৎপাদন তুলনা কৰিহে বীমাৰ ক্ষতিপূৰণ দিয়া হয় । চলিত বছৰৰ উৎপাদন প্ৰাৰম্ভিক উৎপাদন ইত্যাদি ৰাজ্যিক পৰিসংখ্যা বিভাগে নিৰ্দ্ধাৰণ কৰে । যদি কোনো এটা এলেকাত চলিত বছৰৰ বীমা কৰা শস্যৰ গড় উৎপাদন, প্ৰাৰম্ভিক উৎপাদনতকৈ কম হয় তেতিয়াহলে সেই এলেকাৰ ঋণী কৃষক সকলে ক্ষতিপূৰণ পাব পাৰে । অন্যথাই ক্ষতিপূৰণ দিয়াৰ প্ৰশ্ন নুঠে ।

শ্ৰীবলোভদ্ৰ তামুলী : ঋণ দিয়াৰ লগে লগে প্ৰিমিয়াম কাটি লোৱা হৈছে । প্ৰাকৃতিক দুৰ্য্যোগ, শিল বৰষুণত খেতি নষ্ট হৈছে, এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হয় । ইনচুৰেন্স কোম্পানীয়ে প্ৰিমিয়াম লোৱাৰ অৰ্থ কি হল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : এই সম্পৰ্কত ৰাজ্যিক পৰ্য্যায়ত এটা নতুন চিন্তা কৰাৰ বিষয়ে উদ্যোগ লৈছো ।

Starred Question No. 574 and 575 were not called for. However written replies deemed to have been laid on the table as follows :

**Re : Mini Stadium at Sonabarighat.**

Shri Abdul Rob Laskar asked :

* 574. Will the Minister of State, Sports and Youth Welfare

be pleased to state :

(a) Whether the Government is aware that 25 Bighas of land has been allotted for Mini Stadium at Sorabarighat under Sonai Development Block of Cachar district ?

(b) If so, steps taken by the Government for construction of the said Mini-Stadium ?

শ্ৰীদুৰ্গা দাস বড়ো (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) সোনাই খণ্ড উন্নয়নৰ অন্তৰ্গত সোনাবৰী ঘাটৰ মিনি ষ্টেডিয়াম নিৰ্ম্মানৰ বাবে কাছাৰ জিলাৰ উপায়ুক্তক এক লাখ টকা দিয়া হৈছে । ষ্টেডিয়ামৰ কাম নিয়াৰিকৈ চলাই নিবৰ বাবে নিৰ্ম্মান কমিটিখন ইংৰাজী ১৬।৩।৮৯ তাৰিখে চৰকাৰে পুনৰ গঠন কৰি দিছে ।

বিষয় : গাওঁ বৈদ্যুতিকৰণ ।

শ্ৰীদেবেশ্বৰ বড়াই সুধিছে :

* ৫৭৫। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯-৯০ চনত বিদ্যুৎ পৰিষদে কিমান পৰিমাণৰ শক্তি উৎপাদন কৰিবলৈ স্থিৰ কৰিছে ?

(খ) ১৯৮৯-৯০ চনত কিমানখন গাওঁলৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা লৈছে ?

(গ) ১৯৮৯-৯০ চনত কিমানটা ঘৰলৈ বা প্ৰতিষ্ঠানলৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা লব ?

(ঘ) ১৯৮৯-৯০ চনত কেইটা বিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিবলৈ স্থিৰ কৰিছে ?

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৯-৯০ চনত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ১৫০১ নিযুত ইউনিট বিদ্যুৎ উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে ।

(খ) ১৯৮৯-৯০ চনত ১৪১৫ খন গাওঁলৈ বিদ্যুৎ যোগানৰ বাবে আঁচনি লোৱা হৈছে ।

(গ) ১৯৮৯-৯০ চনত মুঠ ৩৬০০০ ঘৰলৈ বা প্ৰতিষ্ঠানলৈ বিদ্যুৎ যোগানৰ আঁচনি লোৱা হৈছে ।

(ঘ) ১৯৮৯-৯০ চনত চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰৰ দ্বিতীয় গোট বানিজ্যিক ভাবে চলোৱাৰ আৰু কাৰ্বি লংপি জল বিদ্যুৎ প্ৰকল্পৰ গোট দুটা পৰীক্ষামূলক ভাবে চলোৱাৰ পৰিকল্পনা আছে।

বিষয় : লক্ষীমপুৰ সংমণ্ডলৰ **F. D. R.** আঁচনি।

শ্ৰীউৎপল দত্তই সুধিছে।

* ৫৭৬। মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৮ চনৰ F. D. R. আঁচনিৰ অধীনত লক্ষীমপুৰ সংমণ্ডলৰ বাবে কিমান টকা আৱন্টন দিলে ?

(খ) লক্ষীমপুৰ সংমণ্ডলৰ পৰা উক্ত আঁচনিৰ অধীনত কিমান টকা বিচাৰিছিল ?

(গ) নগাওঁ আৰু কামৰূপ জিলাত ১৯৮৮ চনত এই আঁচনিৰ কিমান ধন আৱণ্টন দিলে ?

(ঘ) উত্তৰ লক্ষীমপুৰ কমলাবাৰী পথৰ ১৪ কিঃ মিঃ ত ১৯৮৭ চনৰ বানত ছিগি থকা অংশ উক্ত আঁচনিৰ দ্বাৰা নিৰ্মান কৰা হ'লনে ?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) বাননিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) মুঠ ১০৪ লাখ টকা।

(খ) মুঠ ১৯২১'৭৪ লাখ টকা।

(গ) নগাওঁ আৰু কামৰূপ জিলাত ক্ৰমে ২৩৯'০০ লাখ আৰু ৪৮১'৫৫ লাখ টকা আৱন্টন দিছিল।

(ঘ) নিৰ্ম্মান কৰা হোৱা নাই যেহেতু উত্তৰ লক্ষীমপুৰ কমলাবাৰী পথৰ ১৪ কিলোমিটাৰত ছিগা অংশৰ নিৰ্ম্মানৰ কাম এই বিভাগৰ অধীনত নপৰে।

**Re : Lift Irrigation Scheme.**

Shri Maziruddin Ahmed asked :

* 577. Will the Minister, Irrigation be pleased to State :

(a) In which year the "Lift Irrigation Schemes" passing through villages Hatigaon, Magurmari, Tipara, Kokira etc. in Goalpara East Constituency was taken ?

(b) In what stage it is at present ?

Shri Deba Kumar Bora (Minister, Irrigation) replied :

(A) (i) Hatigaon village :

No Lift Irrigation Scheme has been takenup so far.

(ii) Magurmari village :

No surface Lift Irrigation Scheme has been taken-up.

(iii) Tiapara village and (4) Kokira village :

Sizukona Lift Irrigation Scheme Passing through these villages was taken-up in March, 1984.

(B) (i) Hatigaon village : Does not arise in view of reply (A) (i) above.

(ii) Magurmari village : Does not arise in view of reply (A) (ii) above.

(iii) Tiapara and (4) Kokira village :

Sizukona Lift irrigation Scheme is about 90% completed and is expected to be completed during 1989-90.

শ্ৰীমাজিৰুদ্দিন আহমেদ : ইয়াৰ দৈৰ্ঘ্য কিমান আৰু ছয় বছৰত হৈ নুঠাৰ কাৰণ কি ?

শ্ৰীদেৱ কুমাৰ বৰা (মন্ত্ৰী) : বিভাগে বিভিন্ন কাৰণ বশত আঁচনিখন ৰূপায়ণ কৰাত সময় লাগিছে। তথাপি এই বছৰ অগ্ৰগতি সন্তোষজনক বুলি কব খোজো। কাৰণ ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে। গতিকে মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা সমস্যাটোৰ সমাধান নিশ্চয় হব।

বিষয় : লেংটিছিঙা মেৰেৰচৰ মথাউৰি ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

* ৫৭৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমাৰ লেংটিছিঙা মেৰেৰচৰ মথাউৰিটো ৰক্ষাৰ বাবে বুৰুজ "বুলহেড" সম্বলিত প্ৰায় ৫৯ লাখ আৰু ৫৮ লাখ টকাৰ দুখন

আঁচনি বান নিয়ন্ত্ৰণ বিভাগৰ উচ্চ পৰ্য্যায়ৰ কাৰিকৰী উপদেষ্টা কমিটিয়ে যোৱা ১২-১৪ ডিচেম্বৰ ১৯৮৮ ইং তাৰিখত অনুমোদন কৰা কথা সচানে ?

(খ) যদি সচা, তেন্তে কামটো এতিয়ালৈকে আৰম্ভ নকৰাৰ কাৰণ কি ?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) য়ে বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ত্ৰয়োদশ কাৰিকৰী উপদেষ্টা কমিটিত "ক" প্ৰশ্নত উল্লেখ কৰা আঁচনি দুখন পুণৰ পৰ্য্যালোচনা কৰা হয় আৰু খহনীয়া প্ৰতিৰোধ আঁচনি দুখন ৰূপায়িত কৰাৰ আগেয়ে সেই অঞ্চলৰ এটা নমুনা অধ্যয়ন (model study) কৰাৰ পৰামৰ্শ দিয়ে। এই কামৰ বাবে প্ৰায় ৩'৩১ লাখ টকাৰ এখন আঁচনি অনুমোদন জনায়। উক্ত নমুনাৰ (Model) ৰ ফলাফল জনাব পিচতহে আৰু বিত্তীয় অনুদান সাপেক্ষে আঁচনি দুখন ৰূপায়ন কৰাৰ কথা বিবেচনা কৰা হ'ব।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ মন্ত্ৰী আজি উপস্থিত নথকাত তেখেতৰ হৈ শিক্ষামন্ত্ৰীয়ে উত্তৰ দিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিখন সভাত ১২-১৪ ডিচেম্বৰ'৮৮ চনত এই আঁচনি দুখন অনুমোদন কৰা হৈছিল সেই সভাত বাননিয়ন্ত্ৰণ বিভাগৰ সচিব উপস্থিত আছিল। কিন্তু তেখেতে সেই সভাত কোনো প্ৰতিবাদ নকৰি পিচত এখন চিঠিৰ দ্বাৰা এই দুখন আঁচনিৰ কাম বন্ধ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। এই চিঠিখনৰ প্ৰতিলিপি মোৰ হাতত আছে। প্ৰয়োজন হলে মই দিব পাৰিম। কিন্তু মই জানিব বিচাৰিছো যে সেইখন সভাতে যদি কিবা আছিল প্ৰতিবাদ নকৰি পিচত চিঠিৰ জৰিয়তে কিয় আঁচনিৰ কাম বন্ধ কৰিলে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চলটো বান-পানী আৰু খহনীয়াত প্ৰপীড়িত অঞ্চল। এই সম্পৰ্কত ১২শতম যিখন উপদেষ্টাৰ সভা হৈছিল সেই সভাত আলোচনা কৰা হৈছিল। সেই সভাতে মাননীয় সদস্যই এই প্ৰশ্নটো উত্থাপন কৰিছিল। এই অঞ্চলটো মানাহ আৰু আই নদীৰ খহনী-য়াৰ কাৰণে যিটো পৰিস্থিতিৰ উদ্ভৱ হৈছে সেই কাৰণে গোটেই কথাটো পুনৰ বিবেচনা কৰিবলগীয়া হৈছে। ১২শতম সভাত যিটো প্ৰস্তাৱ লোৱা হৈছিল সেই মতে কাম কৰিবলগীয়া হলে সেই অঞ্চলটোৰ খহনীয়া ৰোধ নহব। সেই

কাৰণে এই কামটো পুনৰ পৰ্য্যালোচনা কৰিবলগীয়া হৈছে। ১৩শতম সভাত এই প্ৰস্তাৱটো পুনৰ পৰ্য্যালোচনা কৰি এটা নতুন সিদ্ধান্তত উপনিত হব পৰা হৈছে। তাৰ কাৰণে ৩'৩১ লাখ টকা অনুমোদন দিয়া হৈছে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়........

(মাননীয় সদস্যই কবলৈ চেষ্টা কৰিছিল যদিও মাননীয় অধ্যক্ষই অনুমতি নিদিলে)

Starred Question No. 579 and 580 were not called for. However, written replies deemed to have been laid on the table as follows:

**বিষয় : বে-চৰকাৰী বাচৰ পাৰ্মিট।**

শ্ৰীগোপী নাথ দাসে সুধিছে :

* ৫৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটীৰ পৰা গোৱালপাৰা আৰু লক্ষীমপুৰলৈ (নগৰবেৰা হৈ) যাতায়তৰ বাবে চৰকাৰে ৫ খন বে-চৰকাৰী বাচৰ পাৰ্মিট দিয়া কথাটো সঁচানে?

(খ) যদি সচা তেন্তে উল্লেখিত ৰাস্তাৰে গাড়ীবোৰ চলাচল নকৰা কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় সচা।

(খ) জানে।

(গ) উক্ত পথত গাড়ী চলাচল নকৰা কথাটো কামৰূৰ জিলাৰ উপায়ুক্তৰ পৰা ইং ৭/১০/৮৮ তাৰিখে জনাৰ লগে লগে প্ৰতিজন গাড়ীৰ মালিকক ইং ২৪/১০/৮৮ তাৰিখে কামৰূপ জিলাৰ পৰিবহন প্ৰাধিকাৰীৰ কাৰ্য্যালয়ৰ পৰা গাড়ী নচলোৱা অভিযোগৰ কৈফিয়ৎ তলব কৰা হয়। পিচত বিভাগীয় বিষয়াৰ দ্বাৰা অনুসন্ধান কৰি জনা গৈছে যে উক্ত পথৰ নগৰবেৰা আৰু শিমলিটোলাৰ মাজত থকা দলংখন যোৱা বছৰৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা হেতুকে উক্ত ৰাস্তাত বৰ্ত্তমানলৈ গাড়ী চলা নাই। গড়কাপ্তানি (পথ) বিভাগৰ পৰা জাননী পালেই গাড়ীবোৰ চলোৱাৰ ব্যৱস্থা কৰিব পৰা হব।

**Re : Office of the Additional Chief Engineer of ASEB.**

Shri Ramendra Dey asked :

* 580. Will the Minister, power be pleased to state :

(a) Whether Government is aware of the fact that the State Electricity Board's order No. ASEB (MPT) 214/87/1 (A), regarding the creation of the office of Additional Chief Engineer, South Assam Zone, ASEB with the Headquarter at Silchar issued under Memo No. ASEB/MPT/214/87/1 (F), dated 14/7/87 by the D.P.M. (MPT), Guwahati -56 has not been implemented till now ?

(b) If so, what are the reasons ?

শ্ৰীগুনীন হাজৰিকা ( শক্তি, বিদ্যুৎ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সচা ।

(খ) পৰিষদৰ কাম কাজৰ সুবিধাৰ্থে আৰু ৰাজহুৱা স্বাৰ্থৰ খাতিৰত ওপৰোক্ত আদেশ পুনৰ বিবেচনা কৰি কাছাৰ, কৰিমগঞ্জ, উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলা কেইখনৰ মধ্যস্থান হাফলঙত দক্ষিণ অসম মণ্ডলৰ কাৰ্য্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। যোৱা ইং ১।৪।৮৯ তাৰিখৰ পৰা উক্ত কাৰ্য্যালয় হাফলঙত আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

## SHORT NOTICE QUESTIONS AND ANSWERS

বিষয় : উত্তৰ অসম সমবায় চেনীকল ।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

১৩। মাননীয় সমবায় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিশ্বনাথ মহকুমাৰ বিশ্বনাথত উত্তৰ অসম সমবায় চেনীক'ল এটা থকাতো চৰকাৰে জানেনে ? এই চেনীকলটো স্থাপন কৰোতে কিমান টকা খৰচ কৰা হৈছিল আৰু কি শিতানৰ পৰা অনা হৈছিল জনাবনে ?

(খ) বৰ্ত্তমান চেনীকলটোত কি কি আৰু কিমান টকাৰ সামগ্ৰী আছে জনাবনে ? ( মূল্যটো আনুমানিক দিলেও হব )

(গ) ভৱিষ্যতে চেনীকলটো চলাব পৰা ব্যৱস্থা লৈছে নেকি ? যদি লোৱা নাই কিয় ?

(ঘ) এই চেনীকলটো কিয় বন্ধ আৰু ধ্বংস হল জনাবনে ? ইয়াৰ বাবে দায়ী কোন ? আৰু দোষীক উপযুক্ত শাস্তি দিবনে ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্রীয়ে) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে। এই চেনীকলটো স্থাপন কৰোতে ১৯৭২-৭৩ চনত মুঠ ৪,৫৮,০৬০·০৪ টকা খৰচ কৰা হৈছিল। উক্ত ধন অসম চৰকাৰে ৪৪ খন সমবায় সমিতি আৰু ১৪১৩ জন ব্যক্তিগত অংশীদাৰৰ অংশৰ ধনৰ শিতানৰ পৰা পোৱা হৈছিল।

(খ) বৰ্ত্তমান চেনীকলটোত তলত নাম দিয়া সামগ্ৰীসমূহ আছে আৰু তাৰ অনুমানিক মূল্য সামগ্ৰীৰ নামৰ বিপৰীতে দেখুৱা হৈছে।

| | | |
|---|---|---|
| ১। তুখন সৰু কুঁহিয়াৰ শালৰ মূল্য | ৪, ৬৬৫· ৬০ | টকা |
| ২। ফেক্টৰী আৰু অফিচ ঘৰ আদিৰ মূল্য | ১৭, ৭১৪· ৭০ | ,, |
| ৩। কল কব্জা | ৮৫, ৯৪৯· ১০ | ,, |
| ৪। বেৰা | ৬৫৬· ১০ | ,, |
| ৫। লোহাৰ জপনা আৰু বেৰা | ৪, ৯৮৬· ৩৬ | ,, |
| ৬। ট্ৰেক্টৰ ২ খনৰ মূল্য | ১৭, ১৩১· ৫০ | ,, |
| ৭। আচবাব | ১, ১৬৬· ৪০ | ,, |
| ৮। টাইপ মেচিন | ১৮৬· ৮৩ | ,, |
| ৯। বৈদ্যুতিকৰণ | ৬, ৯৯৮· ৪০ | ,, |
| ১০। জোখ মাখৰ দলং | ২, ১৮৭· ০০ | ,, |
| ১১। জোখ মাখৰ সজুলি | ৬৫· ৬১ | ,, |
| ১২। অগ্নিনিৰ্ব্বাপক সজুলি | ১৮১· ৪৪ | ,, |
| ১৩। কুৱাৰ মূল্য | ৬৫৬· ০০ | ,, |
| ১৪। কুঁহিয়াৰ পামৰ সজুলি | ১৪৬· ০০ | ,, |
| মুঠ | ১, ৪২, ৭০১· ০৪ | টকা |

গ) লোৱা নাই। ব্যৱসায়িক দিশৰ পৰা মিলটো চলোৱা সম্ভৱ নহয় বুলি মিলটো পুনৰ চলোৱাৰ ব্যৱস্থা লোৱা হোৱা নাই।

(ঘ) আৰম্ভনিৰে পৰা ক্ৰমবৰ্দ্ধমান ব্যৱসায়িক ক্ষতিৰ পৰিপ্ৰেক্ষিতত যোৱা ১৯৭৮-৭৯ চনৰ পৰা চেনী উৎপাদনৰ কাম কাজ বন্ধ হৈ যায়। ১৯৭৯-৮০ চনৰ পৰা ১৯৮২-৮৩ চনলৈকে সমিতিৰ মাটিত কুহিয়াৰ খেতিৰ পৰা গুৰ উৎপাদন কৰা হয়। ইয়াৰ পিছত কাম কাজ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। এই মিলটো পুনৰ জীৱিত কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা অসম সমবায় চেনিকল, বৰুৱাবামুনগাওঁৰ পৰা বিশেষজ্ঞ অনাই ১৯৮৫ চনত পৰীক্ষা নিৰীক্ষা কৰোৱা হয়। পৰীক্ষা নিৰীক্ষাৰ পিচত উক্ত বিশেষজ্ঞজনে মিলটোৰ দৈনিক কুহিয়াৰ পেৰাৰ ক্ষমতা ৬০ মেট্ৰিক টনৰ পৰা ১২৫০ মেট্ৰিকটনলৈ উন্নতি নকৰিলে এই মিলটো লাভজনকভাৱে লোৱাটো সম্ভৱ হৈ নুঠিব বুলি মত প্ৰকাশ কৰে।

উক্ত পৰ্য্যায়ৰ পূৰ্ণাংগ চেনীকল স্থাপন কৰিবৰ বাবে পৰ্য্যাপ্ত ধন আৰু আৱশ্যকীয় পৰিমানৰ কেচামালৰ (কুহিয়াৰ) অভাৱৰ হেতু অসম চৰকাৰে ১৯৮৮ চনৰ অক্টোবৰ মাহত উক্ত উত্তৰ অসম সমবায় চেনীকল লিঃ অবসায়নত দিয়াৰ সিদ্ধান্ত গ্ৰহন কৰে। উক্ত সিদ্ধান্ত অনুযায়ী চেনীকলটো অৱসায়নত দিয়াৰ কাৰ্য্যব্যৱস্থা হাতত লোৱা হৈছে।

মিলটো বন্ধ হৈ বৰ্ত্তমান অচল অৱস্থাত উপনীত হোৱাৰ বাবে কাকো জগৰীয়া কৰিব পৰা নাযায়। গতিকে শাস্তিৰ প্ৰশ্ন নুঠে।

শ্ৰীপদ্মনাথ কৈবৰ্ত্ত : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে অসম চৰকাৰে এই চেনিকলটোৰ কাৰণে কিবা টকা যোগান দিছিল নেকি? চেনিকলটো ধ্বংশ হৈ গলে এই টকা কৰ পৰা পাব আৰু যিসকল অংশীদাৰ আছিল সেই সকলৰ টকা কোনে ঘুৰাই দিব আৰু কিমান বছৰ এই কলটো বন্ধ হৈ আছে, চলোৱাৰ কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই কলটো চলাবৰ কাৰণে যিটো অৱস্থাৰ প্ৰয়োজন হয় যেনে কেচা মাল আদি, এই পৰয়োজনীয় অৱস্থাৰ ব্যৱস্থা হলেই কলটো চলোৱা হব। এইটোৰ সম্ভৱ নোহোৱাৰ কাৰণেই কলটো চলোৱা সম্ভৱ হোৱা নাই।

শ্ৰীপদ্ম নাথ কৈবৰ্ত্ত : অধ্যক্ষ মহোদয়, বিশ্বনাথ চাৰিআলিত কুহিয়াৰ খেতিৰ বাবে যি ৪৫০ বিঘা মাটি আছে তাত আজি ইন্দ্ৰাষ্টি কৰিবলৈ লোৱা হৈছে।

যদি এই চেনীকলটো চলোৱা নহয় তেতিয়াহলে এই চেনীকলত থকা সামগ্ৰী সমূহ নষ্ট হৈ যাব। গতিকে ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিব জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য-মন্ত্ৰী) অধক্ষ্য মহোদয়, যেতিয়ালৈকে কামত লগাব পৰা নাযায় তেতিয়ালৈকে নষ্ট নোহোৱাকৈ সামগ্ৰী বিলাক ৰখাৰ বাবে ব্যৱস্থা কৰা হব।

Unstarred Questions and Answers

Re : **Inclusion in the scheduled list.**

Shri Mithias Tudu asked :

947. Will the Minister, Welfare of Backward Classes be Pleased to state :

(a) Whether Cabinet Snb-comittee has been formed to consider inclusion of various tribes and castes in the scheduled list of the state ?

(b) If so, how many sittings have been held till this date ?

(c) Whether any decision has been taken on the above matter ?

(d) If so, what are the decisions.

Shri Durga Das Boro (Minister of State, WPT and BC) replied :

(a) Yes, a Cabinet Sub-Committee had been formed to consider the cases of various communites, which have represented for their inclusion as ST and SC of Assam.

(b) Once.

(c) & (d) Yes. The cases of all the communities, which have represented to the Government for their inclusion in the list of the scheduled Tribe and Scheduled caste of Assam are to be examined in detail as per the criteria, laid down by Government of India for the purpose. This examination is going on accordingly.

**Re : Amount of Subsidies to Co-operative Societies.**

Shri A. F. Golam Osmani asked :

948 Will the Minister, Cooperation be pleased to state :

(a) Total amount of subsidy given to all categories of Cooperative societies of Barpeta District in 1986-87, 1987-88 and 1988-89. (please supply information society wise with the amount of subsidy given respectively).

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

উত্তৰ : ১৯৮৬-৮৭ চনৰ পৰা ১৯৮৮-৮৯ চনলৈ বৰপেটা জিলাত থকা সকলো ধৰণৰ সমবায় সমিতিলৈ মঞ্জুৰ কৰা মুঠ সাহায্য (Subsidy) তলত দেখুৱা হল ।

(১) ১৯৮৬-৮৭ = ১৭, ৭২, ৬৪০ টকা

(২) ১৯৮৭-৮৮ = ৮, ১৮, ৭০০ „

(৩) ১৯৮৮-৮৯ = কোনো সাহায্য (Subsidy) মঞ্জুৰ কৰা নাই ।

( সমিতি অনুসৰি এখন তালিকা সংলগ্ন কৰা হল )

( See Annexure— III )

**Re : Pensions to Old Persons**

Shri Sheikh Abdul Hamid asked :

949. Will the Minister of State, Social Welfare be pleased to state :

(a) How many old persons Old Age Pension were given in Barpeta District during 1986-87, 1987-87 and 1988-89 ?

(b) How the beneficiaries are selected and whether advertisement is issued for selection of beneficiaries ?

(c) Is it a fact that no beneficiaries were selected from Mandia Development Block for the period as mentioned in questions (a) above ?

Shrimati Rekha Rani Das Boro (Minister of State, Social Welfare) replied :

(a) Old Age Pension were given to following number of persons in Barpeta District, stated financial year wise :

| | | |
|---|---|---|
| 1986-87 | - | 2059 persons |
| 1987-88 | - | 1969 persons |
| 1988-89 | - | 1929 persons |

(b) No advertisement is issued on the selection of the beneficiaries under the Old Age Pension scheme of the state Government. As per the provision of the Assam Old Age Pension Rules, the applications as per the specified format from the intending eligible applicants fulfilling the eligibility criteria as laid down in the Rules are to be submitted to the District Social Welfare Officer /BDO/SDC, concerned then forwarded by them after scrutiny for consideration by the District Level Committee, headed by the Deputy Commissioner of the District and the cases of the persons recommended by the District Level Committee are sanctioned by the Director of Social Welfare, Assam in referance to available fund in the budget.

(c) Following are the number of Old Age Pensioners shown financial year-wise, belonging to Mandia Development Block :

| | | | |
|---|---|---|---|
| 1986-87 | — | — | 196 persons |
| 1987-88 | — | — | 244 persons |
| 1988-89 | — | — | 231 persons |

Re : **Hapjan and Kakopathar Mini-Stadium .**

Shri Dileswar Tanti asked :

950. Will the Minister, Sports be pleased to state :

(a) Whether sites have already been selected for construction of Mini-Stadium under the Hapjan and Kakopathar Development Block in the Doomdooma Constituency area ?

(b) Whether plan and estimates of these stadiums have been finalisied and If so, what are the amount of estimates ?

শ্ৰীদুৰ্গা দাস বড়ো (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডুমডুমা সমষ্টিৰ অন্তৰ্গত কাকপঠাৰ আৰু হাপজান খণ্ড উন্নয়ন এলেকাত মিনি ষ্টেডিয়াম নিৰ্মানৰ বাবে এতিয়ালৈকে কোনো ঠাই বাচনি কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

Re : **Entertainment of fresh application for Old Age Pension.**

Shri Karnendu Bhattacharjee asked :

951. Will the Minister of Women & Social Welfare be pleased to State :

(a) Whether the Government has decided not to entertain fresh applications for Old Age Pension ?

(b) If so, why ?

(c) Is there any contemplation to extend this pension to cover more people eligible for it in the near future ?

Smti. Rekha Rani Das Boro (Minister of State for women & Social Welfare) replied :

(a), (b) & (c) There is no decision of the State Government not to entertain fresh cases for the sanction of Old Age Pension.

**Re Minor Irrigation Scheme.**

Sri Manilal Gowala asked :

952. Will the Minister, Irrigation be pleased to State :

(a) Whether the Government has accorded A/A to shibergool and Lowairpowa D.T.W. Minor Irrigation Schemes under Karimganj Division ?

(b) It so, whether the T/S has also been accorded to the said schemes ?

(c) If not, why ?

(d) If yes, when will the work start ?

Shri Deba Kumar Bora (Minister, Irrigation) replied :

(a) Yes.

(b) No.

(c) Estimates for the Exploratory part of both the D. T. W. Schemes are under process for T. S.

(d) Works can be taken-up during 1990-91 if the schemes are included by the sub-divisional planning & Development Council for the year 1990-91. Since these were not included in the plan of 89-90.

**ৰিষয় : ধিং সমষ্টিত বিদ্যুৎ যোগান ।**

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

৯৫৩। মাননীয় বিদ্যুৎ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) ধিং সমষ্টিৰ কোন কোন গাওঁত বিদ্যুৎ যোগান ধৰা হৈছে ?

(খ) মৈৰাবাৰীত বিদ্যুৎ বিভাগৰ সুবিধাৰ্থে কিমান শক্তিযুক্ত কেইটা Transformer বহুৱা হৈছে ?

(গ) উক্ত Transformer কেইটাৰে মৈবাবাৰীত বিজুলী অব্যাহত কৰি ৰখাৰ বাবে যথেষ্ট নে ?

শ্ৰীগুণীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

(ক) ধিং সমষ্টিৰ অন্তৰ্গত বৈদ্যুতিকৰণ হোৱা গাওঁ সমূহৰ তালিকা পৰিশিষ্ট ১নংত দেখুৱা হৈছে ।

(See Annesure IV)

(খ) মৈৰাবাৰীত বিদ্যুৎ বিভাগে তলত দেখুৱা ধৰণে ট্ৰেন্সফৰমাৰ বহুৱা হৈছে :

(১) ৩১৬ কে ভি এ শক্তিযুক্ত ১টা ।

(২) ৬৩ কে ভি এ শক্তিযুক্ত ৪টা ।

(৩) ২৫ কে ভি এ শক্তিযুক্ত ১১টা ।

(৪) ১৬ কে ভি এ শক্তিযুক্ত ৮টা ।

(গ) হয় ।

বিষয় : জলসিঞ্চন আঁচনি ।

শ্ৰীৰশিহুল হকে সুধিছে :

৯৫৪। মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যত বৰ্ত্তমান কিমান সংখ্যক জলসিঞ্চনৰ আঁচনি অসম্পূৰ্ণ হৈ আছে ?

(খ) এই আঁচনিবোৰৰ কাম কেতিয়া মানে শেষ হব ?

(গ) অসম্পূৰ্ণ কামৰ কাৰণে সৰ্ব্বমুঠ কিমান টকাৰ প্ৰয়োজন হব ?

(ঘ) এইবোৰ সম্পূৰ্ণ কৰিবৰ কাৰণে চৰকাৰৰ আৱশ্যকীয় পুঁজিৰ যোগান ধৰিছে নে ?

(ঙ) অগপ চৰকাৰৰ শাসন কালত বৰ্ত্তমানলৈকে কিমান সংখ্যক জলসিঞ্চনৰ নতুন আঁচনি গ্ৰহণ কৰিছে ?

(চ) এই নতুন আঁচনিবোৰৰ সৰ্ব্বমুঠ মূল্য কিমান ?

শ্ৰীদেৱকুমাৰ বৰা (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৮ চনৰ পহিলা এপ্ৰিললৈ অসমত সৰ্ব্বমুঠ ১২৭৭ টা চৰকাৰী জলসিঞ্চন আঁচনি অসম্পূৰ্ণ অৱস্থাত আছিল । তাৰ ভিতৰত বৃহৎ আঁচনি দুটা, মজলীয়া আঁচনি ১১ টা আৰু ক্ষুদ্ৰ আঁচনি ১২৫৪ টা । ইয়াৰে কেইটামান ক্ষুদ্ৰ আঁচনি ১৯৮৮-৮৯ চনত সম্পূৰ্ণ হৈছে । অৱশ্যে তাৰ সংখ্যা এতিয়া চূড়ান্তভাৱে জানিব পৰা নাই ।

(খ) চলিত আঁচনিসমূহৰ কামৰ অগ্ৰগতি বিভিন্ন পৰ্য্যায়ত আছে। বিভিন্ন আঁচনিৰ কাম বিভিন্ন বছৰত কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰিত হৈ আছে। বৰ্ত্তমানৰ নিৰ্দ্ধাৰিত লক্ষ্য অনুসৰি বৰ্ত্তমানলৈ চলি থকা সকলো আঁচনিৰ কাম ১৯৯৩ চনৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

(গ) অসম্পূৰ্ণ আঁচনি সমূহৰ বাবে বৰ্ত্তমানে নিৰ্দ্ধাৰিত হৈ থকা আনুমানিক ব্যয় অনুসৰি ১৯৮৭-৮৮ বিত্তীয় বছৰত পিছত সৰ্ব্বমুঠ ২৯,০২৪,৮৯ লাখ টকাৰ প্ৰয়োজন আছিল। তাৰ ভিতৰত বৃহৎ আঁচনিৰ বাবে ৮১৭৯,১৩ লাখ টকা, মজলীয়া আঁচনিৰ বাবে ৬৫২১,৮৪ লাখ টকা আৰু ক্ষুদ্ৰ আঁচনিৰ বাবে ১৪, ৩২৩, ৯২ লাখ টকা। অৱশ্যে ইয়াৰ কিছু টকা যোৱা ১৯৮৮-৮৯ বিত্তীয় বছৰত ব্যয় কৰা হৈছে। কিন্তু তাৰ চুড়ান্ত হিচাব জানিব পৰা নাই।

(ঘ) পৰ্য্যায়ক্ৰমে পুজিৰ যোগান ধৰা হৈছে।

(ঙ) বৰ্ত্তমান অগপ চৰকাৰৰ শাসন কালত ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত ৬৮৩ টা নতুন জলসিঞ্চন আঁচনিৰ কাম আৰম্ভ কৰা হয়। এই সকলো বিলাক ক্ষুদ্ৰ আঁচনি।

(চ) এই আঁচনি বোৰৰ আনুমানিক মূল্য ১১১৬৩,৫৪ লাখ টকা।

**Re : Domestic connection of electrified villages.**

Shri A. F. Golam Osmani asked :

955. Will the Minister, Power be pleased to state :

(a) Number of House/ domestic connections given to the house holders of the electrified villages falling within Jania Mouza of district, Barpeta ?
(Please state number of connections villagewise and revenue collected on monthly average)

(b) How many connections were given to operate motors of irrigation pump-sets and industrial units ?
(Please state villagewise)

শ্ৰীগুনীন হাজৰিকা, (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰপেটা জিলাৰ জনীয়া মৌজাৰ অধীনত গ্ৰাহক সকলক দিয়া ঘৰুৱা বিদ্যুৎ সংযোজনৰ সংখ্যা আৰু ৰাজহ সংগ্ৰহৰ তথ্য প্ৰতি মাহে গড় হিচাবে গাওঁ ভিত্তিত পৰিশিষ্ট ১ নং ত দেখুৱা হৈছে।

(খ) গাওঁ ভিত্তিত জলসিঞ্চন আচনি আৰু উদ্যোগলৈ দিয়া বিদ্যুৎ সংযোগৰ বিৱৰণ পৰিশিষ্ট ১ নংত দেখুৱা হৈছে।

( See Annexure— V )

**Re : Electricity connections under Ruposi and Titapani.**

Shri A. F. Golam Osmani asked :

956. Will the Minister, Power be pleased to state :

(a) Number of House domestic connections given to the house holders of the electrified villages falling within Ruposi and Titapani Mouzas of District, Barpeta ? (Please state number of connections village-wise and revenue collected on monthly average )

(b) How many conections were given to operate motor to run irrigation pumps or industries ?

( Please state village-wise )

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰপেটা জিলাৰ ৰূপচী আৰু তিতাপানী মৌজাৰ অন্তৰ্গত গ্ৰাহক সকলক দিয়া ঘৰুৱা বিদ্যুৎ সংযোজনৰ সংখ্যা আৰু প্ৰতিমাহে গাওঁ ভিত্তিত ৰাজহ সংগ্ৰহৰ তথ্য পৰিশিষ্ট ১ নং ২ নং ত যথাক্ৰমে দেখুৱা হৈছে।

( See Annexure— VI )

(খ) তিতাপানী আৰু ৰূপচী মৌজাৰ অন্তৰ্গত গাওঁ সমূহত কোনো জলসিঞ্চন আচনি আৰু উদ্যোগলৈ বিজুলী সংযোগ দিয়া হোৱা নাই, তেনে বিজুলী যোগানৰ বাবে কোনো আবেদন পত্ৰ পোৱা হোৱা নাই।

Re : **Electricity at Badripar.**

Shri Abdul Rob Laskar asked :

957. Will the Minister, Power be pleased to state :

(a) Whether the Government is aware that there is no electricity at village Badripur Part-v under Silchar Sub-Division ?

(b) Will the Government take immediate steps to electrify this village ?

শ্ৰীগুণীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(১) হয় ।

(২) হয় । বদ্ৰিপাৰ গাওঁখনত বৈদ্যুতিকৰণৰ কাম হাতত লোৱা হৈছে ।

Re : **Supervisors under I.C.D.S.**

Shri Digendra Purkayastha asked :

958. Will the Minister of State (Women and Social Welfare) be pleased to state :

(a) What is the total no. of posts of supervisors under I.C.D.S., Narsingpur in Cachar district ?

(b) Whether the posts have been filled up ?

(c) If not, whether any steps have been taken for filling up those posts ?

Smti. Rekha Rani Das Boro (Minister of State, Social Welfare) replied ;

(a) 9 (nine) numbers.

(b) 3(three) Supervisors have been posted, 6 (six) posts of Supervisors are yet to be filled up.

(c) The matter is under process.

Re : **Representation from Dholaibasti.**

Shri Digendra Purkayastha asked :

959. Will the Minister, Power be pleased to state :

(a) Whether the Government received any representation from the villages of Dholai Basti under Dholai Police Station in Cachar District for extention of power line upto their villages ?

(b) If so, whether their prayer will be considered and Whether extension of power line will be granted ?

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়। বিদ্যুৎ লাইন সম্প্ৰসাৰণৰ কাম হাতত লোৱা হব। বিদ্যুৎ যোগান ধৰিবৰ বাবে চলিত বৰ্দ্ধিতকৰণ আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে।

**Re : Extension work in Silchar R.E.C. Division**

Shri Digendra Purkayastha asked :

960. Will the Minister, Power be pleased to state :

(a) It is a fact that no extension work could be undertaken in Silchar R.E.C. Division for the last few months for want of R.C.C. poles ?

(b) If so, whether Government will take immediate steps for ensuring regular supply of Poles ?

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শিলচৰত গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডলৰ কাৰ্য্যালয় নাই, কিন্তু হাইলাকান্দিত থকা গ্ৰাম্য বৈদ্যুতিকৰণৰ সংমণ্ডলে শিলচৰৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম চোৱা চিতা কৰে।

(খ) বৰাক উপত্যকাৰ গ্ৰাম্য বৈদ্যুতিকবণৰ বাবে পি. এচ. চি. খুটা যোগান ধৰাৰ বাবে দুটা কাৰখানা আছে। এই দুটা বিজুলী খুটা (পি. এচ. চি.)

উৎপাদন কৰা কাৰখানাই নতুন নিবিদা অনুসৰি নতুন নিৰিথ গ্ৰহণ কৰাৰ পিছতো খুটা উৎপাদন কৰাৰ কাম আৰম্ভ কৰা নাই। এটা কাৰখানাই অৱশ্যে তেওঁলোকৰ আভ্যন্তৰীন সমস্যাব বাবে উৎপাদন আৰম্ভ কৰিব পৰা নাই। তেওঁলোকৰ আভ্যন্তৰীন সমস্যাবোৰৰ সমাধান হলেই প্ৰায় ১৮০০ খুটা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক যোগান ধৰিব বুলি আশা কৰা হৈছে।

আনটো কাৰখানাই পৰিষদৰ লগত লেন-দেনৰ হিচাবখিনি সম্পূৰ্ণ হোৱাৰ পিছত উৎপাদনৰ কাম আৰম্ভ কৰিব পাৰিব।

বিষয়: **ব্ৰহ্মপুত্ৰ নদীক ৰাষ্ট্ৰীয় জলপথকৰণ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে:

৯৬১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ব্ৰহ্মপুত্ৰ নদীক ৰাষ্ট্ৰীয় জলপথ হিচাবে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা কথাটো সচানে?

(খ) যদি সচা, ব্ৰহ্মপুত্ৰক ৰাষ্ট্ৰীয় জলপথ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থা সমুহৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে?

(গ) যদি অবগত, ব্যৱস্থা সমূহ কি কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সচা।

(খ) সবিশেষ অবগত নহয়।

(গ) প্ৰশ্ন নুঠে।

বিষয়: **গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল আৰু উপ-সংমণ্ডল।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে:

৯৬২। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) লক্ষীমপুৰ জিলাত গ্ৰাম্য বৈদ্যুতিকৰণৰ সংমণ্ডল আৰু উপ-সংমণ্ডলৰ কাৰ্য্যালয় কিমান আছে?

(খ) উক্ত সংমণ্ডলৰ আৰু উপ-সংমণ্ডলৰ কাৰ্য্যালয় সমূহৰ নামবোৰ কি কি?

(গ) উক্ত সংমণ্ডল আৰু উপ-সংমণ্ডলৰ কাৰ্য্যালয়বোৰত মুঠ কিমান বিষয়া আৰু কৰ্ম্মচাৰীৰ পদ অনুমোদিত ?

(ঘ) অনুমোদিত পদবোৰৰ বিপৰীতে এতিয়া কিমান বিষয়া আৰু কৰ্ম্মচাৰীক নিয়োগ কৰা হৈছে ?

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সংমণ্ডল ১টা আৰু উপ-সংমণ্ডল ৪টা।

(খ) সংমণ্ডল — (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল, চিলাপথাৰ।

উপ-সংমণ্ডল — (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল, চিলাপথাৰ।

(২) বিহপুৰীয়া গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল।

(৩) উত্তৰ লক্ষীমপুৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল, উত্তৰ লক্ষীমপুৰ।

(৪) ঢকুৱাখানা গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল।

(গ)

| কাৰ্য্যালয় | অনুমোদিত পদ | |
|---|---|---|
| | বিষয়া | কৰ্ম্মচাৰী |
| সংমণ্ডল– (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল | ২ | ১৪ |
| উপ-সংমণ্ডল– (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ৪৬ |
| (২) বিহপুৰীয়া গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ৩৩ |
| (৩) উত্তৰ লক্ষীমপুৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ৪৩ |
| (৪) ঢকুৱাখানা গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ১৬ |

(ঘ) কাৰ্য্যালয় সমূহত অনুমোদিত পদৰ বিপৰীতে থকা বিষয়া আৰু কৰ্ম্মচাৰীৰ সংখ্যা তলত দিয়া হ'ল :

| কাৰ্য্যালয় | নিয়োগৰ সংখ্যা | |
|---|---|---|
| | বিষয়া | কৰ্ম্মচাৰী |
| সংমণ্ডল— (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল | ২ | ৩ |
| উপ-সংমণ্ডল (১) চিলাপথাৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ১ |
| (২) বিহুপুৰীয়া গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ১১ |
| (৩) উত্তৰ লক্ষীমপুৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ২৬ |
| (৪) ঢকুৱাখানা গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল | ১ | ১০ |

বিষয়: পৰিবহণ নিগম বাছৰ অনুমতি।

শ্ৰীভৰৎ চন্দ্ৰ নৰহে সুধিছে:

৯৬৩। মাননীয় মুখ্য-মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৱা তিনিবছৰে ৰাজ্যখনৰ কিমান নতুন পথত পৰিবহন নিগমৰ বাছ চলিবলৈ চৰকাৰে অনুমতি দিছে?

(খ) উক্ত পথবোৰৰ নামবোৰ কি?

(গ) আৰু অধিক নতুন পথত পৰিবহন নিগমৰ বাছ চলিবলৈ অনুমতি দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি থকা কথাটো সচানে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৬-৮৭ চনত ৪২টা, ১৯৮৭-৮৮ চনত ৪৮টা আৰু ১৯৮৮-৮৯ চনত ৪৬টা।

(খ) ইয়াৰ বিতং তালিকা সদনৰ মজিয়াত দাখিল কৰা হল (তালিকা ক)।

( See Annexure— VII )

(গ) হয়, তালিকা খ'ত দিয়া আছে।

( See Annexure— VIII )

**Re: Protection for the Beel.**

Shri Ramendra Dey asked:

964. Will the minister, Flood Control be pleased to state:

(a) Whether Government is taking any measure to protect the Boro Cultivation of the Beel and Howar lands of the state by constructing dykes and drainage?

(b) Whether Government has taken any step to control the flood of Rat Beel, Son Beel and Anar Howar of Karimganj district?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে:

(ক) চৰকাৰৰ হাতত তেনে কোনো বিশেষ আঁচনি নাই।

(খ) চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাই।

**বিষয়: কলিয়াবৰ কলং বৈদ্যুতিকৰণত হোৱা খৰচ।**

শ্ৰীআব্দুল জলিলে সুধিছে:

৯৬৫। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৱা চাৰিটা বিত্তীয় বছৰত কলিয়াবৰ কলং বৈদ্যুতিক সংমণ্ডলত প্ৰতি বছৰে কিমান টকা খৰচ হৈছে?

(তালিকা বছৰি আঁচনি অনুযায়ী প্ৰতি শিতানত যেনে দৰ্মহা, মাষ্টাৰ-ৰোল, বিভিন্ন সামগ্ৰী ক্ৰয়, ৰজাৰ বাবদ ইত্যাদিৰ হিচাৰ সদনৰ মেজত দাখিল কৰিব)

(খ) প্ৰতি বছৰে কিমান নিবিদা আৰু কিমান কোটেচন আহ্বান কৰা হৈছে? (নিবিদা আৰু কোটেচনৰ তালিকা এখন সদনৰ মেজত দাঙি ধৰিব)

(গ) প্ৰতিখন নিবিদা আৰু কোটেচনৰ বিপৰীতে কিমান টকাৰ সামগ্ৰী ক্ৰয় আৰু খৰচ কৰা হৈছে?

(ঘ) ক্ৰয় কৰা সামগ্ৰীবোৰৰ হাৰ বজাৰৰ চলিত দামৰ লগত সামঞ্জস্য আছেনে?

(ঙ) ক্ৰয় কৰা সামগ্ৰীৰ ভিতৰত কিমান টকাৰ সামগ্ৰী ব্যৱহাৰ নোহোৱাকৈ বৰ্ত্তমানে আছে তাৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিবনে?

শ্ৰীগুনীন হাজৰিকা (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কলং বৈদ্যুতিক নামৰ কোনো সংমণ্ডল কলিয়াবৰত নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

**Re : Shortage of A.S.T.C. Buses.**

Shri Abdul Rob Laskar asked :

966. Will the Minister, Transport be pleased to state :

(a) Is it a fact that there is shortage of A.S.T.C. buses in Cachar district ?

(b) If so, what is the total number of A.S.T.C. buses in running condition roadwise ?

(c) Is it a fact that there is demand for more buses in every road ?

(d) If so, the total number of buses will be required to place adequate number of buses in these roads roadwise ?

(e) Is it a fact that most of the buses of Cachar are old and gets out of order and break down take place very often ?

(f) Will the Government consider the plying of short distance city buses from Silchar to Sonari in view of very large numbers of passengers to Silchar and back to Sonari ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) দৈনিক গড়ে ৩৫ (পয়ত্রিশ) খন বাছ চলি আছে। পথ অনুযায়ী চলি থকা বাছবোৰৰ ৰিতং হিচাপ দিয়া হল।

| | | |
|---|---|---|
| (১) | শিলচৰ - শ্বিলং - গুৱাহাটী - পথত - | ৩ খন। |
| (২) | কৰিমগঞ্জ - শ্বিলং - গুৱাহাটী - পথত - | ৪ খন। |
| (৩) | হাইলাকান্দি - শ্বিলং - গুৱাহাটী পথত - | ১ খন। |
| (৪) | শিলচৰ - কৰিমগঞ্জ - বাজাৰিচেৰা - ধৰ্ম্মনগৰ - আগৰতলা - পথত— | ৯ খন। |
| (৫) | শিলচৰ - হাফলং পথত— | ১ খন। |
| (৬) | শিলচৰ - লক্ষীপুৰ - পথত— | ২খন। |
| (৭) | শিলচৰ - হাইলাকান্দি - লালাপথ— কাতলিচেৰা - গৰমুৰা ইত্যাদি পথত— | ১১ খন |
| (৮) | কাতলিচেৰা-হাইলাকান্দি-কৰিমগঞ্জ-পথত- | ২ খন। |
| (৯) | শিলচৰ - ৰামকৃষ্ণ নগৰ দুল্লৰ্ভচেৰা পথত— | ২ খন। |
| | মুঠ— | ৩৫ খন। |

(গ) হয়।

(ঘ) পথ অনুযায়ী অতিৰিক্ত ৮ খন বাছ দৰ্কাৰ হয়, তলত বিতংভাৱে দেখুৱা হ'ল।

| | | |
|---|---|---|
| (১) | শিলচৰ হাফলং পথত— | ১খন |
| (২) | শিলচৰ গুৱাহাটী পথত— (নৈশ সেৱা) | ১ খন |
| (৩) | লালা কৰিমগঞ্জ পথত— | ১ খন |
| (৪) | হাইলাকান্দি কৰিমগঞ্জ পথত— | ১ খন |
| (৫) | শালা শিলচৰ পথত— | ১ খন |
| (৬) | চৰাইবাৰী শিলচৰ পথত— | ১ খন |
| (৭) | বদৰপুৰ কৰিমগঞ্জ শিলচৰ পথত— | ২ খন |
| | মুঠ— | ৮ খন |

(চ) নহয়।

(ছ) বৰ্ত্তমান কোনো প্ৰস্তাৱ নাই।

Re : **Number of Sub-Engineer Grade-I.**

Shri Abdul Rob Laskar asked :

967. Will the Minister of Irrigation be pleased to state :

(a) Total number of Sub-Engineer Grade-I working in the various offices of the Irrigation in the State ?

(b) Whether all these Sub-Engineer Grade-I obtained training for field work and if so how many of them have been posted for field works ?

(c) Will the Government consider posting these Sub-Engineers Grade-I who have been working in the office since longtime for working in the field ?

Shri Deba Kumar Bora (Minister, Irrigation) replied :

(a) Draftsman redesignated as Sub-Engineer Grade-I is 146 Nos. & Overseer Grade-II now redesignated Sub-Engineer Grade-I is 19 nos. and the total is 165 nos.

(b) No.

(c) Posting in field work of a Draftsman redesignated as Sub-Engineer Grade-I is not under consideration of Government.

Re : **Schemes for flood control.**

Shri Maziruddin Ahmed asked :

968. Will the Minister, Flood Control be pleased to state :

(a) What are the various preventive schemes taken up by the Government against the recurring floods in the State ?

(b) What special measures have been undertaken to save the people of the riverine area of the Brahmaputra river ?

শ্ৰীবৃন্দাবন গোস্বামী (ভাৰপ্ৰাপ্ত মন্ত্ৰী) বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :

(ক) অসমত সঘনে হৈ থকা বানপানী নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে তলত উল্লেখ কৰা হ্ৰস্ব ম্যাদী ব্যৱস্থাবোৰ হাতত লৈছে।

(১) ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ বিলাকত মঠাউৰী নিৰ্ম্মাণ,

(২) খহনীয়া প্ৰবিৰোধ আৰু নগৰ প্ৰতিৰক্ষাৰ আঁচনি আৰু

(৩) পানী নিস্কাষণ কৰা নলাৰ উন্নতি সাধন আঁচনি।

(খ) মাজুলীৰ বাহিৰে অন্য নদী কাষৰীয়া ঠাইত বান প্ৰতিৰোধৰ বাবে বিশেষ ব্যৱস্থা লোৱা হোৱা নাই।

বিষয় : **R. T. A. Board** গঠন।

শ্ৰীগোপীনাথ দাসে সুধিছে :

৯৬৯। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ R. T. A. Board খন গঠন কৰা হৈছেনে ?

(খ) যদি হৈছে, ইয়াৰ সদস্য সকলৰ নামবোৰ কি কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, গঠন কৰা হৈছে।

(খ) সদস্য সকলৰ নাম :

| | | | |
|---|---|---|---|
| (১) | কামৰূপ জিলাৰ উপায়ুক্ত .... .... | সভাপতি | OFFICIAL চৰকাৰী |
| (২) | জিলা পৰিবহন বিষয়া .... .... | সদস্য-সচিব | |
| (৩) | আৰক্ষী অধীক্ষক .... .... | সদস্য | |
| (৪) | অধীক্ষক অভিযন্তা অথবা কাৰ্য্যবাহী অভিযন্তা গড়-কাপ্তানী বিভাগ (পথ) .... .... | সদস্য | |
| (৫) | শ্ৰীৰানা বৰুৱা .... .... | সদস্য | NON-OFFICIAL বে-চৰকাৰী |
| (৬) | শ্ৰীনগেন শইকীয়া .... .... | " | |
| (৭) | শ্ৰীদিলীপ দাস .... .... | " | |

| | | |
|---|---|---|
| (৮) শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী | .... .... | সদস্য |
| (৯) শ্ৰীযগেন কলিতা | .... .... | ” |
| (১০) শ্ৰীধনঞ্জয় দাস | .... .... | ” |
| (১১) শ্ৰীমোহন শইকীয়া | .... .... | ” |
| (১২) শ্ৰীঘণশ্যাম কলিতা | .... .... | ” |

বিষয় ঃ **সৰুডোৰা গাওঁত বৈদ্যুতিকৰণ।**

শ্ৰীগোপীনাথ দাসে সুধিছে।

৯৭০। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত সৰুডোৰা (পিজুপাৰা) গাওঁ খনৰ কিছু অংশ বৈদ্যুতিকৰণ কৰি গোটেই গাওঁখন বৈদ্যুতিকৰণ কৰা হোৱা বুলি চৰকাৰক জনোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা তেন্তে চৰকাৰে উল্লিখিত সৰুডোৰা গাওঁখন সম্পূৰ্ণ বৈদ্যুতিকৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) যদি কৰে তেন্তে চৰকাৰে বৈদ্যুতিকৰণ সম্পূৰ্ণ হোৱাৰ পিছতেই বিদ্যুৎ প্ৰবাহৰ যোগান দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগুনীন হাজৰিকা (শক্তি বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) সম্পূৰ্ণ বৈদ্যুতিকৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) ইতিমধ্যে বৈদ্যুতিকৰণ কৰা গাওঁখনৰ অংশটোলৈ বিদ্যুৎ যোগান ধৰা হৈছে। সেই গাওঁখনৰ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ হোৱাৰ পিচতেই বাকী অংশটোলৈকো বিদ্যুৎ যোগান ধৰা হ'ব।

Re : **Selection of Blocks for ICDS Programme.**

Shri Sheikh Abdul Hamid asked :

971. Will the Minister of State, Social Welfare be pleased to State :

(a) The Development Blocks covered under ICDS Pro-

gramme during 1985-86, 1986-87, 1987-88 and 1988-89 ? ( Please mention the names of Blocks districtwise )

(b) What are the basis of selection of Development Blocks for ICDS Progarmme ?

Smti. Rekha Rani Das Boro (Minister of State, Social Welfare) replied :

(a) During 1985-86 ICDS was sanctioned by the Government of Assam in five Development Blocks as stated befow. This sanction by the State Government followed the Government of India's approval to the same.

| Name of the Development Blocks | Name of the Districts. |
|---|---|
| 1. Chayduar-- | Sonitpur |
| 2. Rupahi— | Nagaon. |
| 3. Baitamari— | Goalpara |
| 4. Dimow— | Sibsagar |
| 5. South Karimganj— | Karimganj. |

During 1987-88, ICDS was sanctioned by the Government of Assam in 10 (ten) Development Blocks, stated below. This followed Government of India's approval to the same.

| Name of the Development Blocks | Name of the Districts. |
|---|---|
| 1. Cinthong— | Karbi Anglong |
| 2. Socheng— | Karbi Anglong |
| 3. Tamulpur— | Nalbari |
| 4. Tihu-Barama— | Nalbari |
| 5. Katlichara— | Cachar |
| 6. Narsingpur— | Cachar |

| | |
|---|---|
| 7. Barabazar— | Kokrajhar |
| 8. Dimoria— | Kamrup |
| 9. Bhurbandha— | Nagaon |
| 10. Gauripur— | Dhubri |

During 1986-87 and 1988-89, No ICDS has been sanctioned by the State Government in any Development Block in the State.

(b) ICDS is a 100% Centrally assisted Centrally Sponsored Scheme. Among various factors, SC & ST populations in a Developmental Block are important criteria in its selection for ICDS.

Re : **Bus between Barpeta and Satrakanara.**

Shri Shikh Abdul Hamid asked.

972. Will the Minister, Transport be pleased to state :

(a) The number of private buses running between Barpeta and Satrakanara ?

(b) Whether it is a fact that the Government received a large number of public petitions for increasing the number of buses for Barpeta Satrakanara route ?

(c) If so, the action taken by the Government on this public demands ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰপেটা হৈ সত্ৰকনৰাৰ পৰা গুৱাহাটীলৈ চলা ৫ খন বাছৰ উপৰি সত্ৰকনৰা বৰপেটাৰ মাজত বৰপেটা বাছ সন্থা সমূহৰ সদ্যহতে ৪ খনকৈ গাড়ী প্ৰতি দিনে চলাচল কৰি আছে।

(খ) সত্ৰকনৰা বৰপেটাৰ মাজত অধিক গাড়ীৰ বাবে ৰাজহুৱা আবেদন পোৱা নাই ।

(গ) তেনে আবেদন পালে প্ৰয়োজন অনুসৰি বিহিত ব্যৱস্থা লোৱা হব ।

## MATTER RAISED DURING ZERO HOUR.

Mr. Speaker : Now, zero hour matter. I have received several zero hour notices on the news item published in "Natun Dainik" dated 9th May, 1989 regarding "চৰকাৰৰ ভ্ৰান্ত সিদ্ধান্তৰ বাবেই বগাইখাচ বনাঞ্চল ধ্বংসপ্ৰাপ্ত" from the Hounurable Members, Sarbashri Nagen Sarma, Digen Bora, Moti Das, Atul Koch, Utpal Dutta, Chandra Mohan Patowari, Bharat Narah, Kamala Kalita, Ramendra Narayan Kalita, Pradip Hazarika, Hemen Das, Sahidul Islam Bora and Hiranya Bora. Now I call upon Hounurable members to speak. First Shri Nagen Sarma.

* শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত আমাৰ চৰকাৰৰ কাৰণে এটা দুৰ্ভাগ্যজনক বিষয় উত্থাপন কৰিবলৈ ওলাইছো। অসম গণপৰিষদ চৰকাৰে অসমৰ বনাঞ্চল ধ্বংসৰ প্ৰতি লক্ষ্য ৰাখি বনাঞ্চল সংৰক্ষণৰ বাবে নীতি প্ৰয়োগ কৰিছে। কিন্তু যোৱা ৯ মে তাৰিখৰ 'নতুন দৈনিক' বাতৰি কাকতত প্ৰকাশিত বাতৰি যদি সত্য হয়, তেতিয়াহলে আমাৰ কাৰণে অতি দুৰ্ভাগ্যজনক কথা হব। বাতৰিটোত বগাইখাচ বনাঞ্চলৰ উদ্বেগ হোৱা এটা সাংঘাটিক ধৰণৰ কেলেংকাৰীৰ কথা প্ৰকাশ পাইছে। য'ত ২১ কোটি টকাত কৈও অধিক টকা খৰচ কৰা হৈছে আৰু ২১ হাজাৰ জোপা শাল গছ কাটিবলৈ দিয়া হৈছে। ১৯৮৩ চনতে যেতিয়া শ্ৰীহিতেশ্বৰ শইকীয়া অসমৰ মুখ্যমন্ত্ৰী আছিল সেই সময়তে অসম কেন দিলা চৰ সেন নামৰ ঠিকাদাৰ এজনক লিজত ২১ হাজাৰ জোপা গছ কাটিবলৈ দিয়া হৈছিল। কিন্তু সেই সময়ত কি কাৰণত বন্ধ হল নাজানো। তাৰ পিচত ১৯৮৩ চনৰ পৰা ১৯৮৬ চনলৈকে উল্লেখ যোগ্য কথা যে এই ঠিকাদাৰ জন বহি থাকিল। তেওঁ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। কিন্তু ১৯৮৬ চনত হঠাতে ৰীট পিটিচনৰ জৰিয়তে তেওঁক অন্যায় কৰা হৈছে বুলি উচ্চ ন্যায়ালয়ত গোচৰ তৰিলে আৰু গুৱাহাটী হাইকৰ্টে সেই ৰীট পিটিচন মৰ্মে গছ কাটিবলৈ নিৰ্দ্দেশ দিলে। কিন্তু অসম চৰকাৰে

---

* Speech not corrected.

বন সংৰক্ষন নীতি অনুসৰি গছ কটাতো বন্ধ কৰিব লাগিছিল। যি সময়ত গোচৰ তৰা হৈছিল তেতিয়া অসম চৰকাৰৰ তৰফৰ পৰা কনটেষ্ট কৰা হৈছিলনে ? মই জনাত হোৱা নাই। উচ্চ ন্যায়ালয়ে ১৫ দিনৰ সময় দিছিল। কিন্তু সেই নির্দ্দিষ্ট সময়ৰ ভিতৰতো চৰকাৰৰ ফালৰ পৰা কোনো কণ্টেচ কৰা নহল। ইয়াৰ বাবে দেশৰ বনাঞ্চল যে ধংস হব এনে নহয়, অসমৰ ৰাজহৰ ৫ কোটি টকা নষ্ট হৈছে। যত মাত্ৰ ২১ কোটি টকা জৰিত হৈ আছে। এই মাৰাত্মক কেলেংকাৰী বিষয়টোত আমাৰ প্ৰশ্ন হৈছে যে, আমাৰ চৰকাৰৰ বনাঞ্চল সংৰক্ষনৰ যি নীতি, সেই নীতিৰ বিৰোধিতা কৰা হৈছেনে নাই ? এনেধৰণৰ এজন ব্যৱসায়ীক কিয় লিজত দিয়া হল ? ইয়াৰ এটা স্পষ্ট উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ দিব লাগে।

*শ্ৰীময়িদুল ইছলাম বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নগেন শৰ্ম্মা ডাঙৰীয়াই বাতৰি কাকতত প্ৰকাশিত হোৱা বাতৰিৰ ওপৰত তদন্তৰ দাবী কৰিছে। 'সাদিন' নামৰ বাতৰি কাকততো এই সম্পৰ্কত শ্ৰীহোমেন বৰগোহাঁইয়ে লিখিছে। তেখেতে কেইটামান প্ৰশ্ন চৰকাৰক কৰিছে। ইয়াৰ আগতেও সাদিনীয়া বাতৰি কাকতত বন বিভাগৰ কেলেংকাৰী লৈ মন্ত্ৰী মহোদয়ক প্ৰত্যাহ্বান জনোৱাৰ এটা বাতৰি ওলাইছিল। সেই বাতৰিটোৰ স্পষ্টীকৰণ দিয়া হোৱা নাই। আৰু আজিও মাননীয় সদস্য নগেন শৰ্ম্মা দেৱে বগাইখাচ বনাঞ্চলৰ সম্পৰ্কত মুভ কৰিছে। এই বিষয়টো লৈ আজি কিছু দিনৰ পৰা বাক বিতন্দা হৈ আছে। আজি এই সম্পৰ্কত আসাম ট্ৰিবুউন কাকতত ওলাইছে "Another scandal likely in the Forest Department." ইয়াৰ পিচতো আমাৰ চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ স্পষ্টীকৰণ দিয়া হোৱা নাই। তাৰ বাবে ৰাইজ আৰু গণপৰিষদ চৰকাৰৰ মাজত ভুল বুজাবুজিৰ সম্ভৱনা আছে। সেই কাৰণেই এই বিষয়টো আজি বিধান সভাত উত্থাপন কৰা হৈছে। আজি বনবিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত নাই যদিও যিগৰাকী মন্ত্ৰীয়ে উত্তৰ দিব তেখেতে আমাক কেইটামান প্ৰশ্নৰ উত্তৰ দিব লাগে। সেই কেইটা হৈছে কাকতত প্ৰকাশ পোৱাৰ দৰে পি, পি, বাৰ্মা, Secretary Forest, Chief Conservator of Forests তেওঁলোকে লিখা চিঠি এইখন।

* Speech not corrected.

কাকতত প্ৰকাশ পাইছে যে, হাইকোৰ্টৰ নিৰ্দ্দেশ মনাবৰ বাবে চৰকাৰক ১৫ দিন সময় দিয়া হৈছে। হাইকৰ্টৰ অডাৰটো আমাৰ হাতত আছে প্ৰয়োজন সাপেক্ষে দিব পাৰিম। আমাৰ প্ৰশ্ন হৈছে যে, প্ৰথম কথা চৰকাৰে চুপ্ৰিম কৰ্টত কিয় কনটেষ্ট নকৰিলে। যিহেতুকে প্ৰায় ২২ কোটি টকাত ২১ হাজাৰ জোপা গছ কটাৰ বাবে ৫ কোটি টকাৰ ৰাজহ লোকচান হৈছে। তেনে স্থলত ১ কোটি টকা খৰচ কৰি যদি চুপ্ৰিম কৰ্টত কণ্টেষ্ট কৰিলেহেতেন, নিশ্চয় এইটো বন্ধ কৰিব পৰা গলহেতেন। আমাৰ চৰকাৰে বিধান সভাৰ মাজ-মজিয়াত বনবিভাগৰ পলিচি সম্পৰ্কত ঘোষণা কৰিছে। গতিকে এক কোটি টকা খৰচ কৰি চুপ্ৰিম কৰ্টত কনটেষ্ট কৰা হলে এইটো নহলহেতেন।

দ্বিতীয় কথা হৈছে একচন। Why the Government did not take action of cancalling the agreement of the leasee when there were sufficent ground for doing the same. পাৰ কিউ-বিক মিটাৰ ৭০০ টকা কৰিলে। এইটো ৮৫০ টকা হব লাগে। এইটো কোনে কৰিলে ? How the rate of Rs. 700,00 per C. M. was fixed ?

এই চুক্তিখন বাতিল কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো প্ৰচেষ্টা হাতত লোৱা নহল। তাৰোপৰি আগৰ চৰকাৰৰ সময়ত এইটো বগাইখাচ ৰিজাৰ্ভত ....Previous Government granted this favour when Bogaikhas was an un-classified forest. Now the same is reserve forest........ whether the Government took permission from the Government of India under the provision of Forest Conservancy Act, 1980 before allowing those huge number of trees 21, 000 ? Whether the Government is aware that the party has its head office in Calcutta ? আমাৰ এই পাৰ্টিটো আসাম কেনাডিলাৰ্চৰ হেড অফিচটো কলিকতাত আছে বুলি জানিব পৰা গৈছে। তাৰোপৰি কিছুমান কেচ আমাৰ চৰকাৰে চুপ্ৰিম কেচ কনটেষ্ট কৰা উদাহৰণ আছে। গতিকে মই ভাবো যে এই কেচটো চুপ্ৰিম কোৰ্টত কনটেষ্ট কৰা উচিত আছিল, কিয় কৰা নহল ? আশাকৰো

এই সম্পৰ্কে বন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ে উত্তৰ দিব। তাৰোপৰি আৰু এটা কথা আছে সেইটো হৈছে হাইকোৰ্টে ১৫ দিন সময় দিছিল সেই ১৫ দিনৰ ভিতৰত চৰকাৰৰ কি অসুবিধা হল সেইটো ৰাইজক জনোৱা উচিত হব। সেই সম্পৰ্কে অবৈধ চৰকাৰৰ দিনত হিতেশ্বৰ শইকীয়াৰ সময়তেই এই কাম কৰিবলৈ দিয়া হোৱা নাছিল। জানিব পৰা কাগজে-পত্ৰে প্ৰকাশ পাইছে অবৈধ চৰকাৰৰ দিনতেই কাঠ কাটিবলৈ নিদিলে। এইটো এটা অতি গুৰুত্বপূৰ্ণ কথা। এই বিষয়ে আমাৰ বন বিভাগৰ মন্ত্ৰীয়ে বিচাৰ কৰি তদন্ত কৰি এটা ব্যৱস্থা নিশ্চয় হাতত লব। এইখিনিয়েই মোৰ কব লগীয়া কথা।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই চৰকাৰে গছ কাটিবলৈ দিছে। সেই সম্পৰ্কে চৰকাৰৰ আদেশ কি আছিল। চৰকাৰৰ হুকুম আছিল এনেধৰণৰ ...."In pursuance with the Honourable Guwahati High Court's order dated 3rd May, 1988 in Misc. Case No. 496/88 and orders dated 4th October, 1988 in Misc. Case No. 879/88 and orders dated 24th January, 1989 in Misc. Case No. 1090/88 in the Civil Rule No. 374 of 1987, the Government has considered the question of continuation of lease of Bogaikhas Reserve Forest which was executed on 26.12.83 and after careful consideration of all aspects of the matter have decided that the lease should be allowed to operate in the lease area for the remaining period as agreed by the leasee earlier...." মোৰ হাইকোৰ্টৰ অৰ্ডাৰটো চাবৰ মন গৈছে। কিয়নো চৰকাৰেই যেতিয়া হাইকোৰ্ট ভক্ত। গতিকে হাইকোৰ্টৰ মতে চৰকাৰে কাম কৰিব লাগিছিল। মোৰ হাইকোৰ্টৰ অৰ্ডাৰটো চাবলৈ মন গৈছে। হাইকোৰ্টৰ অৰ্ডাৰটো ইচু হৈছে, লেটেষ্ট অৰ্ডাৰটো হৈছে ১।২।৮৯ তাৰিখে। তাত লিখা আছে "On May 3, 1988 this Court in an interlocutory order in Misc. Case No. 490/88 referred to a forest lease executed by the

State in favour of the writ peritioner covering 21,000 (both Sal and non-sal). The lease commenced from January 1, 1984 for six years. This Court observed till the lease is cancelled in accordance with law the leases is entitled to operate the Mahal". ফলত ৩ মে' ৮৮ৰ অৰ্ডাৰটো হৈছে এনেধৰণৰ Till the lease is cancelled in accordance with law the leasee is entitled to operate the Mahal. যদি আইনমতে কেনচেল নকৰে তেনেহলে গছ কাটিবলৈ দিব লাগিব। চৰকাৰে লিজটো কেনচেল কৰিব লাগে। কেনচেল কৰিব পৰা নহল। লিজ কেতিয়া হৈছিল? লিজ হৈছিল ....Letter No. For 207/66/282 dt. 20.12.83. এই তাৰিখত লিজ হৈছিল, এগ্ৰিমেণ্টত কি আছিল (a) The party shall have to construct road and culvert in operation area at their own cost. এইটো ১ নং চৰ্ত্ত। পাৰ্টিয়ে ৰাস্তা তৈয়াৰ নকৰিলে, সেইখিনি চৰকাৰে নিজেই কৰিছে। এই টকা যি ৰাস্তাত খৰচ কৰিব লাগিছিল সেই ৰাস্তাত খৰচ কৰা হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰৰ বিষয়া এজনক চাচপেনচন কৰা হৈছিল। কাৰ্জি নামৰ এজন বিষয়াক চাচপেনচন কৰা হৈছিল। চৰকাৰে চুক্তি বাতিল কৰিব পাৰে। এইটো আছিল চৰকাৰৰ চুক্তি বাতিল কৰা সুবিধা। চৰকাৰে নকৰিলে। কিয় নকৰিলে? চৰকাৰে চুক্তি বাতিল নকৰি হাইকোৰ্টত আনুগত্য দেখুৱালে। তেওঁলোকৰ চুক্তি নবিকৰণ কৰিলে। তাৰ পিচত আৰু কিছুমান প্ৰশ্ন আছে। ইয়াত গছ কটা অৰ্থনৈতিকভাৱে ক্ষতি হোৱাটো। বগাইখাচ ৰিজাৰ্ভৰ ২৪ হেজাৰ হেক্টৰ মাটিৰ পৰা ২১ হেজাৰ গছ কাটিবলৈ লৈছে। This is a crime against humanity. এইটো মানৱ জাতিৰ বিৰোধীতা কৰা হৈছে। সেইটো আগৰ চৰকাৰেই হওঁক বা এতিয়াৰ চৰকাৰেই হওঁক কোনো চৰকাৰকেই ক্ষমা কৰা নহব। ২৪ হেজাৰ হেক্টৰৰ পৰা ২১ হেজাৰ গছ পুলি কটা হয় তেতিয়াহলে আন এখন খেতি পথাৰ সৃষ্টি হব। এখন মৰুভূমিত পৰিণত হব। এইখিনি ইকলজিকেল বেলেঞ্চ সলনি হৈ আছে আৰু ই মানৱ জাতিৰ ক্ষতি কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে গছ কাটিবলৈ লোৱাৰ আগতে চৰকাৰৰ কৰ্ত্তব্য কি? চৰকাৰৰ ওৱৰ্কিং প্লেন ডিভিজন বুলি এটা বিভাগ আছে। কিমান

কাটিবলগীয়া গছ আছে সেইটো এই ডিভিজনে মতামত দিব। কিন্তু আজি এই ক্ষেত্রত এই 'ওৱৰ্কিং প্লেন ডিভিজ্যন'ৰ লগত কোনো আলোচনাই কৰা নহল। তাত ২১ হেজাৰ গছেই নাই। এই বিষয়ে 'ওৱৰ্কিং প্লেন ডিভিজনক' সুধিলেই গম পাব। ২১ হেজাৰ ডাল গছ কাটিবলৈ তাত নায়েই। চৰকাৰে 'ওৱৰ্কিং প্লেন ডিভিজ্যন'ৰ লগত কোনো আলোচনা কৰাই নাই। আলোচনা নকৰাকৈয়ে ২১ হেজাৰ ডাল গছ কাটিবলৈ কিয় গৈছে? এইবিলাক গছ কাটি-বলৈ গৈয়েই এখন মৰুভূমি কৰাৰ কাৰণে আগবাঢ়ি গৈ আছে।' প্লেন ডিভি-জ্যনটো' এটা নিজৰেই 'ডিভিজ্যন'। এই 'ডিভিজ্যন'ৰ কোনো যুক্তি কৰা নাই। এইটোৱেই হৈছে চৰকাৰৰ অপৰাধ। আগৰ চৰকাৰেই হওঁক বা এতিয়াৰ চৰ-কাৰেই হওঁক, কোনো সাৰি যাব নোৱাৰে। ৰাজহৰ ক্ষতি হৈছে। ইয়াত ৭০০ শ টকা ৰেট পাইছে। বুদ্ধিমান মানুহ। হাবি জঙ্গলত থাকিলে কি হব? মাননীয় অধ্যক্ষ মহোদয়, এডাল শালগছৰ পৰিধিটো যদি ১'২২ চি, এম হয় তেতিয়াহলে, চি, এম হয় তেতিয়াহলে, ১৯৮৪ চনৰ চিডিউল ৰেট' মতে' পাব চি, এফ, টি ৮৫০ টকা হব। কিন্তু মহামান্য চৰকাৰে ৭০০ শ টকা ৰেট দিলে। কিয় দিলে? কাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ এই ৰেট দিলে? মাত্ৰ ২।১ জন মানুহৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ এইটো কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ 'ফানিয়েষ্ট থিং' হৈছে এইটোৱেই যে, ২৫ মাৰ্চ তাৰিখে এটা 'অৰ্ডাৰ' জাৰি কৰিলে আৰু ৫ মে তাৰিখে আৰু এটা 'অৰ্ডাৰ' জাৰি কৰিলে যাৰ দ্বাৰা আৰু এটা ৰেট দিলে। মাননীয় অধ্যক্ষ মহোদয়, ২৫ মাৰ্চৰ পৰা ৫ মেলৈকে সময় হৈছে মাত্ৰ এমাহ দহ দিন। এই এমাহ দহ দিনৰ ভিতৰত চৰকাৰে এইখন জাৰি কৰিলে। ইয়াত সুন্দৰ 'অৰ্ডাৰ' দিছে, This will suspected all previous notifications issued this regards with effect f om 15.5.89. মাননীয় অধ্যক্ষ মহোদয়, সকলো 'কেঞ্চেল, কৰিলে। এতিয়া আমাক চৰকাৰে কবহি কি? কব যে, এই খন 'অৰ্ডাৰে' আগৰ সকলো বিলাক কেঞ্চেল কৰিলে। কিন্তু সেইটো নহয়। চুক্তি চুক্তিয়েই। এই খন 'ভায়লেট' কৰাৰ অধিকাৰ চৰকাৰৰ নাই। মাননীয় অধ্যক্ষ মহোদয়, ৭০০ শ টকা নধৰি ২১ শ টকা ধৰিলে কিমান লোকচান হব? এইটো ধৰিলে ৰহুত টকা লোকচান হব। মাননীয় অধ্যক্ষ মহোদয়, অংকটো এনেকুৱা হব? ৭ৰ ৩গুণত হলেহে ২১ হয়। গতিকে কিমান হিচাব হব সেইটো আপোনালোকেই হিচাব

কৰক। এমাহৰ আগ আৰু এমাহৰ পিছ। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অতি গুৰুত্বপুৰ্ণ বিষয়। এক নম্বৰতে, ই গোটেই মানৱ জাতিৰ প্ৰতি এটা বিৰাট অপৰাধ। দ্বিতীয়তে, আমাৰ ৰাজ্যখনে এটা ভয়ানক অৰ্থ-সংকতৰ পৰা ভুগি আহিছে। এনেক্ষেত্ৰত ৰাজ্যখনৰ সম্পদবাজি যধে-মধে পানীৰ দামত বিক্ৰী কৰাটো আমি কোনো পধ্যেই সমৰ্থন কৰিব নোৱাৰো। সেই কাৰণেই মই আজি আপোনাক অনুৰোধ কৰিছো যে, এই বিষয়ে তদন্ত কৰাৰ কাৰণে ৰিধান সভাৰ এখন সৰ্ব্বদলীয় কমিটি গঠন কৰি দিব লাগে। এমাহৰ ভিতৰতে এই কমিটিয়ে বিচাৰ কৰিব লাগে। নহলে চৰকাৰে ৰাজ্যখনৰ সম্পদ-বাজিক জধে-মধে নিজৰ ব্যক্তিগত সম্পত্তিত পৰিণত কৰিব খুজিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন বিধান সভা আছে। আমি ইয়াত ৰহি আছো। বিধান সভাৰ অধিবেশন চলি আছে। কেৱল দুই এজন মানুহৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাবণেই যদি এইবিলাক কৰা হয় তেতিয়াহলে, আমি কেতিয়াও নীৰৱ দৰ্শক হৈ ইয়াত বহি থাকিব নোৱাৰো। আমি এইবিলাক কেতিয়াও সহ্য কৰিব নোৱাৰো। সোনকালেই এটা তদন্ত পাতি চৰকাৰে ইয়াৰ তদন্ত কৰিব লাগে।

*শ্ৰীপ্ৰদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিৰ সন্দৰ্ভত আজি যি পৰ্য্যবেক্ষন এই সদনত দাঙি ধৰিছে এই সন্দৰ্ভতে মোৰো কেইটা-মান কথা কবলগীয়া আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰায় ছমাহমান আগতে মই এই বনা-ঞ্চলৰ কাষেদি গৈছিলো। এজন বেঞ্জাৰৰ লগত এই ফালে গৈ থাকোতে দেখিলো যে, তাত অলেখ শালগছৰ 'ডেড্ বডি' পৰি আছে। ইয়াৰ কাৰণ সোধাত 'ডকুমেণ্ট' দেখুৱাই মোক কোৱা হল যে, লিজ দিয়া কাগজ পত্ৰবিলাকৰ খেলি মেলি হোৱাৰ কাৰণে এই বিলাক বন্ধ হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, প্ৰাণী জগত আৰু উদ্ভিদ জগত— এই দুয়ো পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি এইটো কৰিব পৰা নাই। যি কোনো এটা কামৰ কাৰণেই এটা বিজ্ঞানসম্মত পৰিকল্পনাৰ প্ৰয়োজন। আমি এনেধৰণৰ প্লেন কামৰ মাজত দেখিবলৈ পোৱা নাই। আমি সদায়েই

* Speech not corrected.

'ইকলজিকেল ইমবেলেন্স'ৰ কথা আলোচনা বিলোচনা কৰা হৈ থাকে। কিন্তু জীৱশ্ৰেষ্ঠ মানুহেই এই 'ইকলজিকেল ইমবেলন্সে' নাইকীয়া কৰিবৰ কাৰণে অহৰহ কাম কৰি আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বন বিভাগৰ দুটা শাখা আছে। এটা হৈছে, সামাজিক বনানীকৰণ আৰু আনটো বনানীকৰণ ধ্বংস কৰাৰ কাৰণে। যিটো ধ্বংস কৰা হয় সেইটো আকৌ পুনৰ সৃষ্টি কৰিব নোৱাৰি। সামাজিক বনানীকৰণৰ ক্ষেত্ৰত যিবিলাক কাম কৰা হৈছে তাৰ শতকৰা ৯০ ভাগেই কৃতকাৰ্য্য হোৱা নাই। এটা ধ্বংস কৰাৰ পিছত সেইটো আকৌ সৃষ্টি কৰাৰ ক্ষেত্ৰত কোনো প্ৰচেষ্টাই সফল কাম হোৱা নাই। উচ্চতম ন্যায়ালয়ৰ ৰায় বা ব্যৱসায়ীৰ কথা নকওঁৱেই। কিছুমান 'অক্টোপাচে' আমাৰ ৰাজ্যখনৰ বনাঞ্চলবিলাক সকলো ফালৰ পৰা 'স্কুইজ' কৰিব লাগিছে। এইটো ভালদৰে নেচালে আমি ইয়াক আৰু ৰক্ষা কৰিব নোৱাৰিম। ঘৰবাৰী আদি সজাৰ ক্ষেত্ৰত আমি দেখিছো যে, পূৰঠ নোহোৱা গছ কিছুমানো কাটি পেলোৱা হৈছে। উদাহৰণ স্বৰূপে গেলেকী ৰিজাৰ্ভটোকে কাটি খাস্তাং কৰি পেলালে। যিবিলাক ফৰেষ্টত কাম কৰা মানুহ আছে সেইবিলাকক কিনিবলৈ বেছি সময় নেলাগে।

অধ্যক্ষ মহোদয়, আজি নতুন নতুন শ' টকীয়া নোটৰ বাণ্ডিল দিলেই সকলো কাম শেষ। এইকথা সকলোৱে জানে, ইয়াত থকা সকলো সদস্যই জানে, সকলো বিষয়াই জানে, সকলো কৰ্ম্মচাৰীয়েই জানে, প্ৰত্যেক বিভাগে জানে। কিন্তু এই সকলোবোৰ অসমৰে অসমীয়া মানুহ। অসমতে খাই বৈ পৰিপুষ্ট হোৱা মানুহ। তেওঁলোকে কিন্তু শালগছৰ ডেডবডী দেখা পোৱা নাই। তেওঁলোকৰ বুকু পোৰা নাই। আজি এজন সদস্যই কৈছে যে বনাঞ্চলত এহেজাৰ গছো নাই। কাটিব পৰা গছ নাই। আজিকালি মেচিউৰ অমেচিউৰ বুলি বাচ বিচাৰ নাই, সৰু সৰু গছপুলিও কাটি পেলাইছে। ফাৰ্নিচাৰ আদি আজি আপুনি বনাব নোৱাৰে কাৰণ বনালেই সেইবিলাক অপৈণত গছৰ কাঠেৰে তৈয়াৰ কৰি দিয়াৰ বাবে সোনকালেই নষ্ট হৈ যায়। এই ধৰনেই যদি চলি থাকে তেন্তে আমি ইয়াত আজি কোনো নথকাই ভাল। কোনো থাকিব নালাগে। We are here in this House to protect the interest of the people of the state from any kind of exploitation.

সেই কাৰণেই মই ভাবো যে প্ৰয়োজন হলে সেইখিনিৰ বাবে প্ৰয়োজনীয় আইন বনাওক। আগৰ আইন আতৰাই পেলাওক। আগৰ যি লীজৰ ব্যৱস্থা আছিল সেইবোৰ কেনচেল কৰক। আমি গোটেই দেশখনেই যদি এফালে হওঁ আন কৰ্ট বা আনে অন্য এটা আইন কৰিব নোৱাৰে। কাৰণ মানুহৰ বাবেহে আইন, আৰু মানুহ জন্ম হোৱাৰ পিচতহে আইনৰ জন্ম। আজি যিটো পাৰিপাৰ্শ্বিক পৰিবেশ ৰক্ষা কৰাটো সকলোৰে বিচাৰ্য্য বিষয় হব লাগে। সেয়ে এই ক্ষেত্ৰত মই আৱশ্যকীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ ওপৰত ইতিমধ্যেই যথেষ্ট আলোচনা হৈছে আৰু এই আলোচনাত ভাগ লবলৈ গৈ মই আপোনাক এটা কথাৰ দৃষ্টিগোচৰ কৰিব খুজিছোঁ। যোৱা বাজেট অধিবেশনত মই কৰৰ বিৰোধীতা কৰি এই সদনতে এই বিষয়টোৰ প্ৰতি দৃষ্টি গোচৰ কৰিছিলো আৰু এতিয়া বগাইখাচ অঞ্চলৰ ধ্বংসলীলাৰ কাহিনী কওঁ। এই বগাইখাচ অঞ্চলত বন মন্ত্ৰী মহোদয়ে যি ধ্বংসযজ্ঞ আৰম্ভ কৰিছে তাৰ দ্বাৰা তেওঁলোকৰ নিজৰ দলকে অকল প্ৰতাৰণা কৰা নাই, গোটেই অসমবাসীকে প্ৰতাৰণা কৰিছে লগতে গোটেই ভাৰতবৰ্ষকে প্ৰতাৰণা কৰিছে বুলি আমি কব পাৰো। সেয়ে আমি আশা কৰো মুখ্য মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত সাহস গোটাই এক বলিষ্ঠ পদক্ষেপ লৈ বন মন্ত্ৰীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যেনেকৈ আগৰ অবৈধ চৰকাৰৰ বিৰুদ্ধে আপোনালোকৰ নিজৰ সুৰতে কৈছো আগৰ অবৈধ চৰকাৰে গছ কাটি তহিলং কৰিলে, কিন্তু এতিয়া আকৌ এই চৰকাৰে আগৰ চৰকাৰৰ পুনৰাবৃত্তি কৰি নিজকে প্ৰকাশ কৰিলে। কিন্তু এইখন চৰকাৰ বৈধ।

অধ্যক্ষ মহোদয়, মই এটা কথা জানিব খুজিছো যে এই আসাম কেন ডিলাৰ্চক উচ্চ ন্যায়ালয়লৈ যাবলৈ কোনে পৰামৰ্শ দিছিল সেইটো বিচাৰ কৰিব লাগে। ইয়াৰ পুৰণা ইতিহাস যদি চোৱা যায় তেতিয়াহলে দেখা যাব যে এজন মানুহৰে সদনৰ বাহিৰত এটা আৰু সদনৰ ভিতৰত আন এটা ৰূপ। বা এজন মানুহৰ দুটা ৰূপ। আসাম কেন ডিলাৰ্চৰ সেই সময়ৰ আইন সংক্ৰান্তীয় পৰামৰ্শ দাতা আছিল আজিৰ বন মন্ত্ৰী মহোদয় নিজে। সেইজন

ব্যক্তিয়েই আইন মন্ত্ৰী হিচাপে সদনত তথ্য দাঙি ধৰিলে আৰু আনটো হাতেৰে বন মন্ত্ৰী হিচাপে পাৰ্মিট দি দিলে। যাৰ কাৰণে আজি বগাইখাচ অঞ্চলত ধ্বংসলীলা আৰম্ভ হল।

অধ্যক্ষ মহোদয়, এই গছ কটা সংক্ৰান্তত আগৰ অবৈধ চৰকাৰক যাক আপোনালোকে গালি পাৰিছিল সেই হিতেশ্বৰ শইকীয়া চৰকাৰে তেতিয়াৰ বন মন্ত্ৰী মহোদয়ৰ পৰা বন বিভাগটো কাঢ়ি অনাৰ বলিষ্ঠ পদক্ষেপ লব পাৰিছিল। সেই সাহস আজিৰ এই মুখ্য মন্ত্ৰীৰ নাই কিয়? আজিও কিয় বন মন্ত্ৰীৰ পৰা বন বিভাগটো কাঢ়ি আনিব পৰা নাই। অধ্যক্ষ মহোদয়, আপুনি হয়তো বাৰে বাৰে ভাবিব যে কিয় মই কমিটি গঠন কৰাৰ বাবে আপোনাক হেচাঁ দিছো। আমি যেতিয়া ওদালগুৰি, লাইলুংপাৰা আদি ঠাইৰ অৱস্থাৰ কথা কৈছিলো তেতিয়া হয়তো আপুনি ভবা নাছিল, কিন্তু যেতিয়া নিজে গৈ সেই ঠাই পাই দেখিলে তেতিয়া নিজে দেখিলে পুলিচৰ কি ধৰণৰ আতিশয্য তাত চলিছে।

(সদনত হুলস্থূল)

মই কথাটো বুজাবলৈহে এই কথাটো কলো। কাৰণ এইদৰেই বগাইখাচ অঞ্চলত আৰু কত কি ধৰণৰ দুৰ্নীতি আছে সেইবোৰ ওলাব। অধ্যক্ষ মহোদয়, সেয়ে কৈছো যে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈ, যিহেতু এই ক্ষেত্ৰত মুখ্য মন্ত্ৰী মহোদয় দায়বদ্ধ, বন বিভাগটো নিজৰ হাতলৈ নিয়ক আৰু শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে এখন কমিটি সকলো সদস্যই গঠন কৰি এই ধ্বংসযজ্ঞৰ বিচাৰ কৰক। হিতেশ্বৰ শইকীয়াই যদি এটা খুন কৰিছিল আজি আপোনালোকে সাতটা খুন কৰিছে।

(সদনত হুলস্থূল)

এইখিনিকে কৈ এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰিলো।

Mr. Speaker : The matter has been discussed. The Honourable Minister is not present here. He has gone to Delhi on other Government business. He will give his

statement later on. No, I come to the next item. Now, Honourable Member Shri Patowari will raise a discussion regarding the news item........ "পাঠ্যপুথি মূলখন পাবলৈ নাই অথচ সহায়িকাৰ পয়োভৰ" ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যোৱা ২৪ মাৰ্চ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত পাঠ্যপুঠি পাবলৈ নাই অথচ সহায়িকাৰ পয়োভৰ শীৰ্ষক বাতবিটোৰ সন্দৰ্ভত শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । অলপ আগতে সদনত বন বিভাগৰ বিষয় এটা জৰুৰী বুলি উত্থাপন কৰা হৈছে । কিন্তু মই ভাবো এই শিক্ষা বিভাগৰ বিষয়টো আৰু বেছি জৰুৰী কিয়নো বন বিভাগৰ বিষয় জৰুৰী হলেও গছ কাটিলে এডালগছ এদিন আকৌ গজিব কিন্তু শিক্ষা বিভাগৰ যি অৱস্থা ইয়াৰ দ্বাৰা যদি কিতাপ পত্ৰ সময় মতে নাপায় তাৰ কাৰণে এখন সমাজ এটা জেনেৰেশ্বন মূৰ্খ হৈ যাব পাৰে । এটা জেনেৰেশ্বন ধংস হৈ যাব পাৰে । সেই কাৰণে মই তথ্য সহকাৰে এই শিক্ষা বিভাগৰ জৰুৰী বিষয়টো সদনৰ মজিয়াত আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু ইয়াৰ ওপৰত বিহিত ব্যৱস্থা তত্বকালে লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো । অধ্যক্ষ মহোদয়, আজি বিনামূলীয়া পাঠ্যপুঠি বিতৰণ কৰাৰ নামত ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্ত্তন কৰাৰ কৰাৰ নামত যি নীতিৰ উদ্দেশ্য আছিল দুখীয়া জনসাধাৰণক বিনামূলীয়াকৈ পাঠ্য পুঠিৰ যোগান ধৰাৰ কাৰণে, প্ৰাইমাৰী স্তৰত নিম্নতম শ্ৰেণীৰ লোক জনকো শিক্ষাৰ সুবিধা দিয়াৰ কাৰণে কিন্তু সেই আৰ্হিত এই শিক্ষানীতি প্ৰৱৰ্ত্তন কৰা হ'ল যদিও আচলতে ইয়াৰ উদ্দেশ্য সফল হোৱা নাই । বৰঞ্চ যি দুখীয়া জনসাধাৰণে আগতে কম আয়ৰ দ্বাৰা অলপ অচৰপ কিতাপ আদি কিনিব পাৰিছিল যদিও এতিয়া এই শিক্ষানীতি প্ৰৱৰ্ত্তন কৰাৰ পৰা বঞ্চিতহে হৈছে। উদাহৰণ স্বৰূপে মই কব বিছাৰিছো যে অসমৰ স্কুল বিলাকত অসমৰ গাৱেঁ ভুঞেঁ পাঠ্য পুঠিৰ যি অনাটনে দেখা দিছে সেইটো আনপ্ৰিচিডেণ্টেড্ । মই নিজ প্ৰত্যক্ষ কৰি প্ৰতীয়মান গৈছো যে আগতে ৰেচন কাৰ্ডলৈ দেশৰ খাদ্যাভাৰ হোৱা সময়তহে নিত্য ব্যৱহাৰ্য্য বস্তুৰ কাৰণে মানুহে দোকানৰ সমুখত

* Speech not corrected .

শাৰী পাতিছিল কিন্তু এতিয়া পাঠ্যপুথিৰ কাৰণে পানবজাবৰ দোকানৰ সমুখত শাৰী কৰিব লগীয়া হৈছে। এইটো অসমৰ ইতিহাসত নোহোৱা কথা। অসমৰ শিক্ষাৰ ইতিহাসত এনে অৱস্থা কেতিয়াও হোৱা নাছিল। অধ্যক্ষ মহোদয়ৰ আপুনি নিজে গৈ সেই কিতাপৰ দোকানৰ সমুখৰ শাৰী বিলাক চাই পতিয়ন যাব পাৰিব যে বৰ্ত্তমান শিক্ষা বিভাগৰ কাৰণে কি অৱস্থা হৈছে। ইয়াৰ কাৰণ হিচাবে জানিবলৈ পাইছো নৱম মান শ্ৰেণীৰ কিতাপ দিছে দুশ কিন্তু প্ৰয়োজন আছিল হয়তো তিনিহাজাৰ খনৰ। এইটো অনাটন সঁচাই হৈছে নে কৃত্ৰিম ভাবে সৃষ্টি কৰা হৈছে তাৰ এটা সুস্থ ব্যাখ্যাৰ প্ৰয়োজন। আজি শিক্ষামন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত বহলাই কব বুলিয়েই বিষয়টোৰ উত্থাপন কৰিছো। যদিহে কৃত্ৰিম ভাৱে এই অনাটনৰ সৃষ্টি কৰা হৈছে তেনেহলে ভয়ানক কথা হৈছে। দ্বিতীয় কথা হৈছে মই আগতে বিধান সভা আৰম্ভ হওতে এটা কথা উত্থাপন কৰোতে মাননীয় বিধায়ক সকলে ৰস পাই কথাটোত হাঁহিছিল কিন্তু তথাপিও কথাটো দোহাৰিব খুজিছো কথাটো হ'ল ক, খ, মান শ্ৰেণীৰ কুঁহিপাঠৰ কাৰণে নোট ওলাইছে। আগতে কুঁহিপাঠ ব্যক্তিগত লোকে ছপাই বজাৰত এৰি দিছিল ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে কিন্তু এতিয়া চৰকাৰে কুহিপাঠ লোৱাৰ পিচত বজাৰত কুহিপাঠ পাবলৈ নাই অথচ কুহিপাঠৰ ওপৰত নোটচ বজাৰত ওলাই পৰিছে। বি-এ, এম-এ বা উচ্চ পৰ্য্যায়ৰ শ্ৰেণী সমূহৰ কাৰণে ৰেফাৰেন্স বুক বা নোটিচ থকা কথাটো বেলেগ কথা কিন্তু কুহিপাঠৰ কাৰণে ক, খ, মান শ্ৰেণীৰ কাৰণে বজাৰত নোটচ ওলাই পৰাটো কেনে ধৰণৰ কথা ভাবিলেও আচৰিত হব লাগে। কুহিপাঠ কিতাপ খনৰ দাম ১·২৫ টকা কিন্তু নোটচ খনৰ দাম ৬·০০ টকা। গৰীৱ জনসাধাৰণে কিতাপ খন কম মূল্যত কিনিবলৈ নাপায় অথচ তাৰ সলনি বেছি দামৰ নোটচ খন বজাৰত কিনিবলৈ পায়। গৰীৱ জনসাধাৰণৰ কাৰণে ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্ত্তনৰ সুফল এনেকৈয়ে ফলাইছে ইয়াৰ দ্বাৰা বিনামূলীয়া শিক্ষা পোৱাৰ পৰা তেওঁবিলাকক বঞ্চিতহে কৰা হৈছে। শিক্ষা জগতত আটাইতকৈ দুৰ্ভাগ্যজনক কথা হৈছে বহুত কিতাপ হয়তো চাৰিমাহ পিছত বজাৰত ওলাইছে কিন্তু চাৰি মাহৰ আগতে সেই কিতাপৰ ওপৰত নোটচ বজাৰত ওলাই গৈছে। এই কথাটো বিধান সভা আৰম্ভণীৰ দিনা ৰাজ্যপাল মহোদয়ৰ ভাষণ আৰু পিচত হোৱা চাহমেলৰ সময়ত ব্যক্তিগত ভাবে লগ কৰি শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই কথা জনাইছিলো। সমাজ অধ্যয়নৰ

কিতাপ বজাৰত পাবলৈ নাই কিন্তু তাৰ ওপৰত ওলোৱা নোটচ্ ইতিমধ্যে বজাৰত ওলাই গৈছে। কিতাপ প্ৰকাশ হৈ বজাৰত ওলোৱাৰ আগে আগে বজাৰত নোটচ্ কেনেকৈ ওলায় এইটোহে আচৰিত কথা। সমাজ অধ্যয়ন কিতাপ খনৰ দাম ছয় টকা কিন্তু নোটচ্খনৰ দাম আঠত্ৰিশ টকা। মূল কিতাপ বজাৰত ওলাই যোৱাৰ আগতে নোটচ্ওলাই আহে। কিন্তু শিক্ষা বিভাগৰ পৰা দুশ খন কিতাপ যোগান দিয়ে মাত্ৰ তাকো তিনিমাহৰ পিচত আৰু তাৰ কাৰণে কিতাপৰ দোকানীয়ে কিতাপ এখন যদি দিব খোজে তাৰ লগতে নোটচ্ এখনো কিনিব লাগিব বুলি সুবিধা আদায় কৰি আছে।

মাননীয় অধ্যক্ষ মহোদয় এটা কথা মই নিজে পৰীক্ষা কৰি প্ৰমাণ পাই সদনত উত্থাপন কৰিছো। কথাটো হৈছে— এখন দোকানত ক্লাচ নাইনৰ কিতাপ বিচাৰিলে দোকানীয়ে কয় আমি এইবাৰত দুশ খন কিতাপ পাইছিলো কিতাপ আৰু নাই সকলো শেষ হৈ গল। তথাপি যদি আপুনি কিনিব বিচাৰে তেন্তে এখন দিব পৰা হব যদিও লগতে এখন নোটচ্ৰ কিতাপো কিনিব লাগিব। তেতিয়াহে দিব পৰা যাব। অধ্যক্ষ মহোদয় আৰু এটা কথা হৈছে মেট্ৰিক পৰীক্ষা দিছে আঢ়ৈলাখ কেনদিদেটে। কিন্তু কিতাপ ছপা হৈ ওলাইছে মাত্ৰ একলাখ মান। গতিকে দেখা যায় কিতাপৰ ক্ষেত্ৰত পৰিসংখ্যাটো ভুল হব নালাগিছিল। যিটো প্লেন কৰিছিল সেইটো ভূল নেকি ? পানবজাৰৰ কিতাপৰ দোকান এখনৰ নামটো নকও সেই দোকান খনলৈ যাওতে কিতাপ বেচা মানুহ-জনে মোক কলে আপুনি ইয়াৰ পৰা এতিয়া আতৰি যাওক কাৰণ জনসাধাৰণে আপোনাক চিনি পালে ঘেৰাও কৰিব। যিহেতু আপুনি চৰকাৰী মানুহ। অধ্যক্ষ মহোদয় ৰাস্তাই ঘাটে ঘেৰাও কৰা বা সন্ত্ৰাসৰ ভয়ত আমি আতৰি ফুৰিম নেকি ? নলবাৰী বা বৰমাত শ শ প্ৰেছ হৈছে যদিও পাঠ্য পুথি উলিয়াব নোৱাৰে। শিক্ষা বিভাগে কব পাৰে নেকি যে প্ৰেছ বিলাকত ছপা কৰিবলৈ দিয়া হোৱা নাই। আমাৰ ইয়াত দুজন শিক্ষা বিভাগৰ মন্ত্ৰী আছে তেখেত সকল যদি এই বিলাকৰ লগত জড়িত নাই ভালেই কথা আৰু যদি জড়িত আছে তেন্তে ভূল হৈছে। সেৱাৰ পৰা অক্টোবৰ মাহত কিতাপ ছপা কৰিবলৈ দিলে ডিচেম্বৰ মাহত ছপা হৈ ওলায়। কিন্তু আমাৰ শিক্ষা বিভাগৰ কিতাপবিলাক ছপা কৰিবলৈ দিলে ৪ মাহৰ পিছতো ছপা হৈ নোলায়। যদি

ওলাইও সন্দেহ কৰি ৰি-স্কুটিনাইজ কৰি উলিয়াই দিয়ে। কেতিয়াবা চাব-ষ্টেণ্ডাৰ বুলি ভাবে আৰু কেতিয়াবা বিশ্বাস যোগ্য নহয় বুলি ভাবি কিতাপ দেৰিকৈ ছপা কৰি উলিয়ায়। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো কোনোবা বিষয়া যদি ইয়াত জড়িত আছে তেন্তে এইটো নিশ্চয় তদন্ত হব লাগে। টেক্সবুক বিলাক ছপা কৰিবলৈ দিয়াৰ লগে লগে কোনোবা সেন বা দাসগুপ্ত বৰ্ম্মণ নে দাস এই লোক সকল নোটবুক লিখিবৰ কাৰণে সাজু হয়। টেক্সবুক সম্পূৰ্ণ ছপা হৈ ওলোৱাৰ আগতে নোটবুক বজাৰত আগতিয়াকৈ ওলাই যায়। এই নিগমৰ লগতে কোনোবা পণ্ডিত জড়িত হৈ আছে। ভলা লগাই থোৱা বস্তুবিলাক ৰাজ্যিক শিক্ষা মন্ত্ৰীয়ে আগতীয়াকৈ দেখিছে নে নাই নাজানো কিন্তু বিষয়াবিলাক আগতিয়াকৈ দেখিবলৈ পোৱাৰ কাৰণে নোটবিলাক আগতিয়াকৈ ওলাবলৈ পায় বুলি মোৰ বিশ্বাস। আজি কালি যিটো কিতাপ দিয়াৰ ব্যৱস্থা কৰিছে ভাল হৈছে। কিতাপ কাগজ দিয়াটো নিয়ম কৰি দিছে। প্ৰথমে স্কুলৰ ডি এফ আই এছ আই ডি আই আৰু ব্লক অফিচাৰ বিলাকৰ মাজত এটা গেপ দেখিবলৈ পোৱা যায়। এইবিলাক কৰোতে প্ৰায় ২৫ লাখ টকা খৰছ হৈছে। এইবিলাক কৰাৰ কাৰণে পাঠ্য-পুথি বিলাক সময়মতে পোৱা নাযায়। এজনী মুৰ্গিয়ে প্ৰসবৰ বেদনাত ছটফটাই থকাৰ পিছত যেতিয়া প্ৰসৱ কৰে তেতিয়া অনুভৱ কৰে যে গোটেই পৃথিৱী-খনহে প্ৰসৱ কৰিছে কিন্তু ঘুৰি চাই দেখে যে মাত্ৰ এটা কণীহে প্ৰসৱ কৰিছে আমাৰ অসম চৰকাৰৰ শিক্ষা বিভাগৰো তেনেকুৱা অৱস্থাই হৈছে। চৰকাৰে বিনামূলীয়া শিক্ষাৰ পাঠ্য পুথি বিতৰণৰ ক্ষেত্ৰত যদি তেনেকুৱা ভাবিছে সেইটো ভুল হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ প্ৰতি একচন লোৱা উচিত। অধ্যক্ষ মহোদয় ৰঞ্জিৎ ডেকা আৰু বসন্ত ডেকাৰ বিষয়ে কওঁ। গুৱাহটীৰ কমাৰ্চ কলেজৰ প্ৰফেচাৰে হবলৈ হলে এ চি এচ নে আই এ এচ হোৱাৰ নিয়ম নীতি থাকে। কিন্তু ৰঞ্জিৎ ডেকাই এম ডিৰ দৰে কাম কৰে এইবিলাক কেনেকৈ হবলৈ পায়? তেওঁলোকে সৰ্ব্বেসৰ্ব্বা হৈ মাত্ৰ চহীটোহে কৰে। এগ্ৰিকালচাৰৰ মাৰ্কেটিং বোৰ্ড আছে। তাত ডিৰেক্টৰেহে সকলো কৰে। ডিৰেক্টৰহে সৰ্ব্বেসৰ্ব্বা মইও গভৰ্ণিং বোৰ্ডৰ মেম্বাৰ। মোৰ মতে সকলো হৰ নেকি এনেধৰণৰ কিছুমান কাৰণ আছে। আমি ইমান ওপৰলৈ যাব পৰা নাই। অসমত এনেকুৱা কিছুমান চিৰিয়াছ বিষয়ত তদন্ত হব লাগে। টেক্সবুক নোলোৱাকৈ নোট কিনিব

লাগে ৩৮ টকা দি । দুখীয়া মানুহৰ কাৰণে সম্ভৱ নহয় । গতিকে মন্ত্ৰী মহোদয়ে আমাক এচুৰেন্স দিব লাগে যাতে অতি সোনকালে তদন্ত কৰে ।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আৰম্ভণিতে মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো তেখেতে ব্যক্তিগতভাৱে তথ্যভিত্তিক হয় নে নহয় যদি হয় তথ্যভিত্তিত বুলি প্ৰতিপন্ন কৰে তেন্তে পদত্যাগ কৰিব নে নকৰে ? যদি যুক্তিগতভাৱে প্ৰমাণ কৰি দিব নোৱাৰে তেন্তে পদত্যাগ কৰিব লাগিব । মই যদি নহয় বুলি প্ৰমাণ কৰিব নোৱাৰো তেন্তে মই পদত্যাগ কৰিম । অধ্যক্ষ মহোদয়, এই বিষয়ে কবৰ বাবে মোক নিৰাপত্তা দিব লাগে ।

মাননীয় অধ্যক্ষ : আপুনি বিষয়টোৰ ওপৰত বিবৃতি দিয়ক ।

* শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিবৃতি দিয়াৰ আগতে মই এষাৰ কথা কব বিচাৰিছো যে সদস্যগৰাকীৰ বক্তব্যখিনি তথ্য-ভিত্তিক বা যুক্তিসংগত হোৱা প্ৰয়োজন । যিহেতু আজি সকলো মাননীয় সদস্য উপস্থিত নাই । মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কোৱাৰ দৰে ডেকাই নিজেই যদি সৰ্ব্বেসৰ্ব্বা হৈছে এইটো যদি তেখেতে প্ৰমাণ কৰি দিব পাৰে তেন্তে মই সদনৰ পৰাই নহয় ৰাজনৈতিক জীৱনৰ পৰাই আতঁৰি যাম ।

মই বাতৰিটো পঢ়ি দিবলৈ বিচাৰিছো, তেখেতে পঢ়ি দিয়া নাই । বাতৰি-টোত প্ৰকৃততে কি আছিল সেইটো মই সদনত জনাবলৈ বিচাৰিছো কিয়নো বাতৰিটোৰ লগত সংলগ্ন নথকা কিছুমান কথা তেখেতে কৈছে । বাতৰিটোত কোৱা হৈছে যে— পাঠ্যপুথি পাবলৈ নাই কিন্তু সহায়িকা বজাৰত আগেয়ে ওলাই গৈছে । সহায়িকা উলিয়াৰ বেলিকা এতিয়াৰ সময়লৈকে আমাৰ হাতত তেনেকুৱা বাধা দিয়াৰ কাৰণে জানো কিবা আইন আছে তাৰোপৰি কোনো কেৰিকুলাম নোহোৱাকৈ সহায়িকা উলিয়াব নোৱাৰে । এই সম্পৰ্কত মই দুটা কপি মাননীয় সদস্যগৰাকীক আৰু আপোনাক দিম । এচাম শক্তিয়ে আমাৰ এই আঁচনিখন ব্যৰ্থ কৰাৰ কাৰণে বাধাৰ সৃষ্টি কৰিছে । অভিযোগ কৰা মতে মূল কিতাপখনতকৈ সহায়িকাখনৰ দাম বেচি । এইটো হবই, কিয়নো সহা-য়িকাখন ব্যক্তিগত বিক্ৰেতাই ৰেহাই মূল্যত কাগজ নাপায় কিন্তু আমি

Statement not corrected.

পাঠ্যপুথি নিগমক ৰেহাই মূল্যত কাগজ যোগান দি এই পাঠ্যপুথিবিলাক ছপা কৰি উলিওৱা হয়, কিয়নো আমাৰ যি সকল ছাত্ৰ-ছাত্ৰী আছে তাৰ বেচি-ভাগেই অত্যন্ত দুখীয়া পৰিয়ালৰ পৰা অহা। ৪ জন ল'ৰা-ছোৱালীক এজন আৰ্জনীয়াই ৪০০/৫০০ টকা খৰচ কৰি পঢ়োৱাটো অসম্ভৱ। দিনটোৰ কাৰণে গৃহস্থই কাম বিচাৰি ওলাই যায়। যাৰ দুবেলা দুমুঠি খাবলৈ নাই তেওঁ ইমান মূল্যৰ কিতাপ কিনি ল'ৰা-ছোৱালীক কৰ পবা পঢ়াব, সেয়ে আমি ৰেহাই মূল্যত কাগজ যোগান দি পাঠ্যপুথি যাতে কম খৰচতে আৰু বিনা-মূলীয়াকৈ পাব পাৰি তাৰ কাৰণে এই আঁচনি লৈছো আৰু এই ক্ষেত্ৰত যোৱা তিনিবছৰে আমি দক্ষ্যতাৰে এই ক্ষেত্ৰত আগবাঢ়িছো। ৯ খন ৰাজ্যৰ ভিতৰত অসমো এখন ৰাজ্য য'ত এনৰোলমেণ্ট কম আছিল কিন্তু এই আঁচনিখন প্ৰবৰ্ত্তন কৰাৰ পাচত সমীক্ষা মতে এনৰোলমেণ্টৰ সংখ্যা বাঢ়ি যোৱাতো কব পাৰি। গুৱাহাটী মহানগৰীত আঢ়ৈ হাজাৰ বা বেচি টকা দৰমহা পোৱা লোকৰ কাৰণে অধিক মূল্য দি কিতাপ কিনোতে অসুবিধা নাই কিন্তু আমাৰ বৃহৎ সংখ্যক দুখীয়া পৰিয়াল যি সকলৰ খাবলৈ দুবেলা দুমুঠি নাই সেইসকলৰ কাৰণে কিতাপ কিনাতো কষ্টকৰ। আমাৰ মাননীয় সদস্য গৰাকীয়ে এনেকুৱা ঘটনা ইতিহাসত ঘটা নাই বুলি কৈছে কিন্তু তেখেতে নাজানে, ১৯৭৭ চনত যেতিয়া মাননীয় শৰত সিংহ ডাঙৰীয়া আছিল তেতিয়া এনেকুৱা এটা ঘটনা ঘটিছিল, যেতিয়া নেকি চৰকাৰে এই আঁচনিৰ জৰিয়তে ব্যক্তিগত ব্যৱসায়ীৰ পৰা চৰকাৰৰ হাতলৈ নিছিল আৰু সেই সময়ত পাঠ্যপুথি সময় মতে দিব নোৱাৰাৰ কাৰণে একাডেমিক ইয়াৰ ৬ মাহলৈ পিচুৱাই দিব লগা হৈছিল। তেখেতে জনা উচিত এনে ধৰণৰ ঘটনা আগতেও ঘটি গৈছে। কিন্তু আমি অহাৰ পিচত ৬ মাহ আমি এডভান্স কৰিছো লগতে পৰ্য্যায়ক্ৰমে পাঠ্যপুথি বিলাক প্ৰকাশ কৰাৰ ব্যৱস্থা কৰি আছো। অভিযোগ উঠিছে যে পাঠ্যপুথি বিলাক ঘূৰাই পঠোৱা হৈছে, আচলতে সেইবিলাক ঘূৰাই পঠোৱা হোৱা নাই, সেইবিলাক এবাৰ প্ৰণয়ন কৰাৰ পাচত তাক পুনৰ ৰিভিউ কৰিবৰ কাৰণে দক্ষতাসম্পন্ন লোকক পৰীক্ষা-নিৰিক্ষা কৰিবৰ কাৰণেহে দিয়া হৈছে কিয়নো সেই পাঠ্যপুথিবিলাক বিভিন্ন ভাষালৈ অনুবাদ কৰিবলগীয়া হয় আৰু ডিজাই-নৰো কথা আছে। এখন কিতাপ বড়ো, ৰাভা, মিচিং ইত্যাদি ভাষালৈ ৰূপান্তৰ কৰি উলিওৱাটো ইমান সহজ কাম নহয়। জানুৱাৰী মাহৰ পৰা

একাডেমীক ইয়াৰ কৰা হ'ল আৰু লগতে কিতাপ বিলাক লিখিবলৈ দিয়া হ'ল আৰু অনুবাদ কৰিবলৈয়ো দিয়া হ'ল। এই ক্ষেত্ৰত আমাক অৱশ্যে স্থানীয় প্ৰেছবিলাকে কিছু সহায় কৰিছে কিন্তু কিছুমান ডাঙৰ প্ৰেছেহে আমাৰ অসুবিধাৰ সৃষ্টি কৰিছে। আনকি লাইট বন্ধ হৈ থকা স্বত্বেও কিছুমান সৰু-সুৰা প্ৰেছে দেহেকেহে লাগি কিতাপবিলাক উলিয়াই দিছে। কিন্তু হিন্দুস্থান অফচেটৰ নিচিনা ডাঙৰ প্ৰেছেও আমাক এখন সৰু কিতাপৰ বাহিৰে কোনো কিতাপেই জমা দিয়া নাই। কাগজত ওলোৱামতে যিটো প্ৰেছ আছিল সেই প্ৰেছটোৱে ৰাতিৰ ভিতৰতে ৬১ হাজাৰ কিতাপ জমা দিছে বুলি আমি জানিব পাৰিছো। এইটো ইচ্ছাকৃতভাবে কৰা হৈছে, আচলতে সেই প্ৰেছটোৱে এই কিতাপখিনি আগৰ পৰাই মজুত কৰি ৰাখিছিল কিন্তু ৰাজনৈতিক উদ্দেশ্য সংঘটিত কৰাৰ উদ্দেশ্যে এটা শক্তিয়ে ইচ্ছাকৃতভাবে এইটো কৰিছে। যিটো কাগজ পাৰ ৰীম ২২ টকা আছিল সেইটো আমি হিন্দুস্থান পেপাৰ মিলৰ পৰা ১১ টকা ৰীমত কিনি যোগান দিছো। যিমান পৰিমানৰ 'কুঁহিপাঠ' পাঠ্যপুথি জমা দিবলৈ কোৱা হৈছিল সিমান পৰিমানৰ কিতাপ তেওঁলোকে জমা নিদিলে বৰঞ্চ এই কুঁহিপাঠত তেওঁলোকে ছদ্ম নাম দি মুকলি বজাৰত বিক্ৰী কৰিছে। এই ষড়যন্ত্ৰ, এই জনসাধাৰণক বিপন্ন কৰিব খোজা শক্তিৰ বিৰুদ্ধে আমি যুজ দিব লাগিব আৰু এই ৰাজনৈতিক উদ্দেশ্য ব্যৰ্থ কৰাৰ কাৰণে আমি গঠনমূলক সমালোচনাহে বিচাৰো। এই আঁচনিখনৰ কাৰণে ৫ কোটি টকা ধৰা হৈছিল আৰু ৰাজ্যখনৰ এই ৫ কোটি টকা যাতে বাহিৰৰ ব্যৱসায়ীৰ হাতলৈ নাযায় তাৰ কাৰণে আমাৰ ইয়াৰে যিবিলাক প্ৰেছ আছে তেওঁলোকক দি যাতে তেওঁলোকক সহায় কৰাও হয় আৰু টকাতো ৰাজ্যতে থাকে তাৰ কাৰণে চিন্তা কৰিয়েই এই ব্যৱস্থা লোৱা হৈছিল, আমি ভাবো এই ব্যৱস্থাটো এটা সু-সঙ্গত প্ৰচেষ্টা। পাঠ্যপুথি নিগমত আমি অহাৰ আগৰ সময়ছোৱাত টোটেল কেপিটেল ইনভেষ্টমেণ্ট কিমান হৈছিল তাৰ কোনো হিচাৰ নাই, এইটো আপোনালোকৰ দিনতেই হৈছিল, মই হিচাবটো দেখুৱাব পাৰো। এতিয়া তিনিজন দক্ষতাসম্পন্ন বিষয়াৰ ওপৰত এই দায়িত্ব দিয়া হৈছে যাতে দফাই দফাই ইয়াৰ কাম কাজবিলাক পৰীক্ষা কৰি সুকলমে চলাই নিব পাৰে। আমি দফাই দফাই কামবিলাক চাইছো আৰু হিচাব-পত্ৰবিলাক তন্ন তন্নকৈ চাইছো। আমি ১৯৮৬ চনৰে পৰা সম্পূৰ্ণ হিচাব এতিয়ালৈকে দেখুৱাব পাৰো।

শ্ৰীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, পুৰণি কথা আমাক নালাগে, এতিয়া নতুন কথা কওক ।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ পাঠ্যপুথি নিগমৰ বিষয়ে কবলৈ হলে আগৰ কথাবিলাক কৰই লাগিব । এতিয়া এই প্ৰতিস্থানটো কাৰ্য্যক্ষম কৰি তোলা হৈছে । ইয়াত যি সকল লোকক জৰিত কৰা হৈছে, মাননীয় সদস্য গৰাকীয়ে ৰঞ্জিত নাৰায়ন ডেকাক ইললিগেলি বা অসংযোজিত ভাবে নিয়োগ কৰা হৈছে বুলি যিটো অভিযোগ কৰিছে সেইটো যদি সচাঁ হয় তেতিয়াহলে মই পদত্যাগ কৰিম । পদত্যাগ কৰাৰ কথাটো আচলতে বাৰ বাৰ কবলগীয়া হৈছে এই কাৰণেই যে সদনত বিশেষ অধিকাৰ আছে কাৰণেই এজন লোকৰ ওপৰত অভি-যোগ আনি উদ্দেশ্য প্ৰণোদিতভাবে সমালোচনা কৰিব তাৰ মানে নাই, ইয়াৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাবলৈ সৰবে পৰাই শিকি আহিছো । পাঠ্যপুথি নিগমৰ ক্ষেত্ৰত কিছুমান ঠাইত অসুবিধা হৈছে । আমাৰ চৰকাৰৰ আন্তৰিকতাৰ অভাব নাই । কিন্তু আমাৰ এই গোটেই আঁচনিখন ব্যৰ্থ কৰিবৰ কাৰণে এটা শক্তিয়ে ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাবে চেষ্টা চলাই আছে । চৰকাৰৰ ফালৰ পৰা যদি কুহিপাঠ আৰু ইয়াৰ অনুবাদ বিভিন্ন ইন্দিজেনাচ ভাষাত কিতাপ উলিওৱা নহয় তেতিয়াহলে বাহিৰৰ ব্যৱসায়ীয়ে ইমান টকা খৰচ কৰি কিতাপ উলিয়াতো সম্ভৱ নহয় বা নকৰে । আৰু সেই কাৰণেই এটা চক্ৰই চৰকাৰৰ এই আঁচনিখন ব্যৰ্থ কৰাৰ কাৰণে আপ্ৰাণ চেষ্টা চলাই আছে । একেটা বছৰতে আমি পাঠ্যপুথি উলিয়াবলগীয়া হৈছে তাৰোপৰি এই কিতাপ বিলাক বিভিন্ন ভাষাত অনুবাদ কৰি প্ৰকাশ কৰিবলগীয়া হৈছে আৰু একা-ডেমীক চিজনটোৰ ভিতৰতে এই কামখিনি কৰি উলিয়াবলৈ চেষ্টা কৰিছো । অকল নিগেটিভ চাইডটো চালেই নহব, নিগেটিভ দৃষ্টিভংগী লৈ সমালোচনা কৰিলে এইটো ইতিবাচক সমালোচনা নহব । ইয়াৰ পজিটিভ চাইডটোৱো চাব লাগে । ২ কোটি অকল নিম্ন শ্ৰেণীৰ কিতাপ মেকমিলনৰ দৰে উলিয়াই দিছো । সেই কাৰণেই মাননীয় সদস্য গৰাকীয়ে ভয়ংকৰ কাম কৰা হৈছে বুলি যি মন্তব্য দিছে সেইটো প্ৰকৃততেই ভয়ংকৰ হৈছে কিয়নো ইমান কম সময়ৰ ভিতৰত ইমান বৃহৎ সংখ্যাৰ কিতাপ উলিয়াই দিয়াতো সহজ নহয় । এই আঁচনিৰ জৰিয়তে এই কামখিনি কৰি তোলাৰ কাৰণেই আজি সমাজৰ আটা-ইতকৈ অৱহেলিত দুখীয়া শ্ৰেণীৰ জনসাধাৰণৰ লৰা-ছোৱালীয়েও বিনামূলীয়াকৈ

কিতাপ সংগ্ৰহ কৰিব পাৰিছে নহলে ৪০০।৫০০ টকা খৰচ কৰি সৰ্ব্বসাধাৰণ ৰাইজে কিতাপ কিনিব নোৱাৰে। প্ৰকৃততেই এইটো ভয়ংকৰ কাম কৰা হৈছে।

শ্ৰীহিৰণ্য বৰা : পইণ্ট অৰ অৰ্ডাৰ চাৰ, নিজে নিজৰ কথাখিনি কণ্ট্ৰাডিক্ট কৰিছে। তেনেহলে মেনেজিং ডাইৰেক্টৰক কিয় ট্ৰেন্সফাৰ কৰিছে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মন্ত্ৰী হিচাবে ইয়াৰ মোৰ দায়িত্ব আছে, বিধায়কক সুধি মই তেওঁক বদলি নকৰো, কাৰণ বিভাগীয় মন্ত্ৰী হিচাবে কোন জন বিষয়াই কেনেভাবে কাম চলাইছে মইহে জানো কিয়নো কিছুমান বিষয়াই এই আঁচনিখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বিধি-পথালি দিয়ে। অৱশ্যে তেখেতসকলে দিয়া পৰামৰ্শ বিলাক মই মন্ত্ৰী হিচাবে বিবেচনা কৰি চাম। কিন্তু কোনোবাই যদি সুবিধা আদায়ৰ কাৰণে আৰু ৰাজনৈতিকভাবে কোনোবা বিষয়া থকাটো বিচাৰে তেতিয়াহলে সেই কাম হবলৈ দিব নোৱাৰি আৰু নিদিও। পাঠ্যপুথি বিতৰণৰ ক্ষেত্ৰত অৱশ্যে এই চৰকাৰে ভালেমান সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে যদিও বেচি ভাগ কিতাপেই ছপা কৰি উলিওৱা হৈছে। সপ্তমমান শ্ৰেণীৰ সমাজবিদ্যা বিষয়ৰ কিতাপ পূৰ্ব্বাঞ্চল প্ৰিণ্টাৰ্চে ছপা কৰি উলিয়াবলৈ মেনুস্ক্ৰিপ্ট এটা নিৰ্দ্ধাৰিত তাৰিখত ছপা কৰি উলিয়াই দিব বুলি লৈ গৈছিল, কিন্তু তেওঁলোকে নিৰ্দ্ধাৰিত সময়ত কিতাপ উলিয়াই দিব নোৱাৰিলে, এতিয়া তেওঁলোকক ৰক্ষণা-বেক্ষন দিয়াৰ কথা ওলাইছে, গতিকে........

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই কোনো প্ৰেছক ৰক্ষণা-বেক্ষন দিয়াৰ কথা কোৱা নাই, মই এইটো প্ৰত্যাহ্বান জনাইছো।

(Many Honourable Members were on their ligs and wanted to draw the attention of the Honourable Speaker.)

শ্ৰীহিৰণ্য বৰা : তেতিয়াহলে এই প্ৰেছকেইটা ব্লেক লিষ্টেড কৰক।

Mr. Speaker : Order, order, this is a Zero Hour matter ; there cannot be any debate. Now, Shri Kamakhya Charan Choudhury.

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ অসম মাধ্যমিক শিক্ষক আৰু কৰ্ম্মচাৰী সন্থাৰ ৫-৫-৮৯ তাৰিখৰ পৰা হবলগীয়া অনিৰ্দিষ্ট

কালৰ ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত ৰাইজলৈ গোহাৰি সম্পৰ্কে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই বিষয়টো উত্থাপন কৰিব খুজিছো। যোৱা ৫-৩-৮৬ তাৰিখৰ পৰা আলোচনা কৰি প্ৰায়বোৰ দাবী সমাধানৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। এই বিষয়টোৰ সম্পৰ্কত দৈনিক অসমৰ যোৱা ৭ মে তাৰিখে মাধ্যমিক শিক্ষক কৰ্ম্মচাৰীৰ ধৰ্ম্মঘট বুলি গোহাৰি দিছে। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ মন্ত্ৰী, পেঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী আৰু শিক্ষা সচিবৰ লগত তেখেত সকলৰ আলোচনা এনেধৰণে হৈছিল— ৫-৩-৮৬, ৬-১০-৮৬ আৰু ২২-১১-৮৬ তাৰিখ। ২-৩-৮৭ তাৰিখে অসম বিধানসভাৰ সন্মুখত তেওঁলোকে গণ বিক্ষোভ কৰে। ১-৩-৮৭ তাৰিখে শিক্ষা মন্ত্ৰীয়ে দাবী সমাধানৰ প্ৰতিশ্ৰুতি দিয়াত সন্থাই ৩০-৫-৮৭ তাৰিখৰ ভিতৰত দাবী সমূহ কাৰ্য্যকৰী কৰণৰ সাপেক্ষে গণ বিক্ষোভ সাময়িক ভাবে স্থগিত ৰাখে। কিন্তু দাবী সমূহ সমাধান নকৰাত ২১-১-৮৮ তাৰিখে কৰ্ম্ম বিৰতি পালন কৰি শিক্ষা মন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আকৌ ৬-২-৮৮ তাৰিখে জিলা আৰু মহকুমা ভিত্তিত বিক্ষোভ প্ৰদৰ্শন কৰি মুখ্য মন্ত্ৰীলৈ স্মাৰক পত্ৰ দিয়ে। তেওঁলোকে ২২-৩-৮৮ তাৰিখে বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে। তাৰ পিচত ১২-৯-৮৮ তাৰিখৰ পৰা অনি-ৰ্দিষ্ট কালৰ বাবে ধৰ্ম্মঘট কৰে। কিন্তু ২০-৭-৮৮ তাৰিখে শিক্ষা মন্ত্ৰীৰ লগত আলোচনা হোৱাৰ পিচত ধৰ্ম্মঘট সাময়িক ভাবে স্থগিত ৰাখে। পুনৰ ৩১-৩-৮৯ তাৰিখৰ ভিতৰত দাবী সমূহ সমাধান নকৰাৰ বাবে ৫-৫-৮৯ তাৰিখৰ পৰা ধৰ্ম্মঘট কৰিবলৈ স্থিৰ কৰে। তেওঁলোকে অনিৰ্দিষ্ট কালৰ বাবে ধৰ্ম্মঘট কৰিছে। তেওঁলোকৰ দাবীৰ সম্পৰ্কে শিক্ষা মন্ত্ৰীৰ লগত আলোচনা হৈছিল আৰু প্ৰতি-শ্ৰুতিও দিয়া হৈছিল। কি কাৰণত শিক্ষক কৰ্ম্মচাৰী সকলক আজিলৈকে ধৰ্ম্মঘট কৰিবলৈ আগ বঢ়াই দিয়া হল ?

অধ্যক্ষ মহোদয়, বৰ্ত্তমান অসমত স্কুলৰ সংখ্যা হল ২৯৪৯ খন আৰু ছাত্ৰ ছাত্ৰীৰ সংখ্যা হল ৮,০৮,১৮৬ জন। আকৌ শিক্ষকৰ সংখ্যা হল ৩৪,৫৬৮ জন। এইটো ষ্টেটিক্‌ষ্টিকৰ পৰা পোৱা হৈছে। এই শিক্ষক সকল আজি ৰাজ পথলৈ ওলাই আহিছে। ৫-৫-৮৯ তাৰিখৰ পৰা শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ পৰিবৰ্ত্তে তেওঁলোকে ৰাস্তাত শ্লোগান দিব লগা হৈছে। মই কিতাপৰ বিষয়ে নকওঁ, কিন্তু গোহাৰিত যদি কথাটো সত্য হয় চৰকাৰে বিবেচনা কৰিব

লাগিছিল। এই বিষয়ে শিক্ষা মন্ত্ৰীৰ লগত ৫-৩-৮৬, ৬-১০-৮৬ আৰু ২২-১১-৮৬ তাৰিখে আলোচনা হৈছিল আৰু লিখিত ভাবে প্ৰতিশ্ৰুতিও পোৱা গৈছিল। সচাকৈ যদি লিখিত প্ৰতিশ্ৰুতি দিছিল, কি কাৰণে শিক্ষক সকলে আন্দোলন কৰিব লগা হল ? ২০-৭-৮৮ তাৰিখে শিক্ষা মন্ত্ৰীৰ লগত আলোচনা হল আৰু দাবী সমূহৰ ক্ষেত্ৰত অনিৰ্দিষ্ট ধৰ্ম্মঘট স্থগিত ৰখা হল। এনে ধৰণৰ ব্যৱস্থা লোৱাৰ কাৰণ কি জানিব পৰা নাই।

অধ্যক্ষ মহোদয়, শিক্ষক কৰ্ম্মচাৰী সকলৰ পেন্‌চন, গ্ৰেচুইটি আদিৰ শীঘ্ৰে ব্যৱস্থা কৰিব লাগে। তেওঁলোকে প্ৰভিজনেল পেন্‌চন পাই আছে। কিন্তু তেওঁলোকক স্থায়ী পেন্‌চন দিয়া ব্যৱস্থা কৰিব লাগে। তেওঁলোকে ফেমিলি পেন্‌চন পোৱা নাই। কি কাৰণত তেওঁলোকে ফেমিলি পেন্‌চন পোৱা নাই ? তেওঁলোকক ফেমিলি পেন্‌চন দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি ৬০ বছৰ বয়স পূৰ্ণ হোৱাৰ আগতে তেওঁলোকক পেন্‌চন দিব লাগে। আমাৰ ৬ বছৰীয়া আন্দোলনৰ সময়ত অসমৰ ছাত্ৰই নানা ধৰণে নিৰ্জাতিত হল। আৰু শিক্ষাৰ ক্ষতি হল, আজি আকৌ ছাত্ৰ-ছাত্ৰী শিক্ষকৰ ধৰ্ম্মঘটৰ বাবে শিক্ষাৰ ক্ষতি হব ধৰিছে।

অধ্যক্ষ মহোদয়, মই কিতাপৰ বেমেজালিৰ কথা উল্লেখ কৰিব খোজা নাই। এই বিষয়ে আগতে আলোচনা হৈ গৈছে। শিক্ষক সকলে কোঠাৰ পৰা ওলাই আহি ৰাজপথলৈ যোৱাৰ কাৰণ কি এই বিষয়ে শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু শিক্ষক সকলে যাতে স্কুললৈ গৈ শিক্ষা ব্যৱস্থা লব পাৰে তাৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীবলভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, মাধ্যমিক শিক্ষক কৰ্ম্মচাৰীৰ যোৱা ৫ তাৰিখৰ পৰা যি ধৰ্ম্মঘট চলি আছে সেইটো সচাকৈ অসমৰ ছাত্ৰ আৰু ৰাইজৰ কাৰণে বৰ দুৰ্ভাগ্যজনক হৈ পৰিছে। তেওঁলোকৰ কথাখিনি আমাৰ মাননীয় সদস্য শ্ৰীকামাখ্যা চৰণ চৌধুৰী ডাঙৰীয়াই বহলাই ব্যাখ্যা কৰিছে। তেওঁলোকৰ কথাৰিলাক সদায় আলোচনা কৰি থকা হৈছে। মই ভাবো শিক্ষা বিভাগৰ দোষৰ কাৰণেই আজি শিক্ষকসকলে ধৰ্ম্মঘটলৈ আগবাঢ়ি

* Speech not corrected.

ওলাই আহিব লগা হৈছে। মই যোৱা ২৭/৪/৮৯ তাৰিখে সন্থাৰ সভাপতি আৰু সম্পাদকক লগ পাইছিলো। তেওঁলোকে কৈছে এই ধৰ্ম্মঘটৰ বাবে শিক্ষা মন্ত্ৰীয়ে আলোচনা কৰিছে। তাৰ পিচত আকৌ ২৮/৪/৮৯ তাৰিখে শিক্ষা সচিবৰ লগতো এই বিষয়ে আলোচনা কৰিছে। আগতে চৰকাৰে যি ধৰণৰ প্ৰতিশ্ৰুতি দিছিল আৰু সেই কথা ২/৫/৮৯ তাৰিখে মন্ত্ৰীয়ে সমাধানৰ আশ্বাস দিয়াৰ কথা আছিল। কিন্তু নিদিয়াৰ কাৰণে আজি তেওঁলোকৰ ধৰ্ম্মঘট হৈছে। যদি ২ তাৰিখে কথা দিলেহেঁতেন এনেকুৱা পৰিস্থিতি নহ'লহেতেন। ইয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। দুই তাৰিখে এক্‌জামিনেশ্বন চেণ্টাৰত প্ৰায় আঢ়ৈ বজালৈ বাট চাই থকা হৈছে। এই ক্ষেত্ৰত সম্পাদক গৰাকীয়ে নিজে মন্ত্ৰী মহোদয়ক লগ ধৰিব বাসস্থানত গৈছে। তাৰ পিচত ২৭ তাৰিখে সেই কথা নিদিলে আৰু সদায় অৱহেলা কৰা হৈছে। এইটো কি কাৰণে হৈছে মন্ত্ৰী মহোদয়ে বিবৃতি দিব। এই ক্ষেত্ৰত শিক্ষা বিভাগে গাফিলটি কৰিছে, পদে পদে অবহেলা কৰিছে। ভৱিষ্যতে এনেকুৱা যাতে নঘটে তাৰ বাবে মই অনুৰোধ কৰিছো। তেখেতসকলে এনেকুৱা চিঠি দিছে, সেইখন ৬ তাৰিখে পাইছে। সেই খনতো কোৱা হৈছে যে আপোনালোকৰ কথাবিলাক আগৰ নিচিনাই কৰা হ'ব। এই চিঠি কি কাৰণত ৬ তাৰিখে পাব লগা হ'ল। দুই তাৰিখে কিয় চিঠি দিয়া নহ'ল। এইখিনি যাতে মন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত জনায় তাৰ বাবে অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাধ্যমিক শিক্ষক কৰ্ম্মচাৰীসকলে আন্দোলনৰ পথ লব লগা হোৱাৰ বাবে আমি অতি দুৰ্ভাগ্যজনক বুলি ভাবিছো। শিক্ষক সকলে নিজৰ দাবী পূৰণৰ বাবে আন্দোলনৰ পথ লৈছে। চৰকাৰে শিক্ষকসকলৰ সহযোগ বিচাৰিছে আৰু তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ কাৰণে চৰকাৰে তৎপৰতাৰে কাম কৰি আছে। মাধ্যমিক শিক্ষক কৰ্ম্মচাৰী সন্থাৰ ভালেমান দাবী আছিছে, এই কথাটো আমি স্বীকাৰ কৰি আহিছো। কিন্তু সমস্যা সমাধানত ভালেমান অসুবিধা আছে। এই সমস্যা তৎকালীন ভাবে সমাধান কৰাটো সম্ভৱ নহয়। সেই কাৰণে তেখেত

* Statement not corrected.

সকলৰ লগত আলোচনা কৰিছো। তেখেত সবলে আলোচনালৈ আহিছে আৰু আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান হোৱাৰ কাৰণে প্ৰচেষ্টা কৰিছো। ২৭ তাৰিখে যি আলোচনা কৰিছিলো তেখেত সকলে লিফলেট উলিয়াইছে। সেইখিনি ভাল কাম কৰা নাই বুলি কৈছো। আমি আলোচনাত যি সিদ্ধান্ত লৈছিলো সেইবোৰ কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আৰম্ভনীতে মই উল্লেখ কৰিব বিচাৰিছো যে আমাৰ মাধ্যমিক স্কুলৰ শিক্ষক আৰু কৰ্মচাৰী সকলে যোৱা ৫ তাৰিখৰ পৰা যি অবিৰত ধৰ্মঘট আৰম্ভ কৰিছে সি অতি দুৰ্ভাগ্যজনক। আমাৰ শিক্ষক সকলে তেওঁলোকৰ দাবী পূৰণৰ কাৰণে নিজৰ দায়িত্বৰ পৰা আতৰি গৈ সেই দাবী সাব্যস্ত কৰা আৰু তাক কাৰ্য্যকৰী কৰাৰ কাৰণে আন্দোলনৰ পথ লওক সেইটো আমি বিচৰা নাই। আমি সদাই এটা কথা কৈ আহিছো যে আমাৰ শিক্ষক, কৰ্মচাৰী সকলৰ অভাব অভিযোগ বোৰ পূৰণ কৰাৰ নিমিত্তে চৰকাৰ সদাই সচেষ্ট হৈ আহিছে আৰু তেওঁলোকক চৰকাৰৰ সহযোগী হিচাবে তেওঁলোকৰ অভাব-অভিযোগবোৰ কেনেকৈ আতৰ কৰিব পাৰি তাৰ কাৰণে চৰকাৰে সদাই চেষ্টা কৰি আহিছে। মাধ্যমিক শিক্ষক, কৰ্মচাৰী সন্থাৰ বহুতো দাবী আৰু সমস্যা আছে আৰু তেওঁলোকৰ এই সমস্যা বোৰৰ বেছি ভাগেই আমি স্বীকাৰ কৰি লৈছো। তেওঁলোকৰ এই সমস্যা বোৰৰ ভিতৰত বিশেষকৈ যেতিয়াৰ পৰা স্কুল বিলাক প্ৰাদেশীকৰণ কৰা হল তেতিয়াৰ পৰাহে তেওঁলোকৰ কিছুমান সমস্যাৰ সৃষ্টি হল যদিও সেই বোৰ আমি পৰ্য্যায়ক্ৰমে সমাধান কৰিবলৈ হাতত লৈছো। কিন্তু তেওঁলোকে দাবী কৰা ধৰণে এই সমস্যাবোৰ দুই এদিনতে সমাধান কৰিব পৰা বিধৰ নহয়। সেই কাৰণে এই সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে তেওঁলোকৰ লগত আমি বিভিন্ন সময়ত আলোচনা কৰি আহিছো আৰু সেই আলোচনাৰ মাধ্যমেৰে তেওঁলোকৰ সমস্যাবোৰ মীমাংসা কৰাৰ কাৰণে প্ৰচেষ্টা চলাই আহিছো। যোৱা ৫ তাৰিখৰ পৰা তেওঁলোকে যি ধৰ্মঘটৰ আহ্বান দিছিল তাৰ আগতে আমি তেওঁলোকক পুনৰ আলোচনালৈ নিমন্ত্ৰণ জনাইছিলো, কিন্তু তেওঁলোকে সেই আলোচনাত মান্তি নহল – কাৰণ, তেওঁলোকে আমাক জনালে যে যোৱা মাহৰ ২৭ তাৰিখে যি আলোচনা হৈছিল সেই আলোচনাৰ সিদ্ধান্ত মৰ্মে চৰকাৰে হেনো কাম কৰা নাই। কিন্তু মই সদনক এটা কথা জনাব খোজো যে যোৱা মাহৰ ২৭ তাৰিখে হোৱা আলোচনাত

যিবোৰ সিদ্ধান্ত লোৱা হৈছিল সেই মৰ্মে ইতিমধ্যে কাম কৰা হৈছে আৰু যিবোৰ কামত সময় লয় সেইবোৰ কাম সোনকালে কৰাৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছে। তেখেতসকলৰ মূল দাবী হৈছে প্ৰাদেশীকৃত বিদ্যালয় সমূহৰ যিবোৰ আণ্ডাৰ গ্ৰেজুৱেট পদত গ্ৰেজুৱেট শিক্ষকে কাম কৰি আছিল তেওঁলোকক গ্ৰেজুৱেট পদলৈ উন্নীত কৰি সেই পদ বিলাক চৰকাৰীকৰণ কৰিব লাগে। এই ক্ষেত্ৰত মই কব খোজো যে এই স্কুল সমূহ প্ৰাদেশীকৰণ কৰাৰ পিছত মুঠ পদৰ সংখ্যা হল ১৬,১০০ টা। কিন্তু এই পদ সমূহ কোন পদৰ বিপৰীতে দিয়া হৈছিল সেইবোৰ উলিওৱাত কিছু সময়ৰ প্ৰয়োজন হোৱাৰ কাৰণে আমি আটাইবোৰ পদৰ ক্ষেত্ৰতে সিদ্ধান্ত লব পৰা নাই যদিও ইতিমধ্যে ১৫,৯৭৬ টা পদৰ ক্ষেত্ৰত সিদ্ধান্ত লৈ চৰকাৰী কৰণ কৰা হৈছে আৰু বাকী থকা পদ কেইটাৰ কাৰণেও সঞ্চালকৰ পৰা তথ্য পাতি সংগ্ৰহ কৰা হৈছে আৰু বাকী থকা কাম খিনিও অতি কম সময়ৰ ভিতৰত কৰিব পৰা হব বুলি মই আশ্বাস দিব পাৰো। পেঞ্চনৰ ক্ষেত্ৰত তেখেতসকলে যি দাবী উত্থাপন কৰিছে সেই বিষয়েও চৰকাৰ আজি ডেৰ বছৰে এ, জি,ৰ লগত যোগা-যোগ কৰি আছে আৰু এই ক্ষেত্ৰত নানা খেলি-মেলি থকাৰ বাবে এ, জি,য়ে এই কামবোৰ হাতত লব নোৱাৰে বুলি জনোৱাৰ কাৰণে সেই ক্ষেত্ৰত আমি এটা মিমাংসালৈ আহিব পৰা নাই। সেই কাৰণে শিক্ষক সকলৰ পেঞ্চনৰ বিষয়টো আমাৰ নিজৰ দায়িত্ব বুলি লৈ প্ৰশাসনীয় ভাবে ব্যৱস্থা হাতত লৈছো আৰু তাৰ কাৰণে সচিবালয়, সঞ্চালকৰ বাহিৰেও প্ৰত্যেক জিলাতে পৰিদৰ্শকৰ কাৰ্য্যালয়ত এই কামবোৰ সুচাৰুৰূপে আৰু সোনকালে কৰি তুলিবৰ কাৰণে এটা পেঞ্চন চেল খোলাৰ ব্যৱস্থা কৰিছো। আমাৰ শিক্ষক সকলে এই ক্ষেত্ৰত তেওঁলোকৰ প্ৰাপ্যৰ পৰা যাতে বঞ্চিত নহয় তাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ আৰু এটা ডাঙৰ সমস্যা হৈছে যি সকল শিক্ষকে ৫৮ বছৰ পাৰ হোৱাৰ পিচত অভাৱষ্টে হৈছিল তেওঁলোকৰ সেই অভাৱষ্টে হোৱা সময়খিনি নিয়মীয়াকৰণ নকৰালৈকেও পেঞ্চন আৰু অন্যান্য পাব লগীয়া টকা পইচাৰ ক্ষেত্ৰত কিছু অসুবিধা আছে আৰু তাকে কৰিবলৈ যাওঁতে আমি মন্ত্ৰী সভাৰ অনুমোদন সাপেক্ষেহে কৰিব পাৰিম। এই ক্ষেত্ৰতো আমি ইতিমধ্যে মন্ত্ৰী সভাৰ পৰা অনুমোদন লোৱাৰ ব্যৱস্থা কৰিছো আৰু সেইটো হৈ উঠিলেই তেওঁলোকৰ এই অসুবিধাবোৰ নাইকিয়া হব বুলি মই ভাবো। অৱশ্যে ৬০ বছৰ পূৰ্ণ

হোৱা শিক্ষক সকলৰ চি, পি, এফ,ৰ প্ৰাপ্য ধনখিনি আদায় দিয়াৰ যিহেতু ৰাজ্য চৰকাৰৰ দায়িত্ব, গতিকে সেইখিনি ধন আদায় দিয়াৰ নিমিত্তে তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে আৰু সেই তথ্যপাতি পালেই তেওঁলোকৰ সেইখিনি ধন আদায় দিব পৰা হব। ইয়াৰোপৰি তেখেত সকলৰ আৰু এটা দাবী হৈছে যিবিলাক কাৰ্য্যালয় সহায়ক তেওঁলোক গোটেই জীৱনটোৱে নিম্ন বৰ্গতে থাকিব লগা হোৱাৰ কাৰণে সেই পদ জ্যেষ্ঠ পদলৈ পদোন্নতি দিয়াৰ বাবে দাবী জনাইছে। এই খিনিতে মই এটা কথা কও যে আমাৰ বেছিভাগ স্কুলতে মাত্ৰ একোজন-কৈহে কাৰ্য্যালয় সহায়কৰ পদ থকাৰ কাৰণে আৰু সেইটোও নিম্নবৰ্গৰ হোৱা হেতুকে তেওঁলোকক জ্যেষ্ঠ বৰ্গলৈ পদোন্নতি দিয়াত অসুবিধাই দেখা দিছে। সেই কাৰণে মই বিভাগক এটা পৰামৰ্শ দিছো যে এনে পদ বিলাকৰ এটা হিচাব উলিয়াব লাগে আৰু ইয়াৰ সৰ্ব্বমুঠ পদৰ শতকৰা ৪০ ভাগ পদ জ্যেষ্ঠ বৰ্গৰ সহায়কৰ পদ কৰিব পাৰিলে জ্যেষ্ঠতাৰ ভিত্তিত তেওঁলোকৰ কিছু সংখ্যক লোকক পদোন্নতি দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

অধ্যক্ষ মহোদয়, এই শিক্ষক সকলৰ আৰু এটা দাবী হৈছে তেওঁলোকৰ শিক্ষাগত অৰ্হতা অনুযায়ী তেওঁলোকক দৰমহা দিব লাগে। তেওঁলোকে দাবী কৰিছে যে গ্ৰেজুৱেট পোষ্টৰ বিপৰীতে যি সকল বি, টি, পাছ শিক্ষক আছে তেওঁলোকক দুটা আগতীয়া বছৰেকীয়া বৃদ্ধি দিব লাগে। কিন্তু আমি যদি এটা কথা লক্ষ্য কৰো বহুতো গ্ৰেজুৱেট পোষ্টৰ বিপৰীতে এম, এ,-এম এচ্‌ চি পাছ কৰা শিক্ষক আছে। সেইদৰে বহুতো শিক্ষকৰ পদত পি, ইউ, বি-এ, এম-এ পাছ কৰা লোক আছে অথচ সেই পদটো হয়তো মেট্ৰিকৰ সমপৰ্য্যায়ৰহে। গতিকে তেওঁলোকে যদি নিজৰ শিক্ষাগত অৰ্হতাৰ ওপৰত ভিত্তি কৰি তেওঁ-লোকৰ দৰমহা বিচাৰে তেতিয়াহলে সেই পদবোৰত তেনে ধৰণে মজুৰী দিয়াত চৰকাৰৰ অসুবিধা হব। আজি আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে আমি প্ৰায়বোৰ স্কুলতে গ্ৰেজুৱেট শিক্ষক দিয়াৰ কাৰণে চেষ্টা কৰিব লগা হৈছে আৰু সেই কাৰণে এই গোটেই বস্তুটোকে নকৈ বিবেচনা কৰিব লগা হৈছে যাতে আমি লোৱা পদক্ষেপত কোনো শিক্ষক কৰ্ম্মচাৰীয়ে লোকচান কিম্বা অসুবিধাত নপৰে।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে মন্ত্ৰী মহোদয়ে যি বিবৃতি দাঙি ধৰিছে তাত প্ৰত্যেকটো বিষয়তে

তেখেতে অমুকটো কৰা হল তমুকটো কৰা হল বুলি ব্যাখ্যা দাঙি ধৰিছে। তেওঁলোকৰ বিভিন্ন দাবী সমূহৰ সম্পৰ্কত কেইবাদিনো আলোচনা কৰা হৈছে বুলিও জানিব পৰা গৈছে। কিন্তু মোৰ প্ৰশ্ন হল যদি চৰকাৰে তেওঁলোকৰ লগত এই বিষয় সমূহত আলোচনা কৰিছিল আৰু সেই আলোচনাত কিবা মীমাংসাত উপনীত হৈছিল তেনেহলে তেওঁলোকে কিয় আন্দোলনৰ পথ ললে? ইয়াৰ দ্বাৰা তেওঁলোকে চৰকাৰক হেয় প্ৰতিপন্ন কৰা নাই নে? ঠিক তেনেকৈ এই আলোচনাত চৰকাৰৰ ফালৰ পৰা তেওঁলোকক কিবা প্ৰতিশ্ৰুতি দিয়া হৈছিল নেকি? যদি তেওঁলোকক কোনো প্ৰতিশ্ৰুতি দিয়া নাছিল তেনেহলে তেওঁলোকে আন্দোলনৰ পথ নলওতেই কিয় জনাই দিয়া হোৱা নাছিল? যদি তেওঁলোকক কোনো প্ৰতিশ্ৰুতি দিয়া নাছিল তেনেহলে তেওঁলোকে এনে দাবী উত্থাপন কৰিছে কিয়? এই বিষয়তহে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমি এই শিক্ষক কৰ্ম্মচাৰী সকলৰ দাবীসমূহৰ সম্পৰ্কত যোৱা মাহৰ ২৭ তাৰিখেও আলোচনা কৰিছো আৰু সেই আলোচনাত কিছুমান বিষয়ত সিদ্ধান্ত লোৱা হৈছিল। সেই আলোচনাত তেওঁলোকৰ যিবিলাক সমস্যাৰ ওপৰত মীমাংসা নহল সেইবিলাকৰ কিছুমান দৰমহা আয়োগৰ লগত সম্পৰ্ক থকা বিষয়। তেওঁলোকৰ সেই দাবীসমূহো আমি আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰিব পাৰিম বুলি সিদ্ধান্ত লৈছিলো আৰু সেই মৰ্ম্মে তেখেতসকলে আন্দোলনৰ পথ প্ৰত্যাহাৰ কৰিব লাগে বুলি আহ্বান জনোৱা হৈছিল। কিন্তু তাৰ পিচতো যোৱা ৫ তাৰিখৰ পৰা তেখেতসকলে আন্দোলন কৰা দেখা গৈছে। অৱশ্যে ২৭ তাৰিখে অনুস্থিত হোৱা আলোচনাৰ কাৰ্য্য বিৱৰণীখন তেওঁলোকক দিওতে কিছু পলম হৈছিল— কিয়নো মাজত দুদিন কাৰ্য্যালয় বন্ধ থকা হেতুকে ২ তাৰিখৰ আগতে তেওঁলোকক সেইখন দিব পৰা নগল। সেই কাৰণেই তেওঁলোকে আন্দোলনৰ পথ লৰ নালাগে আৰু মই এতিয়াও তেখেতসকলক আহ্বান জনাইছো তেওঁলোকে যেন এই আন্দোলনৰ পথ প্ৰত্যাহাৰ কৰি তেখেত সকলৰ যিবোৰ সমস্যাৰ কাৰণে আমি এতিয়াও মীমাংসাত উপনীত হব পৰা নাই সেইবোৰ পুনৰ আলোচনাৰ মাজেৰে সমাধান কৰি ৰাজ্যখনত এটা সুস্থ শিক্ষাৰ পৰিবেশ সৃষ্টি কৰাত সকলোৱে প্ৰচেষ্টা আগবঢ়াব লাগে।

## ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker : Honourable Members may kindly recall that in the deliberations of Starred questions No. 326 dated 24.4.89. asked by Honourable Members Shri Phani Bhusan Choudhury, the Minister in-charge of Municipal Administration had to face serious allegations that out of the total amount sanctioned to the various Town Committees 20% is to be Paid to Dispur. It has also been alleged by Honourable Shri Dwigen Bora and others that Town Committees had adopted some resolutions to that effect. This is no doubt very serious allegation and Honourable Chief Minister very fairly conceded to the demands of the House to constitute a High-power Committee to enquire into the allegations.

Accordingly, I do hereby constitute a Committee with the following Honourable Members :

1. Shri Dina Bandhu Choudhury — Chairman
2. Shri Pradip Gogoi — Member
3. Shri Jagat Hazarika — Member
4. Shri Amritlal Basumatary — Member
5. Shri Abdul Muhib Mazumdar — Member

The Committee will submit its report within three months time ;

Honourable Members may kindly recall the deliberations in a zero hour matter on 28th April, 1989 regarding a news-item published in Dainik Asom dated 19th of April 1989 under the cap'tions চৈডফেডৰ যোগান ধৰা অখাদ্য চাউল জব্দ initiated by Honourable Member Shri Kamala

Kalita, in which Honourable Members Shri Nagen Sarma, Ramendra Narayan Kalita, Kumar Deepak Das, Girin Barua, Hiranya Bora and others took part.

The allegations are very serious against the STATFED Statfed allegedly engaged 58 parties to purchase rice for the current year with out issuing any public notices thereby, arousing the suspicions of the Honourable Members of fould play. Adding fuel to the fire, it has also come to light, that over and above supplying rice unfit for human consumption, the Statfed was supplied 13 thousand quintals of rice in place of an order for 17 thousand quintals thereby cheating the Statfed a sum of Rs. 13.50 lakhs in this deal alone by short supplying. Inspite of the fact that there is a Quality Control Deptt. in the Statfed named by more than a hundred employees the supplier could allegedly manage to supply rice unfit for human consumption over and above the alleged short supply worth about 14 lakhs. The questions agitating the minds of the Honourable Members of the August House is what is behind this suspicious deal-who are involved in it and what interest motivated it ? These natural questions demand reasonable answers in the public interest, and if so, how to get it correctly and impartially ?

After going through the proceedings with due seriousness it deserves, I have no other alternative then to come to the conclusion that in pursuance of the strong demands from almost all the Honourable Members belonging to both Treasury and Opposition benches the

formations of a House Committee is the only way out to remove the doubts created in the minds of the public at large particularly to bring the persons involved in this alleged scandulous affairs to the light, in the greater interest of the functioning of our democratic system of Government. The fourth estate also is seized of the matter as reflected in many editorials and news-items.

For the greater interest of a free and fair enquiry the House Committee which I propose to form should submit an interim report on the floor of the House within in 20 days so that the persons who are prima facie found to be involved can be removed by the Government who are in the help of affairs in connection with this scandulous deal as moral and constitutional responsibility demands.

The Committee will be formed with the following Honourable Members.

1. Shri Nagen Sarma — Chairman
2. Shri Ramendra Narayan Kalita — Member
3. Shri Dwigen Bora — Member
4. Shri Kamala Kalita — Member
5. Shri Hemen Das — Member
6. Shri Hiranya Bora — Member
7. Shri Aminul Islam — Member

The House Committee will confine itself to the following terms of reference :

(a) Whether tenders were duly called for as per norms ?

(b) Whether the procedure adopted by STATFED in

selecting the suppliers on whom supply order of the rice was placed was adequate and appropriate;

(c) Whether quality check was made before making such a huge payment involving public exchequer ?

(d) Whether short supply was made as alleged ?

(e) Whether the process adopted by STATFED in making payments against supply was in conformity with normal trade practices;

(f) Who are the persons allegedly involved in this alleged scandalous deal ?

(g) Whether the steps taken by STATFED on detection of the case were adequate to safeguard the interest of the organisation.

The Committee will submit its final report within three months time.

## MATTER UNDER RULE 301

Mr. Speaker : Now item No. 3— further discussion on the Motion moved by Shri Ramendra Dey. (Voices : there is item No. 2 Sir). Yes, now item No. 2. Shri Ratneswar Sarkar please.

* শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয়ৰ কথা সদনত উত্থাপন কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, অশোক কাগজকল স্থাপন হয় ১৯৭০ চনত আৰু তাৰ উৎপাদন আৰম্ভ হয় ১৯৭৬ চনত। ভাৰতবৰ্ষ ভিতৰতে ই এটা উল্লেখযোগ্য প্ৰতিষ্ঠান হিচাপে সুনাম অৰ্জন কৰিছিল। ইয়াৰ বাবে প্ৰথম খৰচ হয় ৪৭ কোটি টকা আৰু শেষত সৰ্ব্বমুঠ খৰছ হয় ১৩০ কোটি টকা। ইয়াত কাম কৰা কৰ্মচাৰীৰ সংখ্যা আছিল ১৮০০ আৰু আগতে উক্ত

* Speech not corrected .

কলটোৰ লগত শাপ্লাই ঠিকা নানাধৰণৰ ব্যৱসায়ৰ লগত পৰোক্ষ বা অপ্ৰত্যক্ষ-ভাবে জৰিত লোকৰ সংখ্যা হৈছে ৩০০০ জন। ১৯৭৯ চনত যেতিয়া অসম আন্দোলন আৰম্ভ হয় তেতিয়াৰ পৰা ১৯৮৩ চনলৈ এই কৰ্ম্মচাৰী সকলে আন্দোলন সমৰ্থন কৰিছিল, কলটো বন্ধ হোৱাৰ ইও এক কাৰণ। অৱশেষত ১৯৮৩ চনৰ ২৫ মাৰ্চত এই কলটো বন্ধ হয়। এই বন্ধৰ পৰিপ্ৰেক্ষিতত এই মিলটোত কাম কৰি থকা কৰ্ম্মচাৰীৰ পৰা ৬৫০ জন কৰ্ম্মচাৰীক অব্যাহতি দিয়া হৈছে। এতিয়া এই মিলটোত ৪৪০ জন কৰ্ম্মচাৰীয়ে কাম কৰি আছে আৰু তেওঁলোকৰ অৱস্থাও পানীত হাঁহ নচৰা হৈছে। এই অব্যাহতি দিয়া কৰ্ম্মচাৰী সকলক বেলেগ বেলেগ বিভাগত নিযুক্তি বা লোন আদি দিয়া হব বুলিও উদ্যোগ বিভাগৰ আয়ুক্তই জাননী যোগে জনাইছিল কিন্তু আজিলৈ কাৰ্য্যকৰী হোৱা নাই। অধ্যক্ষ মহোদয়, নামনি অসমৰ এই বৃহৎ উদ্যোগটো আজিও কিয় বন্ধ হৈ আছে ৰাইজে জানিব বিছাৰিছে। যি সময়ত নামনি অসমৰ একমাত্ৰ উদ্যোগটো খুলিব নোৱাৰিলে সেই সময়তে ঠিক আন এটা কাগজ কল খোলা হৈছে। নামনি অসমৰ সমুহ ৰাইজ তথা ছাত্ৰ-সন্থাই এই কাগজ কল খুলিব লাগে বুলি আন্দোলন কৰি আছে, মাজে সময়ে উদ্যোগ মন্ত্ৰীৰ লগত আলোচনাও কৰি আছে তথাপি কিন্তু অশোক কাগজকল খোলাৰ কোনো লক্ষণ দেখা নাই। তেনে অৱস্থাতে যিহেতু অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল মহন্ত, উদ্যোগ মন্ত্ৰী গুণীন হাজৰীকা আৰু আগৰ উদ্যোগ মন্ত্ৰী শ্ৰীদিগেন বৰা নগাওঁৰ লোক আছিল সেই কাৰণে নগাওঁত আৰু এটা কাগজকল অনা হ'ল। অশোক কাগজ কল খুলিব নোৱাৰা কাৰণে তাত যিবিলাক মুল্যবান সামগ্ৰী আছিল সেই মুল্যবান সামগ্ৰী বিলাক এতিয়া তাৰ নিৰাপত্তা বাহিনীয়ে চুৰি কৰি আছে। সেই কাৰণে এই বিষয়টো মই উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো হয় অশোক কাগজকল খোলাৰ প্ৰতিশ্ৰুতি দিয়ক আৰু যদি নোৱাৰে তেনেহলে বন্ধ কৰি দিয়াৰ ঘোষণা কৰক। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ ৩০১ নং নিয়ম অনুসৰি যি জাননী দিছে সেই জাননীৰ সন্দৰ্ভত মই তলৰ কথাখিনি জনাব বিচাৰিছো।

---

* Speech not corrected.

-তাৰ আগতে মই এটা কথা পৰিস্কাৰকৈ কব বিচাৰিছো যে মুখ্যমন্ত্ৰী বা উদ্যোগ মন্ত্ৰী নগাওঁৰ হোৱা কাৰণে চিংত কাগজকল স্থাপন কৰা হৈছে আৰু নামনি অসমৰ কলটো খুলিবলৈ চেষ্টা কৰা নাই এই কথা সচা নহয়। চিংৰ কলটো সম্পূৰ্ণ বেলেগ বস্তু আৰু ই পৃথিৱীৰ ভিতৰতে নতুন কৌশলৰ পেপাৰ উদ্যোগ।

অসম কাগজ কলৰ যোগীঘোপা গোটটোৰ ১৯৭৬ চনত বাণিজ্যিক উৎপাদন আৰম্ভ হয়। প্ৰথম তিনি বছৰ লাভজনক উৎপাদন হৈছিল যদিও পিচত বিজুলী যোগানৰ অনিয়ম, পৰ্য্যাপ্ত পৰিমানৰ কেচা সামগ্ৰীৰ অভাৱ, পৰিবহনৰ আসোৱাহ আদিৰ বাবে গোটটোৰ উৎপাদন ক্ৰমান্বয়ে নিম্নমূখী হয় আৰু ফলত ১৯৮৩ চনত গোটটোৰ উৎপাদন বন্ধ ৰাখিব লগা হয়।

১৯৮৫ চনৰ পৰা গোটটো কাৰ্য্যক্ষম কৰি পুনৰজ্জীৱিত কৰিবলৈ চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰি থকা হৈছে। দীৰ্ঘম্যাদি ভাবে অশোক কাগজ কলটো পুনৰজ্জীৱিত কৰণৰ বাবে অসম চৰকাৰে অবিৰাম ভাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে। ১৯৫১ চনৰ ইণ্ডাষ্ট্ৰিজ (ডেভেলপমেণ্ট এণ্ড ৰেগুলেচন) এক্টৰ বিধি অনুযায়ী কেন্দ্ৰীয় চৰকাৰে যোগীঘোপা গোটটোৰ পৰিচালনাৰ ভাৰ নিজৰ হাতলৈ আনি সেই একে আইনৰ অধীনত হিন্দুস্থান পেপাৰ কৰ্পোৰেচনক অনুমোদিত ব্যক্তি হিচাবে নিযুক্তি দিবলৈ কৰা অসম চৰকাৰৰ অনুৰোধ কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে মানি লোৱা নাই। অসম চুক্তিৰ সংশ্লিষ্ট দফাবোৰত দিয়া প্ৰতিশ্ৰুতি মতে অশোক কাগজ কলৰ কল পুনৰ্জ্জীৱিত কৰণৰ বাবে দৰ্কাৰ হোৱা সমুদায় ধন আৰু লগতে গোটটোৰ অতীত দায়ৰ ভাৰ বহন আৰু বিভিন্ন অনুদান/ৰেহাই আদি অশোক কাগজ কলৰ নামত শীঘ্ৰে মঞ্জুৰ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা প্ৰয়োগ কৰি আছে।

তাত ফাইনেনচিয়েল কমিটমেণ্ট কিমান হব সেইটো দিয়া নাই। এতিয়া ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আমি মন্ত্ৰীসভাৰ আৱৰকপত্ৰ পৰ্য্যন্ত প্ৰস্তুত কৰিছো আৰু বিষয়টো শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হব। মোৰ বোধেৰে ১৭ তাৰিখৰ ভিতৰত কিবা এটা সিদ্ধান্ত হব। অৱশ্যে ইয়াৰ লগত বাইফাৰকেচনৰ কথাও জৰিত আছে। বিষয়টো পৰীক্ষা কৰিবলৈ দিয়া হৈছে।

উপযুক্ত নিৰাপত্তামূলক আৰু ৰক্ষণা-বেক্ষনমূলক কাম-কাজৰ বাবে আৱশ্যকীয়

ধনৰ অভাৱৰ ফলত যন্ত্র-পাতি ক্ষতিগ্রস্ত হোৱা আৰু মূল্যবান সামগ্রী কিছু-মানৰ চুৰি হোৱা ঘটনা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। কাগজ কলৰ চৌহদত নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰু চুৰি ৰোধ কৰিবলৈ গোৱালপাৰা জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক নির্দ্দেশ দিয়া হৈছে। কাগজ কল কতৃ-পক্ষকো চুৰি ৰোধ কৰিবলৈ উপযুক্ত ব্যৱস্থা শীঘ্রে হাতত লবলৈ আৰু ইতি-মধ্যে চুৰি হোৱা সামগ্রীৰ তালিকা প্রস্তুত কৰি চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ নির্দ্দেশ দিয়া হৈছে।

## PRIVATE MEMBERS MOTION

Shri Dinabandhu Choudhury (Chairman) : Now, further discussion on the motion moved by Shri Ramendra Dey on 5.5.89.

শ্রীবৃন্দাবন গোস্বামী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্রস্তাব উত্থাপন কৰিছে সেই সম্পর্কে মই জনাও যে, আমাৰ ৰাজ্যখনৰ বান পানীৰ দুটা উপত্যকা ব্রহ্মপুত্র আৰু বৰাক, বিজ্ঞান সন্মতভাৱে নিয়ন্ত্রণ কৰিবৰ কাৰণে ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। এই ভয়াবহ অৱস্থাৰ সমাধান নহব বুলিয়েই ১৯৬৭ চনতে ব্রহ্মপুত্র বোর্ড গঠন কৰা হৈছিল এই ব্রহ্মপুত্র বোর্ডৰ পৰাই ভালে খিনি লং টার্ম আৰু চর্ট টার্ম মেজাৰ লোৱা হৈছিল। অৱশ্যে যিবোৰ চর্ট টার্ম মেজাৰ লোৱাৰ কথা সেই বিলাক বৰ বেচি কামত নাহিব। ইতিমধ্যে অৱশ্যে লংটার্ম মেজাৰৰ কাৰণে ইনভেষ্টিগেছন ৰিপোর্ট লোৱাৰ ব্যৱস্থা হৈছে। দিহিং, শোৱনশিৰিত বান্ধ নির্মাণৰ কাৰণে আচনি প্রস্তুত কৰিছে। ব্রহ্মপুত্র আৰু বৰাক উপত্যকাত বানিয়ন্ত্রণৰ কাৰণে ইতিমধ্যে ভালেখিনি ব্যৱস্থা হাতত লৈছে। লগতে এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰক ন্যস্ত কৰাতো আচনি লৈছে। এই ক্ষেত্রত মাননীয় সদস্য গৰাকীৰ চেণ্টিমেণ্ট মই উপলব্ধি কৰিছো। সেই কাৰণে এই বিষয়টো লৈ কেন্দ্রীয় চৰকাৰৰ লগতো তেওঁলোকৰ সহযোগৰ কাৰণে যোগা-যোগ কৰা হৈছে। সেয়ে মই ভাৱো এই প্রস্তাৱটো গ্রহণ নকৰি বর্ত্তমান চৰকাৰৰ ব্যৱস্থাত সন্তুষ্ট হৰ বুলি মই আশা কৰিলো।

Shri Dinabandhu Choudhury (Chairman) : Now, I put the motion moved by the Honourable Member Shri Ramendra Dey.... 'আসাম বিধান সভার এই অধিবেশনে প্রস্তাব গ্রহণ করে যে আসাম রাজ্যকে ভয়াবহ বন্যার হাত থেকে রক্ষা করার জন্য ব্রহ্মপুত্র ও বরাক নদীর বন্যা নিয়ন্ত্রনের বাস্তব বিজ্ঞানসম্মত বহুমুখী পরিকল্পনা দেওয়ার প্রতি আসাম সরকার কেন্দ্রীয় সরকারের কাছে সুপারিশ করেন।'

(The motion lost.)

## PRIVATE MEMBER'S RESOLUTION

Shri Dinabandhu Choudhury (Chairman) : Now, Item No. 4. Shri Binai Khungur Basumatari.

Shri B. K. Basumatari : Mr. Chairman, sir, last time I was speaking on the necessity of the Assam Tribal Development Authority Act, 1983. Sir, this Act, which has come into being, has a background. Sir, I want to place this fact before the House for the purpose of recording that when there was a serious constitutional problem in Assam in 1983, elections had to be forced on the people of the State. Because if the elections was not forced all over the State of Assam, then Assam would have come out of the purview of the constitutional control of the Constitution of India because it did not have any elected House and the Government. Therefore, the Central Government had imposed this election on which many people opposed it and many people pariticipated. Sir, at that time I was a member of the P. T. C. A. and this Party had decided to participate in the election. As a result of this decision, there was large scale riot in different areas and more than 255 tribal people including 'Bodos'

were killed at Gohpur and other places. Sir, After this incident, our election result was announced and I was elected from the present constituency and there was no Communication.

So, I have taken the help of the army which is located near my home at Hatigarh cantonment. This artillary brigade helped me come to Guwahati and I was fortunate I could meet the then Prime Minister of India, Mrs. Indira Gandhi on 3-3-83. I had requested her to come and visit Gohpur area which she readily agreed and on 12th March, Mrs. Gandhi had kindly visited Gohpur area and at Gohpur she realised the sentiments of our tribal people and there she had personally decided that some sort of autonomy must be given to the tribals. As a result of this the Plains Tribal Council of Assam were called to New Delhi. (quoram bell rings)

Chairman .... Please start.

Shri Binai Khungur Basumatari : Mr. Chairman, sir, then this plains Tribal Council of Assam went to New Delhi to hold a series of discussions with the Government of India. On 18th May, 1983, Mrs. Gandhi the then Prime Minister told the delegation that she is ready to give a separate state to the tribals as demanded but she had one problem that she did not have majority in the Rajya Sabha, ie., in the Upper House. She said she could get through the Bill in the Lower House but it would not be complete because she did not have majority in the Upper House. Then I replied that the elections to the Rajya Sabha were

due within next 6 months. When the Prime Minister was kind enough to safeguard the tribals we are ready to wait for another six months after which the Central Government will be in a position to pass the Bill in both Houses of Parliament but the situation was very difficult at that time and the then leader of our delegation Shri Samar Brahma Choudhury, who is now a member of Parliament in New Delhi, said that we are not ready to wait any longer, we want something without the sanction of the Parliament. By this, the PTCA has lost a chance to achieve their original demand and Mrs. Gandhi as a result had advised the then Government in Assam that this Tribal Development Authority Act be given instead of a separate state. This is why this Act has come into being. As I had already said earlier that it is beyond doubt that the development in the tribal areas are lacking and therefore, this Act was passed by this House. But to-day I have asked for its repeal, what are the reasons ? Now I say for the repeal of this Act because this is a still-born-baby which has no power, it has no power to develop the tribal areas. For instance, the elected members of this House and also of the Parliament are members of this Body but sir, there is a constitititutional lacunae in this. We have certain powers and privilege as members of this House and also Members of Parliament has certain powers and privileges but in this Authority this power is not there. So, when the Assembly has given us the basic powers and privileges, this Body has taken away these powers and privileges of the elected representatives and that in itself is a lacunae in

the constitutional provision and therefore, this Act goes against the norms of Parliamentary democracy. That is the first point why this Act should be repealed.

Secondly sir, this Body is not completely formed because in 4(d) of the Assam Tribal Development Authority Act-1983 it says "Eight members to be elected as provided in sub-section (2) of this Section strictly by the limited voters belonging to the plains tribals communities of the Gaon panchayat areas, or a part of the Gaon Panchayat falling within the areas to which this Act is applied". Sir, you know after the passage of this Bill in 1983 there has not been any election in Gaon Panchayats in Assam and therefore, this Authority has remained incomplete. It is not fully constituted and therefore, this Authority has not been able to implement its decisions. That is the second point.

Now I would come to the third point why this Act should be repealed. I quote section 13 (1), Chapter—III of this Act.

"13 (1) The Authority shall meet at least once in three months provided that a meeting of the Authority may be called by the Chairman at shorter intervals if he considers it necessary". Now sir, even this provision of this Act has not been fulfilled, for instance, I will go back to these records. Notification No. ATDA (Estt) 24/86/2 dated 6th June, 1986, was issued by the Government of Assam. Here, this re-constituted Body was declared by the present Government on 6th June whereas this Government had come into being on 24th December 1985. As for the stipulation of the Act this Body should have been

re-constituted within 3 months, the first meeting should have been held earlier but what happened, this Body was reconstituted on 6th June 1986, ie., after more that six months. Through this order the actual provisions of this Act have been violated. Therefore, this present ATDA if we scrutinise legally and technically, is illegal because this body was reconstituted after six months. So, there is no question of holding any meeting within this period of six months. The meeting of this newly constituted Body was held on 18th June 1986. By that time, this Act has already been lapsed acc-ording to the provisions of this Act. Prior to this, this Government could not hold mee-ting in time. The notification NO. TAD/SUB/393/80/167 dated 25th October, 1983 is that this Assam Tribal Deve-lopment Authority should come into operation with effect from 1. 11. 1983.

This should have been effective on 1.11.83. As such, the Body should have been constituted on 1.11.83. But the Body was constituted some time in March, 1984, i.e. after a lapse of four months of this act came into force. The first meeting was held on 21st May, 1984 at 11.00 a.m. in the auditorium of the Janata Bhavan where many things were decided. The first thing that was pointed out in the meeting was by myself, which I quoted.

"Shri Binai Kr. Basumatary pointed out that at the time of framing the Act of TDA, the Government of India assured to credit all allocated funds for ITDP areas to the fund of the Authority, but now it appears only the savings would be made available to the Authority. It

needs to be discussed in detail. The desirability of the continuance of State level Advisory Council, for Welfare of ST(P) and the Sub-Divisional Development Boards, after the creation of the TDA may also be considered. This may lead to duplicacy of works, creating confusion ; hence reorganisation is necessary."

So, Sir, the primary objective of the Government of India to frame this Act of TDA was that all tribal development works would be carried out by this authority and all the developmental works under the Tribal Sub-Plan areas would be implemented by this authority. The prime objective of framing this Act of TDA was that the Government of India would credit all allocated funds for ITDP areas to the fund of the Authority. Sir, this position was never challanged. That is why, the stand of the Government of India remains that all the funds allocated under ITDP should have gone to TDA. Now the funds that go to the TDA is only the savings that would be made available by the authority. Sir, the savings, as a matter of fact, is the part of the amount ear-marked for certain plans could not be spent and is returned to the Government of India and these lapsed amounts are diverted to the Tribal Development Authority. Therefore, Sir, even in this purpose the Tribal Development Authority has failed. The second meeting was held on 25th February, 1985. You will find, Sir, this meeting was held after one year. So, even the previous Government could not regularise the Tribal Development Authority and it

could not hold the meeting of the Authority in time. After the present Government came into being three meetings were held. I have pointed out in the first meeting all the irregularities. It was decided by the new Government that this Act would be amended. A Sub-Committee was constituted wherein many many ambitious plans were enunciated and proceedings were adopted to make this Authority a forceful one so that the primary objective of accelerating development in the tribal areas could be carried out. Then, Sir, what are the duties of this Authority. The duties of this Authority is that, I quote Section 16(x)—

(1) The Authority shall have the following functions :—

(a) To prepare short-term and long-term plans for all round socio-economic development of the areas to which this Act is applied.

(b) To formulate schemes for the development of the area in the context and within the framework of the State Plans.

(c) To recommend such other measures as may be considered necessary for accelerating the development of the area.

(d) To review the schemes for the development of the area and their progress from time to time.

(e) To call for the reports relating to the implementation of the development programmes in the area and to suggest measures for co-ordination and supervision of the schemes.

(2) The Authority may with the approval of the

Government set up such agency at Sub-Divisional or Block level as it may consider necessary for the effective discharge of its functions.

Sir, none of these functions delegated to this Authority has been implemented. we never had had any occasion to review the plans and schemes ; we never had had any occasion to call for reports for last four years. when the new Government came into being a few cores of rupees was received from the Central Government for Family Oriented Scheme. It was decided that educated tribal youths would be brought under the benefit of this scheme but even today the scheme has not been finalised. There were tussles, Sir, and these tussles were very odd. For instance, under the Tribal Sub-Plan the tribals are to receive 50% as subsidy. One such project is to provide Power Tillers by the Tribal Development Authority. The total cost of one power-tiller is more than 45, C00 and 50% of the amount is given as subsidy then it will mean that Government of India will provide Rs. 22, 500 as subsidy. But here we wanted to implement the scheme and we took a resolution as such. But the Government of India subsequently stated that they cannot provide more than Rs. 5000 as subsidy to any tribal people. Therefore, there is contradiction and this contradiction has not been solved even today. As a result, crores of rupees available for the development of the tribals could not be made use of and the decision to give benefit the educated tribal youths of the State could not be implemented. We know about a few schemes that have been implemented in the

constituency of the present Minister-incharge of Welfare of Plains Tribes and Backward Classes. These are not many. They are not move than five in number. This, however, does not mean that the tribles, I mean the educated tribal youths have derived any benefit. The schemes that we adopted varying from Rs. 10,000 to Rs. 50,000 has been slashed down and today with the loan and grant of subsidy of Rs. 5000 no entrepreneurs will be able start any industry, except many be betelnut shop on the road-side. Therefore, the very scheme itself has not been implemented and the people have not received any benefit from this Tribal Development Authority. Sir, under the scheme tractors were provided to the tribal people. It transpired in the first meeting of the present authority that these tractors were purchased with ulterior motive. These tractors are not attuned to the climatic condition of the State; bought for the tribal people and most of the tractors have broken down and have become inoperative. It is a matter of surprise that one tractor which was placed at Tinsukia and meant to be sent to Sadiya took more than six months to travel from Tinsukia to Sadiya. This was discussed in the meeting and the Tribal Development Authority failed to give any answers. So, Sir, if this is the way the programmes and plans of this Tribal Development Authority operates then I have proved beyond doubt that the provision of the Act has been violated; the plans and programmes of the Tribal Development Authority has failed. Therefore, if this Government wants to call a spade a spade, if this Government

is really sincere for the development of the tribals, they should declare that this Act and the plans and projects under this Act cannot be implemented. So this Act should be repealed and since for the purpose for which this Act has been passed has failed, the problem of the development of the tribals remain and that is why this was a case which came through democratic, parliamentary and peaceful process and since it has failed the problem of separation from Assam has come to the full focus and, therefore, I say again that his Act should be repealed.

Shri Dinabandhu Choudhury (Chairman) There is an amendment moved by honourable members Monilal Goala and Silvius Condapan. They are absent. So you may speak.

* শ্ৰীকুমাৰ দীপক দাস : মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী দেৱে যিটো প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে সেইটো প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো এই কাৰণেই যে বিধান সভাৰ মজিয়াত জনজাতি সকলক লৈ তেওঁলোকৰ সমস্যাক লৈ আমি ইয়াত আলোচনা বিলোচনা কৰিছো, আৰু তেওঁলোকৰ উন্নয়নৰ কাৰণে আমি যথেষ্ট আঁচনি হাতত লৈছো তেনে এটা পৰিস্থিতিত যদি আমি মাননীয় সদস্য জনে অনা প্ৰস্তাৱটো সমৰ্থন কৰিব লগীয়া হয় তেতিয়াহলে জনজাতি সকলৰ প্ৰকৃত উন্নয়নৰ কাৰণে আমি কাম কৰিব খোজা নাই বুলি কব লাগিব। আসাম ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি ১৯৮৩ চনতে আৰম্ভ হৈছিল আৰু ইয়াৰ কাৰ্য্যকৰী ৰূপ ১৯৮৪ চনৰ পৰাহে দিয়া হৈছিল। আৰু এতিয়া ১৯৮৮ চনত দেখিবলৈ পাইছো প্লেনচৰ যিবিলাক জিলা সেইবিলাক সামৰি লৈ এই আইনখন সম্প্ৰসাৰণ কৰা হৈছিল। তেতিয়া-

* Speech not corrected.

হলে এই আইনৰ দ্বাৰা জনজাতি সকল উপকৃত হৈছেনে নাই। আমাৰ উদ্দেশ্য হব লাগিব জনজাতি সকলৰ উন্নয়নৰ কাৰণে কাম কৰা। আমাৰ ৰাজ্য চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি হাতত লৈছে, এই জনজাতি সকলক আগুৱাই অনাৰ কাৰণে। আমাৰ মাননীয় সদস্য সকলে তাক ৰূপায়ণ কৰিবৰ কাৰণে সঁহাৰি জনাব লাগিব। আমাৰ বহুতো মাননীয় জনজাতি সদস্য আজি সদনত আছে। তেখেত সকলে তাত সঁহাৰি জনোৱা উচিত। আমাৰ সকলোৰে উদ্দেশ্য হব লাগে এটাই, সেইটো হৈছে আমাৰ যিখিনি আঁচনি সেই আঁচনি খিনিত যদি আমি কৃতকাৰ্য্য হোৱা নাই তাক কেনেকৈ ৰূপায়ন কৰিব পাৰি, সেইটোৰ ক্ষেত্ৰতহে পৰামৰ্শ দিব লাগে। গতিকে মাননীয় সদস্যজনে এনে এটা প্ৰস্তাৱ ননা হলে ভাল আছিল। সেই প্ৰস্তাৱটো আমি বিৰোধীতা কৰিছো। এতিয়ালৈকে এই জনজাতি সকলৰ কাৰণে চৰকাৰে ৩ কোটি ৪৬ লাখ টকা খৰচ কৰিছে। আৰু ইয়াৰ দ্বাৰাই জনজাতি সকল নিশ্চয় উপকৃত হৈছে। যিবিলাক পৰিয়াল দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰিছে, তেওঁলোকৰ উন্নয়নৰ কাৰণেই তেওঁলোকৰ সমস্যাবিলাক সমাধান কৰাৰ কাৰণে যদি আমি চেষ্টা নকৰো তেতিয়াহলে আমি জগৰীয়া হব লাগিব। সেই কাৰণেই মই মাননীয় বিধায়ক গৰাকীক অনুৰোধ কৰিছো তেখেতে যাতে এই প্ৰস্তাৱটো উঠাই লয়। জনজাতি সকলৰ কাৰণে আমাক কাম কৰিবলৈ সুবিধা দিব বুলি আশা কৰিলো। ইতিমধ্যে এইটো জনাব বিছাৰিছো যে এই অথৰিটিৰ দ্বাৰা ৬ হেজাৰ পৰিয়ালক, দৰিদ্ৰতা সীমা ৰেখাৰ তলত বাস কৰা পৰিয়ালক, তেওঁলোকৰ উন্নয়নৰ কাৰণে, তেওঁলোকক আগুৱাই অনাৰ কাৰণে আঁচনি কৰা হৈছে। আজি আমাৰ চৰকাৰে এই আঁচনি বিলাকৰ দ্বাৰা ফলপ্ৰসুভৱে কাৰ্য্যকৰী কৰিব বিচাৰিছে। সেই কাৰণেই এই প্ৰস্তাৱটো উঠাই লব লাগে। তাকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীগনেশ বড়ো : মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰী দেৱে যিটো প্ৰস্তাৱ আনিছে এই সম্পৰ্কে মোৰ মত ডাঙি ধৰিব বিচাৰিছো। এই বস্তুটো তেখেতে ভাল বস্তুৱেই আনিছিল। জনজাতি বিধায়ক হিচাবে মোৰ ইয়াত কবলগীয়া একো নাছিল। কিন্তু এটা কথাৰ কাৰণে কব লগীয়া হল তেখেতে হাউচত মিচলেট কৰিব খোজা যেন

অনুভৱ হৈছে। ১৯৮৩ চনত গহপুৰত এটা ডাঙৰ ঘটনা হৈছিল আৰু সেই সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী অসমলৈ আহিছিল আৰু তেওঁৰ নিজৰ চকুৰে জনজাতীয় সকলৰ অৱস্থা দেখিবলৈ পায়। জনজাতীয় সকলৰ পুৰণা দাবী আছিল যে এখন বেলেগে শায়ত্ব শাসিত অঞ্চল বা ইউনিয়ন টেৰিটৰী দিব লাগে। সেই কথা মানি লৈ তেখেতে পিটিচি'ৰ নেতা সকলক গেষ্ট হাউচলৈ মাতিছিল। গতিকে ট্ৰাইবেল সকলৰ কাৰণে কিবা এটা কৰিব লাগিব। সেয়েহে তেখেতে সকলো যাৱতীয় তথ্য-পাতি লৈ যাবলৈ কয়। কিন্তু সেই সময়ত লোক সভাত যদিও তেওঁলোকৰ মেজৰিটি আছিল ৰাজ্য সভাত মেজৰিটি নথকাৰ কাৰণে কামটো হৈ নুঠিল। তেতিয়া জনজাতি পৰিষদৰ এম, পি শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ডাঙৰীয়াই কৈছিল যে আমি অপেক্ষা কৰিব নোৱাৰো। আমাক সোনকালে কিবা এটা ব্যৱস্থা কৰি দিব লাগে। তেতিয়া বি, কে বসুমতাৰীয়ে কৈছিল, প্ৰয়োজন হলে ৬ মাহ ৰখিম। তথাপি আমাৰ মুল দাবীটো পুৰণ কৰিব লাগিব। কাৰণ ট্ৰাইবেল ডেভলপমেণ্ট অথৰিটি লৈ আমি সন্তুষ্ট থাকিব নোৱাৰো। গতিকে পিটিচিৰ দাবী আছিল উদায়াচল। ট্ৰাইবেল ডেভলপমেণ্ট অথৰিটি নহয়। গতিকে মই সদস্য হিচাবে কবলগীয়াখিনি কম।

Shri Binai Khungur Basumatari : Mr. Chairman. He was not in the meeting with the Prime Minister ; so he does not know.

## PRESENTATION OF REPORT

Mr. Chairman : Last item now : Shri Jagat Hazarika (Chairman, Committee on Government Assurances) to present the report.

Shri Jagat Hazarika : Mr. Chairman, Sir, I beg to present the 28th Report of the Committee on Government Assurances.

Sir, the printed copies of the Report will be circu-

lated amongst the Honourable Members as soon as its printing is completed.

অহা ইংৰাজী ১৫/৫/৮৯ তাৰিখ সোমবাৰে ৰাতিপুৱা ৯ বজা লৈকে সদন স্থগিত ৰাখে ।

## ADJOURNMENT

The House then rose at 11-31 A.M. and stood adjourned till 9 A.M. on Monday, the 15th May, 1989.

Dated, Dispur
The 12th May, 1989.

**S. N. Deka.**
Secretary,
Assam Legislative Assembly.

# ANNEXURE—I

## আঁচনি অনুযায়ী সামগ্ৰী ক্ৰয় কৰাৰ তালিকা

### হোজাই মহকুমা (সাধাৰণ এলেকা)

| ক্ৰমিক নং | আঁচনিৰ নাম | | ১৯৮৬-৮৭ (লাখ) টকা | ১৯৮৭-৮৮ (লাখ) টকা | ১৯৮৮-৮৯ (লাখ) টকা |
|---|---|---|---|---|---|
| ১। | নিজডবকা উত্তোলিত আঁচনি | | ৪’৬৩ | ১’১২ | ০’২৯ |
| ২। | এৰাকপিলি | ” | ১’০১ | ১’৪৭ | ১’৩১ |
| ৩। | জয়সাগৰ গভীৰ নলী নাদ। | | — | ০’৩৯ | ১’৪২ |
| ৪। | ৰাম সাগৰ গভীৰ নলী নাদ। | | — | ০’৩৯ | ০’৭৯ |
| | মুঠ :— | | ৫’৬৪ | ৩’৩৭ | ৩’৮১ |

### নগাওঁ মহকুমা (সাধাৰণ এলেকা)

| ক্ৰমিক নং | আঁচনিৰ নাম | | | ১৯৮৬-৮৭ | ১৯৮৭-৮৮ | ১৯৮৮-৮৯ |
|---|---|---|---|---|---|---|
| ১। | হাৰিভঙা বিল উত্তোলিত আঁচনি | | | ২’০৯ | ০’৫৫ | ০’২৭ |
| ২। | পুথি খাইটি বিল | | ” | ১’৫৭ | ০’৫৩ | ০’০৬ |
| ৩। | সোনাই নৈ চলচলি | | ” | ১’৫১ | ১’২৮ | ০’৬১ |
| ৪। | দক্ষিন চাংচুকী | | ” | ৩’৫০ | ০’৭৬ | ০’১৩ |
| ৫। | বকুলগুৰী | | ” | ৩’১৬ | ৪’০৫ | ১’৪৫ |
| ৬। | পুঠি খাইটি | নং ১ | ” | ০’০২ | ০’০৬ | — |
| ৭। | ঐ | নং ২ | ” | ০’০২ | ০’০৫ | — |
| ৮। | ঐ | নং ৩ | ” | ০’০৩ | ০’০৫ | — |
| ৯। | ঐ | নং ৪ | ” | ০’০২ | ০’০৫ | — |
| ১০। | ঐ | নং ৫ | ” | ০’০৩ | ০’০৫ | — |
| ১১। | পুথি খাইটি | নং ৬ | ঐ | ০’০৩ | ০’০৫ | — |
| ১২। | ঐ | নং ৭ | ঐ | ০’০৪ | ০’১১ | — |

| ক্ৰমিক নং | আঁচনিৰ নাম | | ১৯৮৬-৮৭ | ১৯৮৭-৮৮ | ১৯৮৮-৮৯ |
|---|---|---|---|---|---|
| ১৩। | ঐ নং ৮ | ঐ | ০'০৪ | ০'১৪ | — |
| ১৪। | ঐ নং ৯ | ঐ | ০'০৪ | ০'১২ | — |
| ১৫। | ঐ নং ১০ | ঐ | ০'১৩ | ০'১১ | — |
| ১৬। | শান্তি জান নং ১ | ঐ | ০'১৩ | — | — |
| ১৭। | ঐ নং ২ | ঐ | ০'১১ | — | — |
| ১৮। | চল চলি নং ২ | ঐ | ০'১০ | — | — |
| ১৯। | ঐ নং ৩ | ঐ | ০'০৭ | — | — |
| ২০। | ঐ নং ৪ | ঐ | ০'০৮ | — | — |
| ২১। | ঐ নং ৫ | ঐ | ০'০৭ | — | — |
| ২২। | ঐ নং ৬ | ঐ | ০'০৭ | — | — |
| ২৩। | ঐ নং ৭ | ঐ | ০'১২ | — | — |
| ২৪। | নিখাৰী নং ১ | ঐ | ০'০৩ | ০'০৩ | — |
| ২৫। | নং ২ | ঐ | ০'০৩ | ০'০২ | — |
| ২৬। | ঐ নং ৩ | ঐ | ০'০৩ | ০'০২ | — |
| ২৭। | ঐ নং ৪ | ঐ | ০'০৭ | ০'০২ | — |
| ২৮। | ঐ নং ৫ | ঐ | ০'০৩ | — | — |
| ২৯। | ঐ নং ৬ | ঐ | ০'০৩ | — | — |
| ৩০। | ঐ নং ৭ | ঐ | ০০৩ | — | — |
| ৩১। | সোঁনাই | ঐ | ০'০৪ | — | — |
| ৩২। | যমুনা মুখ | ঐ | — | — | — |
| ৩৩। | চৰাই হাগী নং ১ | ঐ | ০'৩৮ | — | — |
| ৩৪। | ঐ নং ২ | ঐ | ০'৩৫ | ০'১৪ | — |
| ৩৫। | ঐ নং ৩ | ঐ | ০'২৯ | ০'১৯ | — |
| ৩৬। | ঐ নং ৪ | ঐ | ০'০৯ | ০'০৮ | — |
| ৩৭। | বেঙেনা আটি নং ১ | ঐ | — | — | — |
| ৩৮। | ঐ নং ২ | ঐ | — | — | — |
| ৩৯। | ৰূপাই | ঐ | — | — | — |
| ৪০। | চাম গুৰি | ঐ | — | — | — |

| ক্রমিক নং | আচনিৰ নাম | | ১৯৮৬-৮৭ | ১৯৮৭-৮৮ | ১৯৮৮-৮৯ |
|---|---|---|---|---|---|
| ৪১। | ওদালি গভীৰ নলী | ঐ | — | — | — |
| ৪২। | ট্ৰেনিয়া চাপৰি | ঐ | ১'৩৭ | ০'৭৭ | ০'১১ |
